Content includes AI-generated material

www.newsnextone.com
# ই-সংবাদ

## অসম পুলিচক বাধা বংগ আৰক্ষীৰ

ই-সংবাদ বিশেষ, ৫ জুনঃ মা কামাখ্যাক লৈ আপত্তিজনক মন্তব্য কৰা পশ্চিমবংগৰ ৰাজাহাট খান কাদ্ৰী ৫ পৃষ্ঠাত

## বিশেষ ঘোষণা

কাৰিকৰী কিছু অসুবিধাৰ বাবে 'ই-সংবাদ'ৰ প্ৰকাশ অহা ১২ জুন পৰ্যন্ত বন্ধ থাকিব। এই সময়ছোৱাত বাতৰিবোৰ আমাৰ মূল ৱেবছাইটত প্ৰকাশ পাই থাকিব।

FRIDAY, JUNE 6, 2025 ■ শুকুৰবাৰ, ২২ জেঠ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫৯ Guwahati, Assam ।। মূল্যঃ এটকা

অম্বুবাচীৰ পূৰ্বে অঘটন!

## গুৱাহাটীৰ কামাখ্যা পথত ভূমিস্খলন

ই-সংবাদ, ৫ জুনঃ ভয়ংকৰ ভূমিস্খলনত খহি পৰিল গুৱাহাটীৰ কামাখ্যা ৩ পৃষ্ঠাত

## নম্ৰতাৰ মৃত্যুৰে জড়িত থকাৰ সন্দেহ বিধায়ক পুত্ৰ!

৫ বন্ধু-বান্ধৱীৰ বিৰুদ্ধে গোচৰ

ই-সংবাদ, ৫ জুনঃ মেঘালয়ৰ ৰিভ'ই জিলাৰ চাংবাংলাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ যুৱ অধিবক্তা নম্ৰতা বৰা ৰহস্যজনক পথ দুৰ্ঘটনাত নিহত হোৱা ঘটনাই ২ নং পৃষ্ঠাত

মৃতকৰ পৰিয়ালক ১০ লাখকৈ ক্ষতিপূৰণ ঘোষণা

## বাংগালুৰুতৰ পদপিষ্ট ঘটনা! আৰচিবিৰ বিৰুদ্ধে ৰুজু গোচৰ

বাংগালুৰু, ৫ জুনঃ আনন্দময় উৎসৱৰ পাছৰ পৰিণতি যেতিয়া এক ভয়ানক ট্ৰেজেডীলৈ পৰিণত হয়, তেতিয়া দায়িত্বৰ প্ৰশ্নটো অনিবাৰ্যভাৱে চৰ্চালৈ আহে। অৱশেষত ৩ নং পৃষ্ঠাত




## আহোম বীৰৰ নাম এৰক বীৰ লাচিত সেনাই!

দাবী গগৈ ঐক্য মঞ্চৰ

ই-সংবাদ, ৫ জুনঃ বিৰক্ত গগৈ নামৰ যুৱকজনক সাধাৰণ ফেচবুক কমেণ্টৰ বাবে ঘৰলৈ গৈ শাৰীৰিক আৰু ৬ পৃষ্ঠাত

## বৰাকৰ চৌদিশে বানৰ জটিল পৰিস্থিতি! আজি বৰাকলৈ চিএম



ই-সংবাদ, ৫ জুনঃ ক্ৰমে জটিল ৰূপ ধাৰণ কৰিছে বৰাক উপত্যকাৰ শ্ৰীভূমি, হাইলাকান্দি আৰু কাছাৰ জিলাৰ বান পৰিস্থিতি। কাইলৈ দ্বিতীয়বাৰৰ বাবে বান পৰিস্থিতি পৰ্যবেক্ষণ কৰিবলৈ বৰাক উপত্যকা ভ্ৰমণ কৰিব মুখ্যমন্ত্ৰীয়ে। ক্ৰমে বিপজ্জনক হৈছে বৰাকৰ বান বান পৰিস্থিতি পৰ্যবেক্ষণৰ বাবে কাইলৈ পুনৰ বৰাক উপত্যকা ভ্ৰমণ কৰিব। শ্ৰীভূমিৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ ৮৫,০০০তকৈও ৫ পৃষ্ঠাত

যিফালে ক্ষমতা দেখে, মুখ্যমন্ত্ৰীয়ে তাতে ভৰি থয় বুলি কটাক্ষ গৌৰৱৰ

# বৰাকক এটিএম হিচাপে ব্যৱহাৰ কৰিছে বিজেপিয়ে!

■ 'যি মোৰ লগত নাই, তেওঁ বিৰোধী হৈয়ে থাকিব লাগিব' বুলি গৌৰৱ গগৈক উভতি ধৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্বই

ই-সংবাদ, ৫ জুনঃ গৌৰৱ গগৈয়ে প্ৰদেশ কংগ্ৰেছৰ দায়িত্ব লোৱাৰ পিছৰে পৰা অত্যাধিক আক্ৰমণাত্মক হৈ পৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব। কিছুদিন আগলৈকে মুখ্যমন্ত্ৰী ৬ নং পৃষ্ঠাত

## বেলতলা বজাৰত জানজাতীয় মহিলাক টোল মুক্ত বেহা


২৫% স্থান সংৰক্ষণ জিএমচিৰ

ই-সংবাদ, ৫ জুনঃ ৰাজ্যৰ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি জনগোষ্ঠীৰ মহিলাসকলৰ বাবে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত ঘোষণা ৫ পৃষ্ঠাত



## কণ্ঠশিল্পী বুদ্ধেশ্বৰ মৰাণৰ দেহাৱসান

ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৫ জুনঃ অসমৰ আদিম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীৰ বিশিষ্ট সাংস্কৃতিক সাধক ৩ পৃষ্ঠাত



যুগ্ম জীৱনৰ পাতনি পিনাকী-মহুৱাৰ

## দৰা পিনাকী, বাৰ্লিনত বিয়াত বহিল মহুৱা

কলকাতা, ৫ জুনঃ ৰাজনৈতিক জীৱনৰ চৰম বিতৰ্কৰ মাজতে জীৱনৰ এক নতুন অধ্যায় আৰম্ভ কৰিলে তৃণমূলৰ সাংসদ ২ পৃষ্ঠাত

## লোকপিয়লৰ পিছতে জাতিৰ স্বীকৃতি পাব অসমীয়া মুছলমানে

লাভলীনা বক্সিং একাডেমী, পৰিৱেশ পৰ্টেল মুকলি মুখ্যমন্ত্ৰীৰ

ই-সংবাদ, ৫ জুনঃ অসমক ক্ৰীড়া আৰু পৰিৱেশৰ ক্ষেত্ৰত অগ্ৰণী শক্তি হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপৰ কথা ঘোষণা কৰিছে ৰাজ্য চৰকাৰে। বৃহস্পতিবাৰে মুখ্যমন্ত্ৰী ৪ পৃষ্ঠাত





## উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞা অমান্য কৰি কাৰ্বি পাহাৰত চলিছে অবাধ খনন

ভিউজৰ বাবে জিংঘাসা

## বনৰীয়া পক্ষী নিধন কৰি গ্ৰেপ্তাৰ ৩ ইউটিউবাৰ

ই-সংবাদ, ৫ জুনঃ মানুহৰ জিঘাংসা আকৌ এবাৰ দেখিবলৈ পোৱা গ'ল এইখন অসমতে। মানুহৰ জিঘাংসাৰ বাবে হাবি-জংঘলত ৪ নং পৃষ্ঠাত

## হিমন্ত-তুলিৰামৰ বিৰুদ্ধে চিবিআই তদন্তৰ দাবী কংগ্ৰেছৰ





ই-সংবাদ, ৫ জুনঃ অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা ৰাজ্যিক নিৰ্বাচন ব্যৱস্থাপনা সমিতিৰ অধ্যক্ষ ৰিপুণ বৰাই আজি ৰাজীৱ ভৱনত এখন ৭ নং পৃষ্ঠাত

ৰাজীৱ ভৱনত সংবাদ মেল সম্বোধি বিজেপি চৰকাৰক তুলাধুনা ৰিপুণ বৰাৰ



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দৰা পিনাকী, বাৰ্লিনত বিয়াত বহিল মহুৱা

মহুৱা মৈত্ৰাই। পুৰীৰ প্ৰাক্তন সাংসদ পিনাকী মিশ্ৰৰ সৈতে বিবাহপাশত আবদ্ধ হ'ল কৃষ্ণনগৰৰ প্ৰতিনিধি মহুৱা। ৩০ মে' শুকুৰবাৰে জাৰ্মানীৰ বাৰ্লিনৰ এটা ৰাজপ্ৰসাদৰ চাদত বিবাহপাশত আবদ্ধ হয় ৬৫ বছৰীয়া পিনাকী আৰু ৫১ বছৰীয়া মহুৱা। খেলুৱৈ বা অভিনেতা-অভিনেত্ৰীৰ বাবে বহিঃৰাজ্যত 'ডেষ্টিনেচন বিবাহ' নতুন কথা নহয় যদিও দুজন ঘৰুৱা ৰাজনীতিবিদৰ মাজত এনে বিবাহ দেশত এক বিৰল পৰিঘটনা। দম্পতীটোৰ ঘনিষ্ঠ মহলে কয় যে বাৰ্লিনক ভিৰৰ পৰা হাত সাৰিবলৈ বাছি লোৱা হৈছিল। পিনাকী আৰু মহুৱা বৰ্তমান ইউৰোপত মধুচন্দ্ৰিকা যাপনত ব্যস্ত। জানিব পৰা মতে, মহুৱাই তৃণমূলৰ মুৰব্বী মমতা বেনাৰ্জীক নিজৰ বিবাহৰ বিষয়ে আগতীয়াকৈ অৱগত কৰিছিল। কৰ্মজীৱনৰ পৰা 'ছুটী' লৈ তেওঁ বিয়াৰ বাবে বহিঃৰাষ্ট্ৰলৈ ৰাওনা হয়। জুন মাহৰ শেষৰ ফালে পিনাকী আৰু মহুৱা দেশলৈ উভতি অহাৰ কথা। ইয়াৰ পূৰ্বে ২০১৯ চনত তৃণমূল কংগ্ৰেছৰ বাবে বাছিৰহাট লোকসভাৰ আসন লাভ কৰাৰ পিছত অভিনেত্ৰী নুছৰত জাহানেও তুৰস্কৰ বড্ৰামত 'ডেষ্টিনেচন বিবাহ' সম্পন্ন কৰিছিল। উল্লেখ্য যে মহুৱা আৰু পিনাকী দুয়োজনেই পেছাদাৰী ৰাজনীতিবিদ আৰু পিনাকী পেছাত এগৰাকী অধিবক্তাও। লক্ষণীয় যে আমেৰিকাৰ বিত্তীয় বিনিয়োগ সংস্থা 'জে পি মৰ্গান এণ্ড চেজ'ত দীৰ্ঘদিন কাম কৰিছিল মহুৱাই আৰু কোম্পানীটোৰ তেওঁ উপাধ্যক্ষও হৈছিল। সেই সময়ত ডেনিছ বিত্তীয় বিষয়া লাৰ্চ ব্ৰ'ৰ্ছনৰ সৈতে তেওঁৰ বিবাহ হয় আৰু পিছলৈ তেওঁৰ বিবাহ বিচ্ছেদ হয়। মহুৱাৰ পৰা বিবাহ বিচ্ছেদ হোৱাৰ পিছত লাৰ্চে পুনৰ বিবাহপাশত আবদ্ধ হয়। আনহাতে পিনাকীয়ে প্ৰথমে ওড়িশাৰ সংগীতা মিশ্ৰৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। তেওঁলোকৰ এজন পুত্ৰ আৰু এগৰাকী কন্যা সন্তানো আছে। কেইবাবছৰ আগতেই বিবাহ বিচ্ছেদ হৈছিল পিনাকী আৰু সংগীতাৰো। ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন অধিবক্তা জয় অনন্ত দেহাদ্ৰাৰ সৈতে আছিল মহুৱাৰ ঘনিষ্ঠ সম্পৰ্ক। অৱশ্যে পৰৱৰ্তী সময়ত তেওঁলোকৰ সেই সম্পৰ্ক তিক্ততাপূৰ্ণ হৈ পৰে। পোহনীয়া জন্তুৰ মালিকী স্বত্বক লৈ জয় আৰু মহুৱাৰ বিবাদ তীব্ৰতৰ হৈ পৰে। ব্যক্তিগত জীৱনৰ এনে তিক্ততাৰ মাজতে লোকসভাৰ অন্তিম কাৰ্যকালত মহুৱাৰ বিৰুদ্ধে সংসদত গৌতম আদানি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে জড়িত উপহাৰ আৰু উপকাৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰাৰ অভিযোগ উত্থাপন হৈছিল। যাৰ ভিত্তিত সংসদৰ এথিক্স সমিতিৰ পৰামৰ্শ মতে যোৱা কেইমাহমানৰ পৰা মহুৱাক বহিষ্কাৰ কৰিবলগীয়া হৈছিল। অভিযোগ ৰাজহুৱা কৰাসকলৰ ভিতৰত মহুৱাৰ প্ৰাক্তন বন্ধু জয় আৰু বিজেপিৰ সাংসদ নিশিকান্ত ডুবেও আছে। মহুৱা আৰু জয়ৰ মাজৰ দূৰত্ব বাঢ়ি অহাৰ পিছতহে পিনাকীৰ লগত মহুৱাৰ ঘনিষ্ঠতাই বন্ধুত্বৰ পৰৱৰ্তী স্তৰত উপনীত হয়। যোৱা বছৰ দুয়োজনে ইউৰোপলৈও একেলগে ভ্ৰমণ কৰিছিল। প্ৰসংগক্ৰমে মহুৱা আৰু পিনাকী দুয়োজনেই ৰাজনৈতিক জীৱন আৰম্ভ কৰিছিল কংগ্ৰেছৰ জৰিয়তে। অৱশ্যে অতি কম সময়ৰ বাবেহে কংগ্ৰেছত আছিল মহুৱা। কিন্তু পিনাকীয়ে প্ৰথমে ১৯৯৬ চনত কংগ্ৰেছৰ টিকটত পুৰীৰ পৰা সাংসদ হয়। পিছলৈ কংগ্ৰেছ এৰি বিজু জনতা দলত যোগদান কৰি ২০০৯, ২০১৪ আৰু ২০১৯ চনত বিজেডিৰ প্ৰাৰ্থী হিচাপে পুৰীৰ পৰা জয়লাভ কৰে। কিন্তু বিগত লোকসভা নিৰ্বাচনত বিজেডিৰ শীৰ্ষ নেতা তথা ওড়িশাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নবীন পাটনায়কে তেওঁক টিকট নিদিলে। সেই সময়ত উড়িশাৰ ৰাজনীতিত এই উৰাবাতৰি বিয়পি পৰিছিল যে মহুৱাৰ সৈতে থকা সম্পৰ্কৰ বাবেই পিনাকীক বিতৰ্কৰ পৰা হাত সাৰিবলৈ টিকট দিয়া নাছিল বিজেডিয়ে। ইয়াৰ বিপৰীতে, ২০০৯ চনত জে পি মৰ্গানৰ চাকৰি এৰি কংগ্ৰেছত যোগদান কৰে মহুৱাই। ২০১০ চনত তেওঁ তৃণমূল কংগ্ৰেছত যোগদান কৰি ২০১৬ চনত তৃণমূল কংগ্ৰেছৰ টিকটত কৰিমপুৰ বিধান সভা সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হয়। পৰৱৰ্তী সময়ত তেওঁ সংসদলৈ প্ৰেৰণ কৰে মমতা বেনাৰ্জীয়ে। ২০১৯, ২০২৪ত একেৰাহে দুবাৰকৈ কৃষ্ণনগৰৰ পৰা নিৰ্বাচিত হৈছে মহুৱা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নম্ৰতাৰ মৃত্যুৰে জড়িত থকাৰ সন্দেহ

তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৪ জুনৰ পুৱতি নিশা নম্ৰতাসহ ৬ জন লোক থকা বাহখনে ৰিভ'ই জিলাত ৰৈ থকা ট্ৰাক এখনত খুন্দা মৰাৰ ফলত পিছৰ আসনত থকা নম্ৰতা থিতাতে নিহত হৈছিল। এই পথ দুৰ্ঘটনাৰ পিছতে অসমৰ এজন বিধায়কৰ পুত্ৰৰ নাম খুব চৰ্চালৈ আহিছে। যিখন বাহন দুৰ্ঘটনাগ্ৰস্ত হৈ নম্ৰতা নিহত হৈছিল সেইখন বাহনত আছিল এআইইউডিএফৰ বিধায়ক হাফিজ বছিৰ আহমেদ কাছিমীৰ পুত্ৰ আনায়াতুল ৰাদুদ। আনায়াতুল ৰাদুদ এআইইউডিএফৰ যুৱ কোষৰো নেতা। বিধায়ক পুত্ৰ আনায়াতুল ৰাদুদৰ বিৰুদ্ধে দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতে পলায়ন কৰাৰ অভিযোগ উত্থাপন কৰি একাংশ সংবাদ মাধ্যমে বাতৰি প্ৰকাশ কৰিছে। ইতিমধ্যে নম্ৰতা বৰাৰ পৰিয়ালে নংপু আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। নম্ৰতাক হত্যা কৰাৰ সন্দেহ কৰা হৈছে। মেঘালয় আৰক্ষীয়ে এজাহাৰ লাভৰ পিছতে হত্যাকাণ্ড হ'ব পাৰে নেকি তাক লৈ তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। নম্ৰতা বৰাৰ ভাতৃ ঋষভনন্দন বৰাই নংপো আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত তদন্ত আৰম্ভ কৰিছে। নম্ৰতাৰ ভাতৃ ঋষভনন্দন বৰাই অভিযোগ উত্থাপন কৰি কয় যে এই ঘটনাৰ আমি তদন্ত বিচাৰিছো। কাৰ ভুলৰ বাবে মোৰ ভগ্নীৰ মৃত্যু হ'ল সেয়া পোহৰলৈ আহিব লাগে। দুৰ্ঘটনাটো হোৱাৰ পিছত মোৰ ভগ্নীক মৃগাংক বৰা আৰু প্ৰজ্ঞা দিহিঙীয়াই হাস্পতাললৈ লৈ গৈছিল। কিন্তু লগত থকা আনায়াতুল ৰাদুদ আৰু গায়ত্ৰী বৰা আঁতৰি গৈছিল। মোৰ ভগ্নীৰ মৃত্যুৰ ঘটনাৰ আঁৰত নিশ্চয় কিবা ৰহস্য আছে। যাৰ বাবে এই ঘটনাৰ তদন্ত বিচাৰি মই এজাহাৰ দিছো। বাহনখনত থকাকেইজনৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ বাবে মই আৰক্ষীৰ ওচৰত অনুৰোধ জনাইছো। ইপিনে পৰিয়ালে দিছপুৰ আৰক্ষী থানাতো এজাহাৰ দাখিল কৰিছে। জানিব পৰা মতে, সিদিনা নিশা এএছ-০১-ইভি-৯৫৭৮ নম্বৰৰ হুণ্ডাই আল্কাজাৰ বাহনখন গুৱাহাটীৰ পৰা দৰং জিলাৰ ছিপাঝাৰৰ ইছমাইল হক চৌধুৰীয়ে চলাই গৈছিল। বাহনখনত আছিল গুৱাহাটীৰ আনায়াতুল ৰাদুদ (৩৯), মঙলদৈৰ গায়ত্ৰী বৰা (২৫), চৰাইদেউৰ প্ৰজ্ঞা দিহিঙীয়া (২৯), গোলাঘাটৰ মৃগাংক বৰা (২৬) আৰু গোলাঘাটৰ নম্ৰতা বৰা (২৫)। উল্লেখ্য যে গোলাঘাটৰ কমাৰগাঁৱৰ যুৱ অধিবক্তা নম্ৰতা বৰা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কনিষ্ঠ অধিবক্তা। ৩ জুনৰ নিশা ১.৪০ বজাত গুৱাহাটীৰ ৰুক্মিণীগাঁৱৰ নেহা এপাৰ্টমেণ্টৰ পৰা নম্ৰতা ওলাই গৈছিল। নম্ৰতাৰ সৈতে নিশা মঙলদৈৰ গায়ত্ৰী বৰা, সোণাৰিৰ প্ৰজ্ঞা বৰা, গোলাঘাটৰ মৃগাংক বৰা আৰু গুৱাহাটীৰ আনায়াতুল ৰাদুদ আৰু গাড়ীচালক এজন আছিল। ৪ জুনৰ পুৱা অসমৰ সীমান্তৱৰ্তী মেঘালয়ৰ ৰিভ'ই জিলাৰ চাংবাংলাত ভয়ংকৰ দুৰ্ঘটনাত পতিত হয়। ট্ৰাকত খুন্দিয়ায় নম্ৰতা থকা হুণ্ডাইখনে। বাহনখনৰ পিছৰ আসনত বহি আছিল নম্ৰতা। নম্ৰতাই মূৰ, বুকুত আঘাত পোৱাৰ লগতে শৰীৰৰ বিভিন্ন ঠাইৰ পৰা ৰক্তক্ষৰণ হোৱাত ততাতৈয়াকৈ নংপুলৈ নিছিল যদিও ডাক্তৰে মৃত ঘোষণা কৰে। সন্দেহ কৰা মতে, নম্ৰতা আৰু বন্ধুসকলে শ্বিলঙত ঘূৰি উভতি অহাৰ পথত এই দুৰ্ঘটনা সংঘটিত হয়। ইতিমধ্যে পৰিয়ালে নংপো চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ অন্তত নম্ৰতাৰ মৃতদেহ চমজি লৈছে। এলএলবি উত্তীৰ্ণ নম্ৰতা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা। দুই বান্ধৱীৰ সৈতে ৰুক্মিণীগাঁৱৰ নেহা এপাৰ্টমেণ্টত ভাড়াত আছিল। নম্ৰতাৰ মৃত্যুক সহজভাৱে লব পৰা নাই পৰিয়ালৰ লোকে। মেঘালয়লৈ যোৱাৰ সময়ত নম্ৰতাৰ সৈতে আছিল ৩ জন যুৱক আৰু ২ গৰাকী যুৱতী। যদি দুৰ্ঘটনাই আছিল তেন্তে নম্ৰতাৰ সৈতে যোৱা সতীৰ্থকেইজন পলাইছিল কিয়? তাক লৈ উত্থাপন হৈছে হাজাৰ প্ৰশ্ন।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীৰ কামাখ্যা পথত ভূমিস্খলন

মন্দিৰৰ মূল প্ৰৱেশদ্বাৰৰ সমীপৰ এটা অংশ। যাৰ বাবে লাখ লাখ ভক্তৰ সমাগম ঘটিবলগীয়া আগন্তুক অম্বুবাচী মেলাৰ সময়ত নিৰাপত্তা জনিত উদ্বেগৰ সৃষ্টি হৈছে। বৃহস্পতিবাৰে পাহাৰৰ ঢালত নিৰ্মিত বৃহৎ ৰিটেইনিং ৱাল ভাঙি এখন বাহনৰ ওপৰত বাগৰি পৰাত বিস্তৰ ক্ষতিসাধন হয় বাহনখনৰ। দেৱাল ভাঙি পৰাৰ সমান্তৰালকৈ কেইবাডালো গছো উভালি পৰাত ভূমিস্খলনে ভয়াৱহ ৰূপ লয়। এই ঘটনাৰ পিছতে আৰক্ষীকে ধৰি স্থানীয় কৰ্তৃপক্ষই ক্ষিপ্ৰতাৰে ঘটনাস্থলীত উপস্থিত হৈ অঞ্চলটো ঘেৰাও কৰে। অৱশ্যে সৌভাগ্যক্ৰমে এই ভূমিস্খলনত হতাহত হোৱা নাই কোনো লোক। উল্লেখ্য যে অহা ২২ জুনৰ পৰা কামাখ্যা ধামত আৰম্ভ হ'ব অম্বুবাচী মেলা। দেশ-বিদেশৰ লাখ লাখ ভক্তৰ সমাগম ঘটিবলগীয়া অম্বুবাচী মেলাক লৈ ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে প্ৰশাসন আৰু মন্দিৰ পৰিচালনা সমিতিয়ে। এনে সময়তে সংঘটিত হোৱা এই ভূমিস্খলনৰ ঘটনাই ভক্তৰ নিৰাপত্তাক লৈ নতুন উদ্বেগ সৃষ্টি কৰিছে। প্ৰণিধানযোগ্য যে শেহতীয়াকৈ হৈ থকা অতিপাত বৰষুণৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ বিভিন্ন স্থানত পাহাৰ খহি সংঘটিত হৈছে ভূমিস্খলনৰ ঘটনা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংগালুৰুত্ব পদপিষ্ট ঘটনা! আৰচিবিৰ

বাংগালুৰুত অনুষ্ঠিত ৰয়েল চেলেঞ্জাৰছ বাংগালুৰুৰ বিজয় উদযাপনত ১১ জনকৈ লোকৰ মৃত্যুক লৈ ৰুজু কৰা হ'ল গোচৰ। ৰয়েল চেলেঞ্জাৰছ বাংগালুৰু (আৰচিবি) আৰু কৰ্ণাটক ষ্টেট ক্ৰিকেট এছ'চিয়েচনৰ বিৰুদ্ধে পোনপটীয়া অভিযোগ উত্থাপন হৈছে। কৰ্ণাটক চৰকাৰে আদালতত জনোৱা মতে, ঘটনাৰ তদন্ত চি আই ডিৰ হাতত অৰ্পণ কৰা হৈছে। একে সময়তে বিশেষ তদন্তকাৰী দলো গঠন কৰা হৈছে। সূত্ৰ অনুসৰি বুধবাৰে বিয়লি ৩:১৪ বজাত আৰচিবিৰ ছ'চিয়েল মিডিয়া পেজত প্ৰকাশিত এটা পোষ্ট এই ঘটনাৰ ট্ৰিগাৰ হিচাপে তদন্তকাৰীয়ে তদন্ত চলাই আছে। ইতিমধ্যে কৰ্ণাটক চৰকাৰে দণ্ডাধীশ পৰ্য্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে, যিটো কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্দাৰমাইয়াই বুধবাৰে কয় যে ১৫ দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগিব। এই ঘটনাত বৃহস্পতিবাৰে কৰ্ণাটক উচ্চ ন্যায়ালয়ে স্বতঃপ্ৰণোদিত গোচৰ ৰুজু কৰে। এই গোচৰৰ শুনানি গ্ৰহণ কৰে ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ ভি কামেশ্বৰ ৰাও আৰু ন্যায়াধীশ চি এম যোশীৰ সংমণ্ডল বিচাৰপীঠে। এই ঘটনাত বাংগালুৰুৰ কাবন পাৰ্ক থানাৰ আৰক্ষীয়ে নিজাববীয়া গোচৰ ৰুজু কৰিছে। ডিচিপি চেণ্ট্ৰেলে কয় যে এই গোচৰত আৰচিবি আৰু কেএছচিএকে ধৰি একাধিক সংগঠনৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈছে। তেওঁলোকৰ বিৰুদ্ধে অপৰাধমূলক গাফিলতিৰ অভিযোগ উত্থাপন হৈছে। এই গোচৰটো ভাৰতীয় দণ্ডবিধিৰ একাধিক ধাৰাত ৰুজু কৰা হৈছে। উল্লেখ্য যে ১৭ বছৰ দীঘলীয়া অপেক্ষাৰ অন্তত অনুৰাগীসকলে আগ্ৰহেৰে অপেক্ষা কৰি থকা আই পি এলৰ ট্ৰফী লাভ কৰে আৰ চি বিয়ে। মঙলবাৰে আই পি এলত জয়লাভ কৰাৰ পিছত বুধবাৰে কৰ্ণাটক চৰকাৰে বিজয় উদযাপনৰ ব্যৱস্থা কৰে। তাতেই বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হয় আৰু চিন্নাস্বামী ষ্টেডিয়ামৰ বাহিৰত হুলস্থুলীয়া পৰিৱেশত ১১জন লোকৰ মৃত্যু হয়। আহত হৈছে ৪০ জনতকৈ অধিক লোক। মৃত লোকসকলৰ বয়স ১৩ ৰ পৰা ৩৩ বছৰৰ ভিতৰত। কৰ্ণাটক চৰকাৰে মৃতকৰ পৰিয়ালক ১০ লাখ টকাকৈ ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰিছে। বুধবাৰে বিয়লি প্ৰায় ৩.১৪ বজাত ছ'চিয়েল মিডিয়াত আৰচিবিয়ে এটা পোষ্ট কৰে। সন্ধিয়া ৫ বজাৰ পৰা বিজয় শোভাযাত্ৰা আৰম্ভ হ'ব আৰু তাৰ পিছত চিন্নাস্বামী ষ্টেডিয়ামত বিজয় উদযাপন কৰা হ'ব বুলি কোৱা হৈছিল। অনুষ্ঠানৰ বাবে বিনামুলীয়া 'পাছ'ৰ ব্যৱস্থাও কৰা হৈছিল, আৰু লিংকটো আৰচিবিৰ পোষ্টতে দিয়া হৈছিল। অভিযোগ উত্থাপন হৈছে যে কৰ্ণাটক আৰক্ষীয়ে বুধবাৰৰ পৰিৱৰ্তে দেওবাৰে বিজয় শোভাযাত্ৰা আয়োজন কৰিবলৈ কৈছিল যদিও আৰ চি বিয়ে সেই নিৰ্দেশ পালন নকৰিলে। অভিযোগ অনুসৰি চিন্নাস্বামীৰ বাহিৰত তেওঁলোকৰ পোষ্টৰ পিছত ভিৰ বাঢ়িবলৈ আৰম্ভ কৰে। এই পোষ্টটো কিয় দিয়া হ'ল, আৰক্ষীৰ সতৰ্কবাণী পৰিহাৰ কৰিও কিয় এইদৰে কাৰ্যসূচী ঘোষণা কৰা হ'ল, এই প্ৰশ্নটো এতিয়া তীব্ৰভাৱে উত্থাপন হৈছে। তদন্তকাৰীয়ে এই বিষয়সমূহৰ তদন্ত কৰি আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কণ্ঠশিল্পী বুদ্ধেশ্বৰ মৰাণৰ দেহাৱসান

সাধক, গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, বিশিষ্ট সমাজকৰ্মী তথা তিনিচুকীয়া জিলাৰ নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ অন্তৰ্গত চুবুৰি-কৰ্দৈগুৰি গাঁও নিবাসী বুদ্ধেশ্বৰ মৰাণ (৪৯) ৰ আজি নিচেই পুৱা ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিংস্থিত এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তেওঁ বহুদিনৰ পৰা দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈও নিয়া হৈছিল যদিও চিকিৎসাত বিশেষ সুফল পোৱা নগ'ল। আজিৰ পৰা কিছুদিনৰ আগত তেওঁৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত পৰিয়ালৰ লোকে ৰূপাই চাইদিঙস্থিত ডাঃ ডি চি বৰা নাৰ্ছিং হোমত ভৰ্তি কৰে। নিয়তিৰ ওচৰত হাৰ মানি অৱশেষত মৰাণ জনগোষ্ঠীৰ সাংস্কৃতিক জগতখনলৈ বিশেষ অৱদান আগবঢ়াই যোৱা বিশিষ্ট সাংস্কৃতিক কৰ্মী বুদ্ধেশ্বৰ মৰাণে আজি শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুৰ খবৰ সামাজিক মাধ্যমত বিয়পি পৰাৰ লগে লগে সহস্ৰাধিক গুণমুগ্ধই মৰমৰ শিল্পীগৰাকীক শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ কৰ্দৈগুৰিস্থিত বাসগৃহত গৈ উপস্থিত হয়। সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰ ,অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, মৰাণ মহিলা পৰিষদ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ লগতে সংগঠনকেইটাৰ আঞ্চলিক সমিতি, কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘ, অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া আৰু অঞ্চলটোৰ বহু বিশিষ্ট লোকে বুদ্ধেশ্বৰ মৰাণৰ নশ্বৰ দেহত অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে প্ৰয়াত বুদ্ধেশ্বৰ মৰাণ মৰাণ সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ প্ৰাক্তন উপ-সভাপতি আৰু মৰাণ বিহু দলৰ এগৰাকী নিয়মীয়া প্ৰশিক্ষক আছিল। তেওঁ মৰাণসকলৰ পৰম্পৰাগতভাৱে চলি অহা বিহুনাম, লোকগীত আদি সংগ্ৰহ কৰি লুপ্তপ্ৰায় সুৰ-শৈলী আদি উদ্ধাৰ কৰি বহুলভাৱে প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ উদ্যোগ লৈছিল। তেওঁৰ উদ্যোগ আৰু প্ৰচেষ্টাতেই নৱৈ দশকৰ শেষৰফালে উজনি ভাতি, লিহিৰি, চিলমিল টোপনি আদিৰ দৰে জনপ্ৰিয় শ্ৰব্য কেছেটে ৰাইজৰ বাবে আগবঢ়াই দিছিল আৰু ইয়াৰ জনপ্ৰিয়তাই আজিও সাংস্কৃতিকপ্ৰেমী ৰাইজক ৰোমাঞ্চিত কৰি তোলে। স্মৰ্তব্য যে তেওঁ ৰুগীয়া দেহাৰেও গীত ৰচনা, সুৰ সৃষ্টি কৰা আৰু সংগৃহীত পুৰণি গীত-মাতৰ সাধনাত ব্ৰতী হৈ আহিছিল আৰু বহু উদীয়মানক শিল্পীৰ শাৰীলৈ উন্নীত কৰিছিল। শেহতীয়াকৈ মৰাণ জনজাতিৰ বীৰ পুৰুষ ৰাঘৱ মৰাণ দিৱসৰ শীৰ্ষক গীত "আজি ইতিহাস প্ৰসিদ্ধ বীৰ পুৰুষ ৰাঘৱ মৰাণক প্ৰণিপাত" শীৰ্ষক গীতটো তেওঁ নিজে ৰচনা কৰি, সুৰ দিছিল। বুদ্ধেশ্বৰ মৰাণে অসমৰ বিশিষ্ট শিল্পী খগেন মহন্ত, অৰ্চনা মহন্তৰ দৰে শিল্পীৰ সৈতে "উজনি ভাতি" ৰ দৰে জনপ্ৰিয় শ্ৰব্য কেছেটত কণ্ঠদান কৰিছিল। সাংস্কৃতিক সাধক হিমত দুৱৰাৰ পৰিচালনাৰে তথা বৰ্তমানৰ শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলীন চেতিয়াৰ প্ৰযোজনাত মুক্তি লাভ কৰা উজনি ভাতি শ্ৰব্য কেছেটৰ গীতসমূহে সমগ্ৰ অসমতে জনপ্ৰিয় হোৱাৰ লগতে অসমৰ সাংস্কৃতিক ভঁৰাললৈ বহু অৰিহণা আগবঢ়াই গৈছে। শেহতীয়াকৈ অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা মৰাণৰ লিহিৰিৰ কথা আৰু সুৰৰ প্ৰাচুৰ্যই বুদ্ধেশ্বৰ মৰাণৰ সৃষ্টি তথা সৃজনীশীলতাৰ পৰিচায়ক। বুদ্ধেশ্বৰ মৰাণ কেৱল এগৰাকী সাংস্কৃতিক কৰ্মীয়েই নাছিল, তেওঁ অঞ্চলটোৰ বহু স্বেচ্ছাসেৱী সংগঠনৰ সৈতেও জড়িত আছিল। বৃহত্তৰ সমাজখনৰ বাবে তেওঁ ইমান কম বয়সতে বহু অৱদান আগবঢ়াই গৈছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এগৰাকী কন্যা, এজন পুত্ৰ, তিনি ভাতৃ, আঠগৰাকী বাই-ভনীৰ লগতে অনেক আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লোকপিয়লৰ পিছতে জাতিৰ স্বীকৃতি পাব

ডঃ হিমন্ত বিশ্ব শৰ্মাই ২০০০ ৰো অধিক খেলুৱৈৰ বাবে আৱাসিক হোষ্টেল নিৰ্মাণকে ধৰি ক্ৰীড়া আন্তঃগাঁথনিৰ ব্যাপক সম্প্ৰসাৰণৰ কথা ঘোষণা কৰে। একে সময়তে বিশ্ব পৰিবেশ দিৱস উদযাপনৰ সময়ত তেওঁ ৰাজ্যখনৰ পৰিৱেশ সুৰক্ষা আৰু সামাজিক পৰিচয়ৰ বিষয়সমূহৰ ওপৰতো বক্তব্য আগবঢ়ায়। উত্তৰ গুৱাহাটীত অলিম্পিক পদকজয়ী লাভলীনা বৰগোঁহাইৰ বক্সিং একাডেমী উদ্বোধন কৰাৰ সময়ত মুখ্যমন্ত্ৰী শৰ্মাই উদীয়মান খেলুৱৈসকলৰ বাবে আৱাসিক সুবিধাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে এজন খেলুৱৈয়ে প্ৰতিদিনে ৫০ কিলোমিটাৰ অতিক্ৰম কৰি অনুশীলন কৰাটো সম্ভৱ নহয়। গতিকে আগন্তুক পাঁচ বছৰত কমেও ২০০০ খেলুৱৈৰ বাবে হোষ্টেলৰ সুবিধা নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে। তেওঁ উল্লেখ কৰে যে চৰকাৰে প্ৰতিভা আহৰণ আৰু আন্তঃগাঁথনি উন্নয়ন দুয়োটাকে অগ্ৰাধিকাৰ দিছে। সম্প্ৰতি আমিনগাঁৱত ২০০ খন বিছনাযুক্ত হোষ্টেল নিৰ্মাণৰ কাম চলি আছে, আৰু সৰুসজাইত ৫০০ জনৰ বাবে বৃহত্তৰ কেন্দ্ৰ এটাৰ পৰিকল্পনা কৰা হৈছে। ডিব্ৰুগড় আৰু চন্দ্ৰপুৰৰ বাবেও অতিৰিক্ত হোষ্টেলৰ প্ৰস্তাৱ দিয়া হৈছে। শৰ্মাই কয় যে এই হোষ্টেলসমূহে খাদ্যৰ পৰা আৰম্ভ কৰি থকাৰ ব্যৱস্থালৈকে সৰ্বাংগীণ সহায় আগবঢ়াব, যাতে খেলুৱৈসকলে নিজৰ প্ৰশিক্ষণত সম্পূৰ্ণৰূপে মনোনিৱেশ কৰিব পাৰে। তেওঁ আৰু কয় যে ৰাষ্ট্ৰীয় পৰ্যায়ত ক্ৰীড়াক অসমৰ 'ছফট পাৱাৰ' হিচাপে গঢ় দিয়াটোৱেই চৰকাৰৰ লক্ষ্য। ২০২৭ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজনৰ বাবে অসমত প্ৰস্তুতি চলোৱাৰ সময়তে এই ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ ক্ৰমবৰ্ধমান অভিজ্ঞতা আৰু বৰ্তমানৰ আন্তঃগাঁথনিৰ উদ্ধৃতি দি বৃহৎ ক্ৰীড়া অনুষ্ঠান আয়োজন কৰিবলৈ ৰাজ্যখনৰ প্ৰস্তুতিৰ বিষয়ে অৱগত কৰিছিল। ২০২৭ চনৰ এই প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ আঠখন ৰাজ্যই যৌথভাৱে আয়োজন কৰিব, প্ৰতিখন ৰাজ্যই কমেও এখন খেল আয়োজন কৰিব। ইয়াৰ পূৰ্বে উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই যৌথ পদক্ষেপক অঞ্চলটোৰ বাবে 'সংযুক্ত পদক্ষেপ' বুলি প্ৰশংসা কৰিছিল। অভিভাৱকসকলক নিজৰ সন্তানৰ ক্ৰীড়া সপোনক সমৰ্থন কৰিবলৈ আহ্বান জনাই শৰ্মাই কয় যে যদি আমি ক্ৰীড়াক পেছা হিচাপে গুৰুত্বসহকাৰে লওঁ তেন্তে অসমত মণিপুৰতকৈ উন্নত খেলুৱৈ উৎপাদন কৰাৰ সম্ভাৱনা আছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে লাভলীনা বক্সিং একাডেমীৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়ায়। তেওঁ ২ কোটি টকা আবণ্টন ঘোষণা কৰাৰ লগতে কেন্দ্ৰটোক বিশ্বমানৰ প্ৰশিক্ষণ কেন্দ্ৰলৈ উন্নীত কৰিবলৈ হোষ্টেলৰ সুবিধাকে ধৰি অতিৰিক্ত আৰ্থিক আৰু আন্তঃগাঁথনিগত সহায়ৰ আশ্বাস দিয়ে। ইফালে, আজি বিশ্ব পৰিবেশ দিৱস উপলক্ষে বন বিভাগৰ উদ্যোগত গুৱাহাটীত কেন্দ্ৰীয় উদযাপনৰ লগতে বিভিন্ন অঞ্চলত উদযাপন কৰা হয় অনুৰূপ অনুষ্ঠান। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু বনমন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী উপস্থিত থাকে। এইবাৰৰ বিশ্ব পৰিৱেশ দিৱস 'প্লাষ্টিকক পৰাস্ত কৰক, বিশ্ব ৰক্ষা কৰক' শীৰ্ষক বিশ্বব্যাপী বিষয়বস্তুৰে উদযাপন কৰা হৈছে। উদযাপনৰ অংশ হিচাপে ১২৯খন বাহনৰ কনভয়ক ফ্লেগ অফ কৰা হয়। বন্যপ্ৰাণী সুৰক্ষা শক্তিশালী কৰাৰ লক্ষ্যৰে অসম বন সুৰক্ষা বাহিনীৰ তিনিটা বেটেলিয়নক আনুষ্ঠানিকভাৱে অস্ত্ৰ-শস্ত্ৰ আৰু সামগ্ৰী প্ৰদান কৰা হয়। তদুপৰি বিভাগটোৰ প্ৰযুক্তি-চালিত পৰিৱেশৰ পদক্ষেপত নতুন ডিজিটেল পৰ্টেল মুকলি কৰা হৈছে। এই অনুষ্ঠানত বিভিন্ন প্ৰজাতিৰ উদ্ভিদৰ প্ৰদৰ্শনীৰো আয়োজন কৰা হয়, য'ত জৈৱ বৈচিত্ৰ্য আৰু বনজ সম্পদৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হয়। মুখ্যমন্ত্ৰী শৰ্মাই নতুন ডিজিটেল পৰ্টেল মুকলি কৰাৰ কথাও ঘোষণা কৰে, য'ত ব্যক্তিয়ে মাতৃৰ নামত ৰোপণ কৰা গছপুলিৰ ফটো আপলোড কৰিব পাৰিব। ব্যৱহাৰকাৰীয়ে সময়ৰ লগে লগে প'ৰ্টেলত পুলিৰ বৃদ্ধিৰ অগ্ৰগতি আপডেট কৰিব পাৰে। তেওঁ আৰু উল্লেখ কৰে যে কেন্দ্ৰীয় চৰকাৰে যোৱা বছৰ ৭০ লাখ পুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল যদিও অসমে ৯০ লাখৰো অধিক পুলি ৰোপণ কৰি সেই লক্ষ্য অতিক্ৰম কৰিছে। বনাঞ্চলৰ অৱক্ষয় আৰু অবৈধ কাৰ্যকলাপ নিৰীক্ষণৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা চালিত আন এটা পৰ্টেল মুকলি কৰা হৈছে। এই ব্যৱস্থাই বন বিভাগক বনাঞ্চল ধ্বংস আৰু অবৈধ বেদখলৰ বিষয়ে বাস্তৱ সময়ৰ আপডেট লাভ কৰাত সহায় কৰিব। একক ব্যৱহাৰৰ প্লাষ্টিকৰ সমস্যা সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে কয় যে ৫০০ মিলিলিটাৰৰ প্লাষ্টিকৰ বটল এতিয়া বজাৰত খুব কমেইহে দেখা যায়। তেওঁ কয় যে আৱৰ্জনাক জৈৱ ইন্ধনলৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টা চলি আছে যদিও এতিয়াও এক লিটাৰ জৈৱ ইন্ধন উৎপাদনৰ ক্ষেত্ৰত প্ৰত্যাহ্বান আছে। অসমৰ বহু যুৱ উদ্যমী এই খণ্ডৰ লগত জড়িত হৈ আছে, আৰু এই পদক্ষেপসমূহক সহায় কৰিবলৈ অইল ইণ্ডিয়াৰ সৈতে আলোচনা চলি আছে। বহনক্ষম আৱৰ্জনা-শক্তি প্ৰকল্পৰ অংশ হিচাপে তিনিচুকীয়া, গুৱাহাটী, ডিব্ৰুগড়কে ধৰি পাঁচটা স্থানত জৈৱ ইন্ধন উদ্যোগ স্থাপনৰ পৰিকল্পনা চলি আছে। ইফালে এই অনুষ্ঠানৰ সময়তে সংবাদ মাধ্যমক সম্বোধন কৰি আগন্তুক ২০২৭ চনৰ জাতিগত লোকপিয়লৰ সন্দৰ্ভত মন্তব্য কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয় যে জাতিগত পৰিচয়ৰ স্বীকৃতি ৰাজ্যখনৰ বাবে এক ইতিবাচক আৰু সৰ্বাংগীন পদক্ষেপ হ'ব। তেওঁ উল্লেখ কৰে যে এনে স্বীকৃতি বৰাক উপত্যকাৰ অসমীয়া মুছলমান আৰু সম্প্ৰদায়ৰ বাবে বিশেষভাৱে উপকাৰী হ'ব। তেওঁ লগতে কয় যে মুছলমান সম্প্ৰদায়ে দীৰ্ঘদিন ধৰি নিজৰ সুকীয়া জাতিগত পৰিচয় আনুষ্ঠানিকভাৱে নথিভুক্ত কৰাৰ সুযোগ বিচাৰিছিল। নতুন বিধানৰ জৰিয়তে মুছলমানসকলে নিজৰ জাতিগত পৰিচয় পঞ্জীয়ন কৰিব পাৰিব, আৰু একেদৰে বৰাক উপত্যকাৰ লোকসকলেও নিজৰ নিৰ্দিষ্ট জাতিগত পৰিচয় পঞ্জীয়ন কৰাৰ অধিকাৰ লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কয়, "অসমীয়া মুছলমান মানুহখিনিয়ে যিটো তেওঁলোকে ইমানদিনে আশা কৰি আছিলে, দেশী, জলহা, চৈয়দ তেওঁলোকে নিজৰ নিজৰ জাতি লিখিব পাৰিব। অসমীয়া মুছলমানখিনি আৰু বৰাকৰ খিলঞ্জীয়া মুছলমানখিনিয়ে নিজৰ জাতিটো লিখিব পাৰিব।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বনৰীয়া পক্ষী নিধন কৰি গ্ৰেপ্তাৰ

থিতাপি লৈ থাকিব নোৱৰা হৈছে বনৰ পক্ষীকেইটায়ো। আজি বিশ্ব পৰিৱেশ দিৱসৰ দিনটোত অহা মানুহৰ ভয়ংকৰ কাণ্ডই লজ্জানত কৰিছে মানৱ সমাজক। বিশ্ব পৰিৱেশ দিৱসৰ দিনটোত উজনি অসমৰ পৰা পোহৰলৈ অহা এক নিন্দনীয় কাৰ্যই ৰাজ্যবাসীৰ অন্তৰত আঘাত দিছে। তিনি যুৱকে বনৰীয়া পক্ষী নিধন আৰু পক্ষীৰ কণী নষ্ট কৰাৰ ভিডিঅ' পোহৰলৈ আহিছে। এই ঘটনা সংঘটিত হৈছে ধেমাজি জিলাত। ধেমাজিৰ চিমেন চাপৰিৰ তিনি যুৱকে চিকাৰলৈ গৈ প্ৰস্তুত কৰিছিল ভিডিঅ'। বনৰীয়া পক্ষী নিধন কৰাৰ লগতে বনৰীয়া পক্ষীৰ কণী ধ্বংস কৰাৰ সেই দৃশ্য মোবাইল ফোনত ৰেকৰ্ড কৰি ইউটিউব চেনেলত আপলোড কৰে। ইউটিউবত আপলোড কৰাৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইতিমধ্যে ধেমাজি আৰক্ষীয়ে ঘটনাক গুৰুত্বসহকাৰে লৈ তদন্ত আৰম্ভ কৰি তিনি যুৱকক গ্ৰেপ্তাৰ কৰিছে। হস্তিনাপুৰৰ মুনীন্দ্ৰ মুছাহাৰী, লাংকা গাঁৱৰ মহেশ্বৰ স্বৰ্গীয়াৰী আৰু শিৱৰাম স্বৰ্গীয়াৰী গ্ৰেপ্তাৰ হৈছে। জানিব পৰা মতে, পৰিভ্ৰমী পক্ষীৰ বিচৰণস্থলী চিমেন চাপৰিৰ হস্তিনাপুৰ আৰু কৰ্দৈগুৰিৰ পিতনি অঞ্চলত মুনীন্দ্ৰ, মহেশ্বৰ আৰু শিৱৰামে গুল্টি লৈ প্ৰায়ে চিকাৰ কৰিছিল। নিৰ্মম অত্যাচাৰ কৰি পক্ষী নিধন কৰে। শৰালি হাঁহ, পানী কাউৰী, কনামুচৰি আদি নিধন কৰাই নহয় বাঁহৰ পৰা কণী আনি খায়। প্ৰায়ে এনে কাণ্ড সংঘটিত কৰিছিল যদিও দুদিন পূৰ্বে সকলো তথ্য পোহৰলৈ আহে। যেতিয়া চিকাৰৰ ভিডিঅ' ইউটিউবত আপলোড কৰে। তিনি যুৱকে বনৰ পক্ষী নিধন কৰি উন্মাদ হৈ পৰা দেখা যায়। ভিডিঅ'সমূহ দেখি প্ৰকৃতিপ্ৰেমীয়ে ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰি তিনি যুৱকক গ্ৰেপ্তাৰ ইউটিবৰ পৰা ভিডিঅ' ডিলিট কৰে। জানিব পৰা মতে, তেওঁলোকৰ চেনেলত ৩০ টা ভিডিঅ' আছিল। ধেমাজি জিলা বন বিষয়া কৃষ্ণকান্ত দেউৰীয়ে কয় যে বিষয়টোক আমি গুৰুত্বসহকাৰে লৈছো। আৰক্ষীৰ সহায়ত ইতিমধ্যে তিনিজনক গ্ৰেপ্তাৰ কৰা হৈছে। বন্যপ্ৰাণী সুৰক্ষা আইনৰ ধাৰাত পদক্ষেপ গ্ৰহণ কৰিম।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰাকৰ চৌদিশে বানৰ জটিল পৰিস্থিতি

অধিক লোকে ঘৰ এৰিবলৈ বাধ্য হৈছে। পাথাৰকান্দি বিধানসভাত ৮৫,০০০তকৈ বেছি লোক বানত প্ৰভাৱিত হৈছে। বহু লোকক ৩০টাকৈ আশ্ৰয় শিবিৰলৈ স্থানান্তৰ কৰা হৈছে। মুখ্যমন্ত্ৰীজনে কালীনগৰ আৰু পাঞ্চগ্ৰামৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰিব। পাথাৰকান্দিত থকা এটি ক্ষতিগ্ৰস্ত বান্ধ চাব। য'ত এটা স্লুইচ গেটো ক্ষতিগ্ৰস্ত হৈছে। তদুপৰি শ্ৰীভূমিত থকা অধিক আশ্ৰয় শিবিৰলৈ যাব। মুখ্যমন্ত্ৰীয়ে শ্ৰীভূমিৰ উপায়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশ ল'ব। কিছুমান অঞ্চলত বান পৰিস্থিতি ইমানেই ভয়ংকৰ যে মুখ্যমন্ত্ৰীয়ে নাও লৈ যাব লগা হ'ব পাৰে বুলিও স্থানীয় ৰাইজে কয়। কাছাৰ জিলাৰ পৰিৱেশ ক্ৰমে বেয়াৰ ফাল ঢাল খাইছে। জিলাখনৰ সৰহসংখ্যক বিদ্যালয়ত বানাক্ৰান্তই আশ্ৰয় লৈ আছে। বৰাক উপত্যকাৰ কাছাৰ জিলা আৰু শ্ৰীভূমি জিলাৰ বহু এলেকাত জনজীৱন স্তব্ধ হৈ পৰিছে। কান্দিগ্ৰাম অঞ্চলত মথাউৰি ছিঙি যোৱাৰ ফলত বৰাক নৈৰ বাঢ়নী পানীয়ে ৩০ খনতকৈ অধিক গাঁও ডুবাই পেলাইছে। কেইবা হাজাৰ লোকৰ ঘৰ পানীৰ তলত। তিনি জিলাত মথাউৰি ছিঙি পানীৰ স্তৰ ঊৰ্ধ্বমুখী হোৱাত হাজাৰ হাজাৰ লোক সংকটত পৰিছে। প্ৰশাসনে পৰ্যাপ্ত সাহায্য আৰু উদ্ধাৰ অভিযান চলাবলৈ সক্ষম হোৱা নাই বুলি ৰাইজে অভিযোগ আনিছে। উত্তৰ কৰিমগঞ্জৰ বহুকেইখন গাঁও বানত কৰকবকাই আছে। তীব্ৰ সংকটত বানপীড়িতই সময় পাৰ কৰিছে। নাই উদ্ধাৰ অভিযান, নাই খাদ্য-সামগ্ৰী, নাই খোৱাপানী। কোনো এজন জনপ্ৰতিনিধিয়ে এই পৰ্যড় বানপীড়িত এলেকা ভ্ৰমণ কৰা নাই। বানপীড়িতই অসন্তোষ আৰু হতাশা প্ৰকাশ কৰিছে। চৰকাৰৰ পৰা সহায় বিচাৰিছে। হাইলাকান্দি জিলাত বহু শ লোকৰ ঘৰ-ৰাস্তা, আনকি আৰক্ষী চকীও পানীৰ তলত। কাটাখাল নৈৰ বাঢ়নী পানীয়ে হাইলাকান্দি জিলাৰ আলগাপুৰ আৰক্ষী চকী ডুবাই পেলাইছে। আৰক্ষীয়ে ওচৰৰ ৰেষ্ট হাউছত অস্থায়ী চকী স্থাপন কৰিছে। হাইলাকান্দিৰ কালীনগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ জলমগ্ন গৈছে। ফলত, স্বাস্থ্য সেৱা বিঘ্নিত হৈছে। স্বাস্থ্য কেন্দ্ৰটো স্থানান্তৰ কৰিব লগা হৈছে। স্থানান্তৰ কৰি জৰুৰী চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। কেন্দ্ৰখনৰ ৪ জন চিকিৎসক আৰু ৭ জন নাৰ্ছে সকলো ঔষধ আৰু চিকিৎসা সামগ্ৰী নতুন ঠাইলৈ নিছে। বানৰ মাজতো এই স্থানান্তৰিত কেন্দ্ৰৰ পৰা জৰুৰী চিকিৎসা সেৱা আগবঢ়াইছে। কাছাৰ জিলাৰ বিভিন্ন এলেকা আজিও বানৰ কবলত। ৩ জুনৰ পৰা কাছাৰ জিলাত স্কুল-কলেজ বন্ধ হৈয়ে আছে। পৰিস্থিতি ভয়াৱহ হোৱাত ৮ জুনলৈ কাছাৰ জিলাৰ লগতে শ্ৰীভূমিৰ স্কুল-কলেজ বন্ধ ঘোষণা কৰা হৈছে। ইপিনে কামপুৰত বান হ্ৰাস পাবলৈ আৰম্ভ কৰিছে যদিও ৰাইজৰ দুখ-কষ্টৰ অন্ত পৰা নাই। কপিলী নৈৰ পানীৰ স্তৰ কিছু পৰিমাণে নামি আহিছে। কিন্তু বহুতো ঘৰ এতিয়াও পানীৰ তলত। ঘৰ এৰা পৰিয়ালসমূহ এতিয়াও ৰাজপথ বিদ্যালয়ত আশ্ৰয় লৈ আছে। য'ত অব্যাহত সংকট আৰু ঘূৰি যোৱাৰ অনিশ্চয়তা। বাহাকাবাৰি, ধেমাজি গাঁও আৰু আদৰ্শ গাঁৱৰ ভয়ংকৰ পৰিস্থিতি দেখা গৈছে। চৰকাৰে বাহাকাবাৰি উচ্চতৰ মাধ্যমিক আৰু এম.পি. বিদ্যালয়ক শিবিৰ হিচাপে ৰূপান্তৰ কৰিছে। বগলাজান, বাহাকাবাৰি আৰু ওচৰৰ বানপীড়িত গাঁওসমূহৰ ৰাইজ ইতিমধ্যে ছয় দিন ধৰি এই শিবিৰত বাস কৰি আছে। কপিলী জলবিদ্যুৎ প্ৰকল্পৰ ওচৰত বাঁধ ভাঙি যোৱাৰ ফলত ৯৫ খন গাঁও প্লাৱিত হয়। যাৰ ফলত প্ৰায় ২১,০০০ লোক প্ৰভাৱিত হৈছে। শিবিৰত থকা বহু লোকৰ মতে, তেওঁলোকৰ ঘৰ এতিয়াও পানীৰ তলত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেলতলা বজাৰত জানজাতীয় মহিলাক

কৰিছে গুৱাহাটী পৌৰ নিগমে। এই সিদ্ধান্ত অনুসৰি জিএমচিৰ অধীনত চলি থকা সকলো টোল বা লিজ বজাৰৰ ২৫ শতাংশ স্থান এই মহিলাসকলৰ বাবে বিনামূলীয়া ব্যৱসায়িক সুযোগ হিচাপে সংৰক্ষিত কৰা হৈছে। যাৰ ফলত বজাৰত সামগ্ৰী বিক্ৰী কৰিবলৈ কোনো ধৰণৰ টোল বা ৰাজহ প্ৰদান কৰিবলগীয়া নহ'ব জনজাতীয় মহিলাসকলে। এই নিয়ম ১ জুন, ২০২৫ ৰ পৰা কাৰ্যকৰী হোৱা আৰু পৰৱৰ্তী জাননী নিদিয়ালৈকে বলৱৎ থাকিব। উল্লেখ্য যে ১৭ মে'ত গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকত এই সিদ্ধান্ত লোৱা হৈছিল। জিএমচি কৰ্তৃপক্ষই এই পদক্ষেপৰ লক্ষ্য অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি জনগোষ্ঠীৰ মহিলাসকলক অৰ্থনৈতিকভাৱে সবলীকৰণ বুলি জানিবলৈ দিয়ে। এই সিদ্ধান্তৰ অংশ হিচাপে এই মহিলাসকলৰ বাবে বেলতলা বজাৰত বিশেষ স্থান সংৰক্ষিত কৰা হৈছে, য'ত তেওঁলোকে বিনামূলীয়াকৈ ব্যৱসায় কৰিব পাৰিব। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই এই বিশেষ স্থান উদ্বোধন কৰে। তেওঁ কয় যে এই পদক্ষেপৰ জৰিয়তে মহিলাসকল উৎসাহিত হ'ব আৰু ব্যৱসায়িক কাম-কাজত সকাহ পাব। মেয়ৰ শৰণীয়াই আৰু কয়, "আমাৰ লক্ষ্য আছিল এই মহিলাসকলৰ বাবে কিবা এটা কৰা। বহু সময়ত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ মহিলাসকলে বজাৰত বহিবলৈ ঠাই নাপায়। কচু, ঢেঁকীয়া আদি বিক্ৰী কৰিবলৈ বজাৰলৈ আহিলেও তেওঁলোকে বিক্ৰী নকৰিলে টোল দিয়াৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়। সেয়েহে তেওঁলোকৰ কথা ভাবি আমি তেওঁলোকৰ বাবে ঠাই সংৰক্ষণ কৰি টোল ফ্ৰী কৰাৰ সিদ্ধান্ত লৈছো।" তেওঁ কয় যে এই সুবিধা প্ৰথমে জিএমচিৰ অধীনত তিনিখন লিজ মাৰ্কেটত প্ৰৱৰ্তন কৰা হৈছে। এই বজাৰসমূহৰ ২৫ শতাংশ স্থান এই মহিলাসকলৰ বিনামূলীয়া ব্যৱহাৰৰ বাবে নিৰ্ধাৰণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে মহিলাসকলে কোনো ধৰণৰ আৰ্থিক বোজা নোহোৱাকৈ ব্যৱসায় চলাব পাৰিব। ইতিমধ্যে বেলতলা বজাৰত অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ৯০ গৰাকী মহিলাক চিনাক্ত কৰা হৈছে, যিসকলে এই সুবিধা লাভ কৰিব বুলি মেয়ৰে জানিবলৈ দিয়ে। এই মহিলাসকলক আইডি কাৰ্ড প্ৰদানৰো ব্যৱস্থা কৰা হ'ব। এই আইডি কাৰ্ড থকা মহিলাসকলে কেৱল সংৰক্ষিত অঞ্চলতে নহয়, পূৰ্বৰ ব্যৱসায়িক স্থানতো বিনামূলীয়াকৈ ব্যৱসায় কৰিব পাৰিব আৰু কোনো ধৰণৰ ৰাজহ দিব নালাগিব। মন কৰিবলগীয়া যে এই পদক্ষেপৰ পূৰ্বে এই মহিলাসকলে প্ৰতিদিনে ২০ ৰ পৰা ৫০ টকা পৰ্যন্ত ৰাজহ দিবলগীয়া হৈছিল। জিএমচিৰ এই পদক্ষেপে মহিলাসকলক তেওঁলোকৰ ব্যৱসায়িক কাম-কাজত সহায় কৰিব আৰু তেওঁলোকৰ অৰ্থনৈতিক স্বাধীনতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। মেয়ৰ শৰণীয়াই কয়, "এই পদক্ষেপ মহিলা সবলীকৰণৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। আমি বিচাৰো যে তেওঁলোকে কোনো ধৰণৰ হেঁচা নোহোৱাকৈ গুৱাহাটীত ব্যৱসায় কৰিব পাৰে আৰু আৰ্থিকভাৱে স্বাধীন হ'ব পাৰে।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম পুলিচক বাধা বংগ আৰক্ষীৰ

ৰছিদীক অসম আৰক্ষীয়ে অভিযান চলাই গ্ৰেপ্তাৰ কৰাৰ পিছতে বৃদ্ধি পাইছে দুয়োখন ৰাজ্যৰ মাজত উত্তেজনা। অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ পশ্চিমবংগত উপস্থিত হোৱা অসম আৰক্ষীৰ এটা দলক অভিযানত বাধা প্ৰদান কৰাৰ অভিযোগ উত্থাপন হৈছে পশ্চিমবংগ আৰক্ষীৰ বিৰুদ্ধে। পশ্চিমবংগ আৰক্ষীয়ে অভিযুক্তক লুকুৱাই ৰখা আৰু ন্যায়ত বাধা দিয়াৰ অভিযোগ উত্থাপন কৰিছে অসম আৰক্ষীয়ে। উল্লেখ্য যে মা কামাখ্যাক লৈ কৰা আপত্তিজনক মন্তব্যৰ পিছতে ৰাজ্যজুৰি হিন্দু সমাজত ঘটিছিল ক্ষোভৰ উদগীৰণ। ইয়াৰ পিছতে অভিযুক্ত কাদ্ৰীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ পিছতে অসম আৰক্ষীৰ এটা দল দুদিন ধৰি পশ্চিমবংগত বাহৰ পাতে যদিও বংগ আৰক্ষীৰ অসহযোগ আৰু বাধাৰ বাবে অভিযুক্তক গ্ৰেপ্তাৰ কৰাত বিফল হয়। লক্ষণীয় যে ইয়াৰ পূৰ্বে ৰাজাহাট খান কাদ্ৰী ৰছিদীয়ে নিজৰ এক্স হেণ্ডেলৰ পৰা মা কামাখ্যাক লৈ অশ্লীল আৰু অপমানজনক মন্তব্য কৰি সমগ্ৰ দেশতে বিতৰ্কৰ সৃষ্টি কৰিছিল। গুৱাহাটীত দাখিল কৰা আনুষ্ঠানিক এজাহাৰত কোৱা হৈছে যে ধৰ্মীয় আৱেগত আঘাত দিয়া আৰু সাম্প্ৰদায়িক ঘৃণা বিয়পোৱাৰ উদ্দেশ্যেৰে এই মন্তব্য কৰা হৈছে। এই পোষ্টটোৱে সমগ্ৰ দেশৰ অনুৰাগী, ধৰ্মগুৰু, ৰাজনৈতিক ব্যক্তিসকলৰ ব্যাপক নিন্দা লাভ কৰে। কাদ্ৰীৰ কঠোৰ শাস্তি আৰু গ্ৰেপ্তাৰৰ দাবী তীব্ৰতৰ হৈ পৰিছে আৰু অসম আৰক্ষীয়ে এতিয়া তেওঁৰ প্ৰত্যৰ্পণ নিশ্চিত কৰাৰ বাবে আইনী ব্যৱস্থা বিচাৰিছে। খানক গ্ৰেপ্তাৰৰ বাবে ন্যায়ালয়ৰ কাষ চাপিব পাৰে অসম আৰক্ষী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰাকক এটিএম হিচাপে ব্যৱহাৰ কৰিছে

হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে কৰা প্ৰশ্নৰ উত্তৰ দিয়া নাছিল গৌৰৱ গগৈয়ে। উত্তৰ দিব লগাৰ প্ৰয়োজনবোধ কৰা নাছিল। এটা যেন সময় ওলোটা হৈছে। এতিয়া মুখ্যমন্ত্ৰীয়ে কিবা প্ৰশ্ন কৰিলে তপৰাই উত্তৰ দিয়াই নহয় ওলোটাই ইটোৰ পিছত সিটো প্ৰশ্ন কৰে গৌৰৱ গগৈয়ে। শেহতীয়াকৈ মুখ্যমন্ত্ৰী আৰু গৌৰৱৰ বাকযুদ্ধই আকৰ্ষনীয় ৰূপ লৈছে। বৰাকত গৌৰৱ গগৈয়ে হিমন্ত বিশ্ব শৰ্মাৰ পৰা ৰাজনীতিৰ আদৰ্শ প্ৰয়োজন নাই বুলি কৈছিল। আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গৌৰৱ গগৈক উত্তৰ দি কৈছিল যে মোৰ দৰে ৰাজনীতি কৰিলেহে ২৫ বছৰ মন্ত্ৰী-বিধায়ক হৈ থাকিব পাৰিব। মোৰ ৰাজনীতি সফল ৰাজনীতি। মোৰ ৰাজনীতি নকৰা মানে বিৰোধী পক্ষত বহা। তেওঁ নিজেই কৈ দিলে যে তেওঁ পাৰ্মানেণ্ট বিৰোধী পক্ষত থাকিব। তাৰ পিছতে গৌৰৱ গগৈয়ে প্ৰত্যুত্তৰ দিয়ে। গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক উদ্দেশ্যে কয় যে তেওঁ প্ৰমাণ কৰিছে যে বিজেপি চৰকাৰ থকালৈকে আছে। বিজেপিৰ চৰকাৰ নাথাকিলে তেওঁ নাথাকে। ক্ষমতাত বাহিৰে তেওঁ থাকিব নোৱাৰে। ইমান অপৰাধ কৰিছে তেওঁ ক্ষমতাৰ বাহিৰত থাকিব নোৱাৰে। ক্ষমতাই তেওঁলোকৰ সংৰক্ষণ। কাইলৈ যদি বিজেপি চৰকৰা যায় তেতিয়া প্ৰথম দলত্যাগ কৰা মানুহজনেই হ'ব হিমন্ত বিশ্ব শৰ্মা। আমি ৰাজনীতি ক্ষমতাৰ কৰা নাই। এটা আদৰ্শ লৈ ৰাজনীতি কৰিছো। ৰাজনৈতিক চিন্তাধাৰাৰ যোগেদি ৰাইজৰ বাবে ৰাজনীতি কৰিছো। যদি তেওঁৰ আদৰ্শই নাই তেন্তে বিষয়া হ'ব লাগিছিল। যাৰ চৰকাৰ আহিলেও কাম কৰি থাকিব পাৰিলেহেঁতেন। গৌৰৱ গগৈয়ে কয় যে মোৰ ৰাজহাড় আছে। মোৰ ৰাজনীতি আৰু তেওঁৰ ৰাজনীতিৰ মাজ পাৰ্থক্য আছে। আজি ৰাইজে বিচাৰ কৰিব। লুইজ বাৰ্জাৰ, সাৰদা, কুকি আণ্ডাৰগ্ৰাউণ্ড, আলফাত থকাৰ দৰে পদ বিচাৰে। আমি য'ত আছো তাত আছো। আদৰ্শ আৰু মূল্যবোধৰ ৰাজনীতি কৰি আছোঁ। ৰাইজে কোনটো বিচাৰে সেইটো মই ৰাইজৰ ওপৰত এৰিছো। ইপিনে গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক আক্ৰমণ কৰি লিমিটেড কোম্পানী চলাই থকাৰ অভিযোগ আনে। তেওঁ কয় যে তেওঁৰ ৰাজনীতি কি? ৰিজৰ্ট কিনা, বাগান কিনা, মাটি কিনা, বিধায়ক কিনা, স্কুল কিনা। ৰাইজৰ সেৱা ক'ত। প্ৰাণভেট লিমিটেড চলাই আছে। য'ত তেওঁ মেনিজিং ডাইৰেক্টৰ। পৰিয়ালৰ দুই তিনিজন ডাইৰেক্টৰ, তিনি-চাৰিজন মন্ত্ৰী ডাইৰেক্টৰ। অহা নিৰ্বাচনত অসমৰ ৰাইজ বনাম হিমন্ত বিশ্ব শৰ্মাৰ মাজত হ'ব। আনহাতে, গৌৰৱ গগৈয়ে গুৱাহাটীত সংবাদমাধ্যমৰ মুখামুখি হৈ মুখ্যমন্ত্ৰীক চোকা বাক্য বাণৰে পুনৰ আক্ৰমণ কৰে। গৌৰৱে কয় যে ষ্ট্ৰাগল কি বিৰোধী দলত থাকিলেহে গম পাব। আৰক্ষীৰ গোচৰ, ইডিৰ গোচৰ, ইনকম টেক্সৰ গোচৰ যেতিয়া জাঁপি দিয়ে তেতিয়াহে বুজি পাব ষ্টাগল কি? ক্ষমতা যি ফালে থাকে তাত ভৰি দিয়া মানুহজনে কি ষ্ট্ৰাগল কৰিলে? যদি লুইচ বাৰ্জাৰ, সাৰদা ষ্ট্ৰাগল তেন্তে মোক তেনেকুৱা ষ্ট্ৰাগল নালাগে। ইপিনে আজি বৰাক উপত্যকাৰ শিলচৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি পুনৰ শিলচৰ চহৰৰ কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি পৰিস্থিৰ বুজ লয়। শিলচৰ কলেজ ৰোডৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বানপীড়িতৰ বুজ লৈ খাদ্য-সামগ্ৰী বিতৰণ কৰে। আনহাতে, শিলচৰ জিলা কংগ্ৰেছ কাৰ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গছপুলি ৰোপণ কৰে। শিলচৰত ভাষা শ্বহীদসকলৰ স্মাৰকত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰি গগৈয়ে শাসক দল বিজেপি আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে। হিমন্ত বিশ্ব শৰ্মাই বৰাক উপত্যকাক কেৱল এটিএম হিচাপে ব্যৱহাৰ কৰি ধন সংগ্ৰহৰ ছিণ্ডিকেট চলোৱাৰ অভিযোগ আনে। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সময়ত আৰম্ভ হোৱা বহু উন্নয়ন হিমন্ত চৰকাৰত থমকি পৰিছে। সৰ্বানন্দ আৰু হিমন্তৰ মাজৰ ৰাজনৈতিক দ্বন্দ্বই বৰাক উপত্যকাক উন্নয়নৰ পৰা বঞ্চিত কৰিছে। তেওঁ সাংবাদিকৰ মুখামুখি হৈ কয় যে বিজেপি চৰকাৰ যিয়ে গৰুৰ নামত ৰাজনীতি কৰে। আজিলৈকে বৰাক উপত্যকাত গৰুৰ ছিণ্ডিকেট কিয় বন্ধ কৰিব পৰা নাই। আমাৰতো চৰকাৰ নাই। কেন্দ্ৰতো আমাৰ চৰকাৰ নাই। তেওঁলোকৰহে চৰকাৰ। গৌৰৱ গগৈয়ে দাবী কৰি কয় যে উপত্যকাত ছিণ্ডিকেটৰাজ চলি আহিছে। সেয়ে কংগ্ৰেছৰ মূল লক্ষ্য হৈছে ২০১৬ চনৰ পিছত বৰাকত বৃদ্ধি পোৱা ছিণ্ডিকেট ৰাইজৰ সন্মুখত ফাদিল কৰা। কয়লা, সাৰ, চুপাৰি, লাইমষ্ট'ন ছিণ্ডিকেটৰ জৰিয়তে বৰাক উপত্যকাক বিজেপিয়ে এটিএম হিচাপে ব্যৱহাৰ কৰিছে। কাছাৰৰ কাটিগড়াৰ বেহাল গেমন দলঙৰ মেৰামতিৰ কাম পৰিদৰ্শন কৰি গৌৰৱ গগৈয়ে কয় যে পূৰ্বেও ভূপেন বৰাই ৰাজ্যত বৃদ্ধি পোৱা ছিণ্ডিকেটৰ বিৰুদ্ধে মাত মাতিছিল। আমাৰ মূল লক্ষ্য হৈছে হিমন্ত চৰকাৰৰ দিনত ৰাজ্যত বৃদ্ধি পোৱা ছিণ্ডিকেট ৰাইজৰ সন্মুখত ফাদিল কৰা। শেহতীয়াকৈ ইডিয়ে কয়লা মাফিয়াসকলৰ বিৰুদ্ধে অভিযান চলাইছিল। ৰহস্যজনকভাৱে এজনো মাফিয়াক গ্ৰেপ্তাৰ কৰা নাই। গ্ৰেপ্তাৰ নকৰাৰ কাৰণ কি। ইডিয়ে কয়লা মাফিয়াৰ তাত চান্দা ল'বলৈ গৈছিল নেকি? ইডিয়ে কেৱল কংগ্ৰেছ নেতাক গ্ৰেপ্তাৰ কৰে। অসম প্ৰদেশ কংগ্ৰেছ সভাপতি আৰু সাংসদ গৌৰৱ গগৈৰ সৈতে নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক পৃথ্বীৰাজ সাঠে আৰু বিধায়ক জাকিৰ হুছেইন সিকদাৰক দেখা যায়। ইপিনে আজি গুৱাহাটীলৈ উভতি অহি গৌৰৱ গগৈ ব্যস্ত হৈ পৰিছে ৰাজীৱ ভৱনত। সভাপতি গৌৰৱ গগৈয়ে সংবাদমাধ্যম বিভাগৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সংবাদ মাধ্যম বিভাগৰ সকলো নেতা, মুখপাত্ৰসকলক বিজেপিৰ বিৰুদ্ধে এখন শক্তিশালী যুঁজত অৱতীৰ্ণ হোৱাৰ বাবে নিজকে সাজু হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে নীতি আৰু আদৰ্শৰ ভিত্তিত ভাৰতীয় সংবিধান সুৰক্ষাৰ স্বাৰ্থত, গণতন্ত্ৰক শক্তিশালী কৰাৰ লক্ষ্যৰে অসমৰ ৰাইজক সুশাসন দিয়াৰ উদ্দেশ্যৰে যি যুঁজ হ'ব সেই যুঁজত সকলোৱে আত্মনিয়োগ কৰিব লাগিব। আনহাতে, গৌৰৱ গগৈয়ে কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা পৃথ্বী মাঝিক গুৱাহাটীস্থিত বাসগৃহত সাক্ষাৎ কৰে। বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন কেবিনেট মন্ত্ৰী তথা চাহ-জনগোষ্ঠীৰ অন্যতম মাঝিৰ সৈতে সাংগঠনিক দিশৰ উপৰি বিভিন্ন বিষয়ত আলোচনা কৰাৰ লগতে দিহা-পৰামৰ্শ বিচাৰিছে বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আহোম বীৰৰ নাম এৰক বীৰ লাচিত সেনাই!

মানসিক অত্যাচাৰ চলোৱা ঘটনাক লৈ উজনি অসমত তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে সন্মিলিত গগৈ ঐক্য মঞ্চই বীৰ লাচিত সেনাক তীব্ৰ ধিক্কাৰ দিছে। সন্মিলিত গগৈ ঐক্য মঞ্চৰ সভাপতি চাও ৰজত গগৈ, যুটীয়া সম্পাদক চাও কল্যাণ গগৈয়ে এখন বিবৃতি যোগে যোৰহাট টিয়কৰ চাও বিৰক্ত গগৈক আক্ৰমণ কৰাৰ ঘটনাক তীব্ৰ ধিক্কাৰ দি কয় যে বীৰ লাচিত সেনাই ঘৰতে গৈ কাণত ধৰাই আঁঠুকঢ়াই শাৰীৰিক আৰু মানসিক ভাবে শাস্তি দিয়াৰ উপৰিও শাস্তি দিয়াৰ ভিডিঅ' সামাজিক মাধ্যমত প্ৰচাৰ কৰা আমাৰ দৃষ্টি গোচৰ হৈছে। বীৰ লাচিত সেনাৰ এনে কাৰ্যক আমি ধিক্কাৰ দিয়াৰ লগতে বীৰ লাচিত সেনাৰ নামৰ তথাকথিত অনা আহোম নেতাই কৰি অহা অতপালিক তীব্ৰ নিন্দা কৰিছো। বীৰ লাচিত সেনাক আমি সকিয়াই দিব বিচাৰো যে আপোনালোকে আহোমৰ মহাবীৰ জনাৰ নামত গঠন কৰা সংগঠনটো বন্ধ কৰি পদলেহনকাৰী সংগঠন কৰক। বিৰক্ত গগৈক শাৰীৰিক আৰু মানসিক অত্যাচাৰ কৰাৰ বাবে অতি সোনকালে সামাজিক ভাবে ক্ষমা খোজক। নহলে আমি আপোনালোকৰ সংগঠনৰ বিষয়-ববীয়াসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ম। প্ৰয়োজন হলে গণতান্ত্ৰিক ভাবে বিভিন্ন পন্থা হাতত ল'ম। যদিন পূৰ্বে একেটা ঘটনাক লৈ বীৰ লাচিত সেনাৰ বিৰুদ্ধে টাই আহোম ছাত্ৰ সন্থাই টীয়কত এজাহাৰ দাখিল কৰিছিল। সদৌ তাই আহোম ছাত্ৰ সন্থাৰ (আটাছু) যোৰহাট জিলা সমিতিয়ে বীৰ লাচিত সেনাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। জানিব পৰা মতে, ১ জুনত টীয়ক আৰক্ষী থানা এলেকাৰ বলমাৰ দোলাকাষৰীয়া গাঁৱত কৰ্মসূত্ৰে বসবাস বাৰি থকা আহোম সম্প্ৰদায়ৰ বিৰক্ত গগৈক বীৰ লাচিত সেনা নামৰ সংগঠনৰ নেতাই শাৰিৰীক আৰু মানসিকভাৱে অত্যাচাৰ কৰাৰ লগতে প্ৰাণে মৰাৰ ভাবুকি দিয়ে। লাচিত সেনাৰ নেতাৰ ফেচবুক পোষ্টত কমেণ্ট কৰাৰ বাবেই এনেদৰে শাস্তি প্ৰদান কৰা হয়। সাধাৰণ আনহাতে একাংশ আহোম জনগোষ্ঠীৰ লোকে এই ঘটনাক লৈ সামাজিক মাধ্যমত সৰৱ হোৱা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত-তুলিৰামৰ বিৰুদ্ধে চিবিআই তদন্তৰ

সংবাদমেল সম্বোধন কৰি অসমৰ বিজেপি চৰকাৰ তথা হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। মহামান্য উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অমান্য কৰি কাৰ্বি আংলঙৰ পাহাৰত অবৈধভাৱে খনন অব্যাহত থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰিপুণ বৰাই। উচ্চতম ন্যায়ালয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু উদ্যান সংযোগী কাৰ্বি পাহাৰাত খনন নকৰিবলৈ কঠোৰ নিৰ্দেশ দি থোৱাৰ পিছতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সেউজ সংকেতত কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙৰ নেতৃত্বত শিল খনন কৰি অহাৰ গুৰুতৰ অভিযোগ আনি শীঘ্ৰে হিমন্ত বিশ্ব শৰ্মা আৰু তুলিৰাম ৰংহাঙৰ বিৰুদ্ধে চিবিআই তদন্তৰ দাবী কৰে। লগতে কাৰ্বি আংলং স্বায়ত্ত পৰিষদ শীঘ্ৰে ভংগ কৰাৰ দাবী উত্থাপন কৰে। উচ্চতম ন্যায়ালয়ে গঠন কৰা কেন্দ্ৰীয় ক্ষমতা প্ৰাপ্ত সমিতিৰ তদন্ত প্ৰতিবেদনত পোহৰলৈ অহা বহু তথ্যও আজি ৰাজহুৱা কৰিছে কংগ্ৰেছে। ৰিপুণ বৰাই সংবাদমেল যোগে কয় যে ২০১৯ চনৰ উচ্চতম ন্যায়ালয়ে লেখ আৱেদন (চি) নং ২০২/১৯৯৫ টি এন গোদাবৰ্মন থিৰুমুলপদ বনাম ভাৰত চৰকাৰৰ গোচৰ (১২-০৪-২০১৯) বিশেষ আদেশ জাৰি কৰিছিল। বিশেষ আদেশত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অঞ্চলৰ লগতে কাৰ্বি আংলং পাহাৰৰ সংযোগী কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অভিমুখী সকলো নদী, নৈ-খুঁটিত সকলো ধৰণৰ খনন কাৰ্য আৰু সংলগ্ন কাৰ্যকলাপ নিষিদ্ধ কৰা হৈছিল। চিনাক্ত কৰা ৯ টা বন্যপ্ৰাণী চলাচল পথ তথা ভূমিত নতুন কোনো নিৰ্মাণৰ অনুমতি দিব নোৱাৰিব বুলিও নিৰ্দেশ দিছিল শীৰ্ষ আদালতে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান আৰু সংশ্লিষ্ট আৰক্ষী অধীক্ষকে নিশ্চিত কৰিব লাগিব যে উক্ত অঞ্চলত অবৈধ খনন কাৰ্য যাতে কোনো কাৰণত কৰা নহয় আৰু কাৰ্বি আংলং পাহাৰৰ পৰা তেনে সামগ্ৰী সৰবৰাহ কৰা নহয়। উচ্চতম ন্যায়ালয়ৰ আদেশৰ মূল উদ্দেশ্য আছিল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু তাৰ আশ-পাশৰ সংবেদনশীল পৰিৱেশ সংৰক্ষণ কৰা। কিন্তু মহামান্য উচ্চতম ন্যায়ালয়ৰ ১২/০৪/২০১৯ ৰ এই আদেশ অমান্য কৰি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে অসম চৰকাৰৰ সহযোগত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এলেকাত ১২ টাৰো অধিক স্থানত অবৈধভাৱে খনন চলাই আছে। আজি অভিযোগ আনিছে কংগ্ৰেছ নেতা বৰাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আশীৰ্বাদত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙে পাৰকুপ পাহাৰ এলেকাত অবৈধ ভাৱে শিল খনন কৰিবলৈ অনুমতি প্ৰদান কৰিছে বুলি দাবী কৰি ৰিপুণ বৰাই কয় যে যোৱা কেবা বছৰ ধৰি এই অবৈধ খনন চলি আছে। যিহেতু পাৰকুপ পাহাৰ এলেকা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত পৰিছে। মহামান্য উচ্চতম ন্যায়ালয়ৰ আদেশ আৰু অসম চৰকৰৰ বন বিভাগৰ নীতি অনুযায়ী কোনো কাৰণত এই পাৰকুপ পাহাৰ এলেকাত কোনো ধৰণৰ খনন কাৰ্য্য, নিৰ্মাণ কাৰ্য্য কৰিব নোৱাৰিব। উচ্চতম ন্যায়ালয়ে গঠন কৰি দিয়া কেন্দ্ৰীয় ক্ষমতা প্ৰাপ্ত সমিতিয়ে ২০২৪ চনৰ ডিচেম্বৰ মাহৰ পৰা ২০২৫ চনৰ মে' মাহলৈ প্ৰায় ছমাহ ধৰি চলোৱা তদন্তৰ প্ৰতিবেদনত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে বেপৰোৱাভাৱে ন্যায়ালয়ৰ আদেশ অমান্য কৰাৰ তথ্য পোহৰলৈ আহিছে। উচ্চতম ন্যায়ালয়ে বন্যপ্ৰাণীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰসমূহক কেন্দ্ৰীয় ক্ষমতা প্ৰাপ্ত সমিতিয়ে স্পৰ্শকাতৰ এলেকা ঘোষণা কৰিবলৈ নিৰ্দেশ দিছিল। লগতে এই কথাও উল্লেখ কৰিছিল যে যদিহে ৰাজ্য চৰকাৰসমূহে ৰাষ্ট্ৰীয় উদ্যানৰ কাষত পৰিৱেশ-সংবেদনশীল অঞ্চল ঘোষণা নকৰে তেতিয়াহ'লে উচ্চতম ন্যায়ালয়ে বন্যপ্ৰাণী অভয়াৰণ্যবিলাকৰ সীমাৰ পৰা প্ৰায় ১০ কিঃ মিঃ পৰ্যন্ত এলেকা পৰিৱেশ-সংবেদনশীল অঞ্চল হিচাপে ঘোষণা কৰে। ২০২৫ চনৰ ২৪ এপ্ৰিলত হিমন্ত বিশ্ব শৰ্মা চৰকাৰে একমাত্ৰ তুলিৰাম ৰংহাঙৰ স্বাৰ্থত আৰু অবৈধ খনন, ছিণ্ডিকেটৰ স্বাৰ্থত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাৰ্বি আংলংৰ সীমাৰ ফালে থকা এলেকাত আঠখন পৰিৱেশ-সংবেদনশীল অঞ্চলৰ সংৰক্ষণ উঠাই লৈছে। যাতে তাত অবৈধ খনন কৰিব পাৰে। প্ৰায় ৩৬০০ বৰ্গ কিঃ মিঃ এলেকা সামৰি পৰিৱেশ-সংবেদনশীল অঞ্চলৰ বাবে কাজিৰঙা অভয়াৰণ্যকে ধৰি ১০ খন অতিৰিক্ত এলেকা আছিল। লাওখোৱা, বুঢ়াচাপৰি, নামবৰ-দৈগ্ৰোং, গৰমপানী, ইষ্ট কাৰ্বি আংলং, নৰ্থ কাৰ্বি আংলং বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰিৱেশ-সংবেদনশীল অঞ্চলৰ সংৰক্ষণ প্ৰত্যাহাৰ কৰিছে। যাতে তাত অবাধে অবৈধ খনন কৰিব পাৰে। উচ্চতম ন্যায়ালয়ে গঠন কৰা কেন্দ্ৰীয় ক্ষমতা প্ৰাপ্ত সমিতিয়ে তদন্তত পাইছে যে কাৰ্বি আংলং স্বায়ত্ব শাসিত এলেকাৰ ১০টা শিল কুৱেৰীৰ চাৰিটা বৰজুৰি জলপ্ৰপাতৰ ওচৰত আছে। যাক অনুমতি দিয়াৰ তথ্য পাইছে কেন্দ্ৰীয় ক্ষমতা প্ৰাপ্ত সমিতিয়ে। বিদ্যা সিং ইংতি, নোপানী পি পি ভূমি পাথৰ খনন, লিপ তেৰাং, লাংখাং পি.পি. ভূমি পাথৰ খনন, ব্ৰনছন তেৰাং, নোপানী পি.পি. ভূমি পাথৰ খনন, ৰাজু ইংজাই, নোপানী চেকছ' আংলং পাথৰ খনন, মংগল সিং ইংতি, লাংখাং নং ২, পি.পি. ভূমি পাথৰ খনন, সঞ্জয় ফাংশো, লাংখাং গাঁও পি.পি. ভূমি পাথৰ খনন, কমল সিং ইংজাই, নোপানী শাৰ্থে কিলিং গাঁও পি.পি. ভূমি পাথৰ খনন, যতেন ইংতি, নোপানী কাইফো আংলং পি.পি. ভূমি পাথৰ খনন, ভূপেন কিলিং, নোপানী শাৰ্থে কিলিং গাঁও পাথৰ খনন, কাদম তেৰাংপি, নোপানী মনচা ইংতি নং ১ পাথৰ খননৰ অনুমতি লাভ কৰিছিল। কেন্দ্ৰীয় ক্ষমতা প্ৰাপ্ত সমিতিৰ তদন্তৰ সময়ত এনে অবৈধ অনুজ্ঞাপত্ৰ লাভ কৰাৰ ক্ষেত্ৰত আপত্তি কৰাত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে সাময়িকভাৱে অনুজ্ঞাপত্ৰ বন্ধ ৰাখিছে। কিন্তু বাতিল কৰা নাই। এই কাৰ্য্যত কেন্দ্ৰীয় ক্ষমতা প্ৰাপ্ত সমিতিয়ে আপত্তি দৰ্শাইছে। এই অবৈধ অনুজ্ঞাপত্ৰ লাভ কৰাসকলৰ মাজৰ পৰা দুজনে গুৱাহাটী উচ্চ ন্যায়ালয়ত তেওঁলোকৰ অনুজ্ঞাপত্ৰ স্থগিত কৰা আদেশৰ বিৰুদ্ধে আবেদন কৰাত সেই আবেদনক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ তেওঁলোকৰ অনুজ্ঞাপত্ৰ বাতিলৰ নিৰ্দেশ নাকচ কৰি পুনৰ খনন চলাবলৈ নিৰ্দেশ দিয়ে। তেওঁলোকে আদালতক ২০১৯ চনৰ উচ্চতম ন্যায়ালয়ৰৰ আদেশৰ বিষয়ে অৱগত নকৰি আদালতক অন্ধকাৰত ৰাখি এই আদেশ লাভ কৰিছে। অসম প্ৰদেশ কংগ্ৰেছে এই সমগ্ৰ ঘটনাৰ চিবিআই তদন্তৰ দাবী কৰিছে। তুলিৰাম ৰংহাং নেতৃত্বাধীন কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে উচ্চতম ন্যায়ালয়ৰ ১০১৯ চনৰ আদেশ অমান্য কৰা আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ক বিপথে পৰিচালনা কৰাৰ বাবে জবাবদিহি কৰিবলৈ দাবী জনাইছে কংগ্ৰেছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তু, গছ-গছনি, সৌন্দৰ্য সকলো ধ্বংস কৰি পাৰকুপ পাহাৰত অবৈধ শিল খননৰ অনুজ্ঞা পত্ৰ দি যি জৈৱ-বৈচিত্ৰ্য আৰু পৰিৱেশ ধ্বংস কৰাৰ লগতে যি ছিণ্ডিকেটৰাজ চলিছে তাৰ বাবে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ ভংগ কৰাৰ দাবী জনাইছে কংগ্ৰেছে। তুলিৰাম ৰংহাঙৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'বলৈ আৰু তেওঁক সহায় কৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে চিবিআই তদন্তৰ দাবী কৰে।

# অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ জলপানিৰ বাবে অইল ইণ্ডিয়া অনূসূচীত জনজাতি কৰ্মচাৰীৰ কল্যাণ সমিতিৰ আবেদন আহ্বান

**ই-সংবাদ, দুলীয়াজান, ৫ জুনঃ** বিগত বৰ্ষসমূহৰ দৰে এইবছৰো অইল ইণ্ডিয়া অনুসূচীত জনজাতি কৰ্মচাৰীৰ কল্যাণ সমিতিৰ উদ্যোগত অইল অধ্যুষিত এলেকাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত, সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ জলপানী প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত অইল ইণ্ডিয়া অনুসূচীত জনজাতি কৰ্মচাৰী কল্যাণ সমিতিয়ে জানিবলৈ দিছে যে উক্ত পৰীক্ষাত ৮৮ শতাংশ নম্বৰসহ অতি কমেও ৪ টা বিষয়ত লেটাৰ নম্বৰ লাভ কৰা ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ লগতে অৰুণাচল প্ৰদেশৰ অইল অধ্যুষিত এলেকাত বাসকৰা ছাত্ৰ-ছাত্ৰীয়ে এই জলপানী আৰু সম্বৰ্ধনাৰ বাবে আবেদন কৰিব পাৰিব। আবেদন-পত্ৰৰ লগত স্ব-স্বাক্ষৰিত মাৰ্কশ্বীট, পাছ চাৰ্টিফিকেট, জাতিগত প্ৰমাণ-পত্ৰ, স্থায়ী বাসিন্দাৰ প্ৰমাণ-পত্ৰ আৰু এক'পী পাছপৰ্'ট ফটো লগত গাঁঠি দিব লাগিব। আবেদনত নিজৰ ই-মেইল তথা যোগাযোগৰ নম্বৰ দিয়াৰ লগতে আবেদনসমূহ অহা ১৫ জুনৰ ভিতৰত OISTEWA.OIL@GMAIL.COM ই-মেইল কৰি পঠিয়াবলৈ প্ৰাৰ্থীসকলক অনুৰোধ জনোৱা হৈছে । ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলক অধিক তথ্যৰ বাবে ৭০০২৬৫৭৭১০ আৰু ৮৬৩৮১৩৬৪৩৫ নম্বৰত যোগাযোগ কৰিবলৈ সমিতিৰ সাধাৰণ সম্পাদক ঋতুৰাজ বড়াই অনুৰোধ জনাইছে ।

# জাগীৰোডত বহিৰাগতৰ ছুৰীকাঘাতত আহত খিলঞ্জীয়া যুৱক, সংকটজনক অৱস্থাত চিকিৎসাধীন

**ই-সংবাদ, জাগীৰোড, ৫ জুনঃ** জাগীৰোডলৈ কৰ্মসূত্ৰে অহা বহিৰাগতৰ দপদপনি। বহিৰাগতৰ আক্ৰমণত ৰক্তাক্ত খিলঞ্জীয়া যুৱক। ছুৰীকাঘাতত আহত যুৱকজনে চিকিৎসালয়ত যুঁজি আছে জীৱন-মৰণৰ যুঁজ। জাগীৰোড ৰে'ল ষ্টেচনত বুধবাৰে নিশা সংঘটিত হয় এই ঘটনা। জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পত কাম কৰি থকা এল এণ্ড টি নামৰ কোম্পেনীত কৰ্মৰত ৰাজস্থানৰ আমীৰ খান নামৰ উদণ্ড যুৱকজনে নিশা উপস্থিত হৈছিল ৰে'ল ষ্টেচনৰ পাৰ্কিঙত। লগত আছিল জাগীৰোডৰ কৃতিকাছ হোটেলৰ বিউটি পাৰ্লাৰত কৰ্মৰত এগৰাকী যুৱতী। পাৰ্কিঙৰ এটা নিৰ্জন স্থানত দুয়োকে অনৈতিক কাৰ্যত লিপ্ত থকা অৱস্থাত উদ্ধাৰ কৰিছিল দায়িত্বত থকা কেইজনমান কৰ্মচাৰীয়ে। দুয়োকে উদ্ধাৰ কৰি ৰে'ল আৰক্ষীক চমজাই দিবলৈ প্ৰয়াস কৰিছিল যদিও ৰে'ল আৰক্ষীৰ এজনো লোক উপস্থিত নাছিল ষ্টেচনত। তেতিয়াই আৰম্ভ হয় বহিৰাগত যুৱকজনৰ আক্ৰমণ। ছুৰীৰে উপৰ্যুপৰি আক্ৰমণ আৰম্ভ কৰাৰ লগতে চকুত স্প্ৰে' মাৰি তাণ্ডৱৰ সৃষ্টি কৰে আমীৰ খান নামৰ যুৱকজনে। আক্ৰমণত পাৰ্কিঙত কৰ্মৰত কেইবাজনো যুৱক আহত হোৱাৰ লগতে ডিঙিত উপৰ্যুপৰি আক্ৰমণত গুৰুতৰভাৱে আহত হয় পংকজ হাজৰিকা নামৰ কৰ্মচাৰীজন। ৰক্তাক্ত অৱস্থাত যুৱকজনক প্ৰেৰণ কৰা হয় চিকিৎসালয়লৈ। সম্প্ৰতি গুৱাহাটীৰ দিশপুৰ পলিক্লিনিকত জীৱন-মৰণৰ সৈতে যুঁজি আছে পংকজ হাজৰিকাই। ইফালে স্থানীয় লোকৰ সহায়ত জাগীৰোড আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয় ৰাজস্থানৰ যুৱক আমীৰ খান আৰু যুৱতী দীপিকা বৰদলৈ। অৱশ্যে স্থানীয় একাংশ লোকক আৰক্ষীয়ে লাঠীচাৰ্জ আৰু দুৰ্ব্যৱহাৰ কৰাৰো উঠিছে গুৰুতৰ অভিযোগ। গুৰুতৰভাৱে আহত যুৱক পংকজ হাজৰিকাৰ চিকিৎসাৰ দায়িত্ব এল এণ্ড টি নামৰ সংস্থাটোক বহন কৰিবলৈ দাবী জনাইছে বিভিন্ন দল-সংগঠনে। আনহাতে জাগীৰোডৰ বিভিন্ন পাৰ্লাৰ আৰু হোটেলসমূহত নাৰীদেহ ব্যৱসায় চলাই অহাৰ বাবেই পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ উত্থাপিত হৈছে। নিশা হ'লেই যেন অন্য এটা পৰিৱেশ গঢ় লৈ উঠে জাগীৰোডৰ মাজমজিয়াত। এইক্ষেত্ৰত আৰক্ষীক অধিক সক্ৰিয়তা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে স্থানীয় লোকে।



ধৃত দুৰ্বৃত্ত আমীৰ খান

# তিনিচুকীয়াত বিস্তৃত কাৰ্যসূচীৰে পৰিৱেশ দিৱস পালন

## বাৰেকুৰিত সেউজ কৰিড'ৰৰ কাম আৰম্ভঃ সমষ্টিয়ে সমষ্টিয়ে বাটৰ নাট প্ৰদৰ্শন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৫ জুনঃ** সমগ্ৰ বিশ্বৰ লগতে আজি তিনিচুকীয়া জিলাতো বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। বিশ্ব পৰিৱেশ দিৱস উপলক্ষে জিলাখনত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'য়। তিনিচুকীয়া চহৰৰ সমীপৰ ঐতিহ্যমণ্ডিত বাৰেকুৰিত হলৌ বান্দৰৰ সুৰক্ষাৰ বাবে নিৰ্মাণ কৰিবলৈ লোৱা সেউজ কৰিড'ৰৰ জিলা আয়ুক্ত স্বপ্নীল পালে আজি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই প্ৰকল্পৰ জৰিয়তে বাৰেকুৰিৰ পৰা ভেৰগাঁও-বৰাজান-পদুমণি বন্যপ্ৰাণী অভয়াৰণ্যলৈ হলৌ বান্দৰৰ সহজ যাতায়াতৰ বাবে সেউজ কৰিড'ৰ নিৰ্মাণ কৰা হ'ব। তাৰ বাবে বিস্তৃত গছপুলি ৰোপণ কাৰ্যসূচীৰ আজি শুভাৰম্ভ কৰা হ'য়। তদুপৰি হলৌ বান্দৰৰ খাদ্যৰ অভাৱ নহ'বলৈ অঞ্চলটোত ৰোপণৰ বাবে ৰাইজৰ মাজত ৫০০০ উন্নত মানৰ ফলমূলৰ পুলি বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত এখন সভাত জিলা আয়ুক্তগৰাকীয়ে অংশগ্ৰহণ কৰাৰ লগতে তেওঁ সমগ্ৰ অঞ্চলটো খোজকাঢ়ি পৰিদৰ্শন কৰে। উল্লেখ্য যে হলৌ বান্দৰৰ সৈতে গাঁওবাসীয়ে গঢ়ি তোলা আন্তৰিক সম্পৰ্কৰ বাবে বাৰেকুৰি অঞ্চলটো প্ৰসিদ্ধ হৈ পৰিছে। ইয়াৰ পিছতে জিলা প্ৰশাসনৰ সহযোগত বৃহত্তৰ সাংবাদিক সন্থা আৰু জাৰ্নেলিষ্ট ইউনিয়ন অৱ আছাম, চমুকৈ "জুৱা"ৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আজি পুৱা আয়োজন কৰা গছপুলি ৰোপণ কাৰ্যসূচীৰো জিলা আয়ুক্ত স্বপ্নীল



পালে শুভাৰম্ভ কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত আনুষ্ঠানিকভাৱে গছপুলি ৰোপণ কৰি আয়ুক্তগৰাকীয়ে সমগ্ৰ জিলাবাসীলৈ বিশ্ব পৰিৱেশ দিৱসৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ এনে প্ৰশংসনীয় কাৰ্যত আগবাঢ়ি অহা বাবে সাংবাদিকসকলকো ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতে সাংবাদিক সংগঠন কেইটাই আৰক্ষী অধীক্ষকৰ কাৰ্যালয়, জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয় আদি বিভিন্ন কাৰ্যালয়ত সংশ্লিষ্ট কৰ্তৃপক্ষৰ সহযোগত গছপুলি ৰোপণ কৰে। ইফালে তিনিচুকীয়া চহৰৰ ন-পুখুৰীস্থিত 'মৰুৎ নন্দন কানন'ত আমৰুট অভিযান, অসমৰ সৌজন্যত তথা নগৰ জীৱিকা অভিযান আৰু তিনিচুকীয়া পৌৰসভাৰ উদ্যোগত এটি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াত বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰি তিনিচুকীয়া পৌৰসভাৰ সভাপতি পুলক চেতিয়াই উপস্থিত ৰাইজক পৰিৱেশ সংৰক্ষণৰ গুৰুত্ব সন্দৰ্ভত অৱগত কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৰিৱেশ সংৰক্ষণৰ গুৰুত্বৰ ওপৰত আলোচনা কৰে। অনুষ্ঠানটিত উপস্থিত থকা তিনিচুকীয়া পৌৰসভাৰ উপ-সভানেত্ৰী, কাৰ্য্যবাহী বিষয়া, বিভিন্ন বেংকৰ প্ৰতিনিধি তথা অমৃত মিত্ৰসকলৰ যৌথ প্ৰচেষ্টাত উদ্যানখনৰ সৌন্দৰ্যবৰ্ধনৰ হেতু ৬৭ জোপা বগেনভেলিয়া পুলি ৰোপণ কৰা হ'য়। উল্লেখ্য যে আগন্তুক এটা বছৰ এই গছপুলিসমূহৰ অমৃত মিত্ৰসকলে ৰক্ষণাবেক্ষণৰ দায়িত্ব গ্ৰহণ কৰিব। অনুষ্ঠানটোত সহযোগ কৰে ষ্টেট বেংক অৱ ইণ্ডিয়া, তিনিচুকীয়া বজাৰ শাখা আৰু আই.ডি.বি.আইৰ তিনিচুকীয়া শাখাই। উক্ত অনুষ্ঠানটিৰ আঁত ধৰে জীৱিকা অভিযানৰ নগৰ প্ৰকল্প প্ৰৱন্ধক পাৰ্থপ্ৰতিম ভৰালীয়ে। ইয়াৰ সমান্তৰালভাৱে আজি সাংস্কৃতিক বিভাগৰ উদ্যোগত পৰিৱেশ দিৱস উপলক্ষে জন-সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিটো বিধানসভা সমষ্টিতে বাটৰ নাট প্ৰদৰ্শন কৰা হ'য়। পুৱা ১০.৩০ বজাত মাকুমৰ শংকৰদেৱ শিশু নিকেতনত, ১১ বজাত তিনিচুকীয়া অসামৰিক চিকিৎসালয় চৌহদত, ১১.৩০ বজাত ডিগবৈ বিধানসভা সমষ্টিৰ টিংৰাইৰ ৰজনীকান্ত বৰদলৈ হাইস্কুলত, ১.৩০ বজাত চাহ নগৰী ডুমডুমাৰ ৰূপাই চাইডিং তিনিআলিত আৰু ৩ বজাত মাৰ্ঘেৰিটাৰ চেগুনবাৰী তিনিআলিত ভিন ভিন দলৰ দ্বাৰা প্লাষ্টিকৰ ব্যৱহাৰৰ বিৰুদ্ধে সজাগতাৰ বাবে আকৰ্ষণীয় বাটৰ নাট প্ৰদৰ্শন কৰা হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## ব্লুমবাৰ্গ প্ৰযুক্তি সন্মিলনত গুৰুত্বপূৰ্ণ মন্তব্য এলফাবেটৰ চিইঅ'ৰ

# কৃত্ৰিম বুদ্ধিমত্তাই চাকৰিৰ সংখ্যা হ্ৰাস নকৰে, বৃদ্ধিহে কৰিবঃ সুন্দৰ পিচাই

**ছানফ্ৰান্সিস্কো, ৫ জুন:** নিয়োগৰ ওপৰত কৃত্ৰিম বুদ্ধিমত্তাৰ (এআই) প্ৰভাৱ সম্পৰ্কে ক্ৰমাৎ বৃদ্ধি পোৱা বিতৰ্কৰ মাজতে আলফাবেটৰ চিইঅ' সুন্দৰ পিচাইয়ে সকলোকে আশ্বস্ত কৰিব পৰা এক বক্তব্য আগবঢ়ায়। শেহতীয়াকৈ ব্লুমবাৰ্গ প্ৰযুক্তি সন্মিলনত দিয়া এক সাক্ষাৎকাৰত পিচাইয়ে দৃঢ়তাৰে কয় যে এআই চাকৰি নাশকাৰী নহয় বৰঞ্চ বৃদ্ধিৰ অনুঘটকহে। তেওঁ এআইক এটা "ত্বৰক" বুলি অভিহিত কৰে যিয়ে সমগ্ৰ এলফাবেটৰ অভিযন্তা আৰু দলসমূহক অধিক কাম কৰিবলৈ সুবিধা দিয়ে। পিচাইয়ে কয়, 'মই আশা কৰিছোঁ যে আমি আমাৰ বৰ্তমানৰ অভিযান্ত্ৰিক পৰ্যায়ৰ পৰা অহা বছৰলৈকে বৃদ্ধি পাম, কাৰণ ই আমাক অধিক কাম কৰিবলৈ অনুমতি দিয়ে। তেওঁৰ মতে, এআইয়ে পুনৰাবৃত্তিমূলক কামবোৰ আঁতৰোৱাত সহায় কৰে, যাৰ ফলত অভিযন্তাসকলক উদ্ভাৱনত মনোনিৱেশ কৰিবলৈ সুবিধা দিয়া হয়। ইয়াৰ দ্বাৰা তেওঁলোকক অধিক উৎপাদনশীলহে কৰি তোলা হৈছে।' গুগলৰ মূল কোম্পানী এলফাবেটে ২০২৩ চনত প্ৰায় ১২,০০০ আৰু ২০২৪ চনৰ আৰম্ভণিতে কমেও আৰু ১০০০ কৰ্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছিল।এই কৰ্তনৰ পিছতো পিচাইয়ে জোৰ দি কয় যে কোম্পানীটোৱে এআইৰ ক্ষমতাৰ দ্বাৰা ইন্ধন যোগোৱা কৌশলগত সম্প্ৰসাৰণত অন্য পৰ্যায়ত প্ৰৱেশ কৰিছে। এতিয়া এলফাবেটে নিজৰ কৰ্মশক্তিত বিশেষকৈ অভিযান্ত্ৰিক আৰু কাৰিকৰী ভূমিকাত পুনৰ বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। পিচাইয়ে স্বীকাৰ কৰে যে এআই আৰু অটোমেচনক কেন্দ্ৰ কৰি জনসাধাৰণৰ উদ্বেগ ভিত্তিহীন নহয়। তেওঁ চিন্তাশীল ৰূপায়ণ আৰু দক্ষতা বৃদ্ধিৰ কাৰ্যসূচীৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে আলফাবেটে সাৱধানে পৰিৱৰ্তনটোক নেভিগেট কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ ব্যাখ্যা কৰে যে, "আমি এআইক সামূহিকভাৱে চাকৰি স্থানান্তৰিত কৰা বুলি নাভাবো। বৰঞ্চ আমি ইয়াক কামৰ প্ৰকৃতি সলনি কৰা বুলি ভাবো।" ইয়াৰ ভিতৰত নতুন শ্ৰেণীৰ চাকৰি সৃষ্টি আৰু বৰ্তমানৰ চাকৰিবোৰ ৰূপান্তৰ কৰাও অন্তৰ্ভুক্ত।



গাজাত ইজৰাইলৰ আক্ৰমণৰ পাছত এজন লোকে এগৰাকী ছোৱালীক কঢ়িয়াই লৈ গৈছে, ফটো, বৃহস্পতিবাৰৰ

# আমেৰিকাত ১২খন দেশৰ নাগৰিকৰ প্ৰৱেশ নিষেধ

**ৱাশ্বিংটন, ৫ জুন:** আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি ভাবুকিৰ কথা উল্লেখ কৰি ১২খন দেশৰ নাগৰিকৰ ওপৰত সম্পূৰ্ণ ভ্ৰমণ নিষেধাজ্ঞা আৰোপ কৰা ঘোষণাত স্বাক্ষৰ কৰে। এই নিষেধাজ্ঞা তৎক্ষণাত কাৰ্যকৰী হোৱাৰ লগতে শক্তিশালী নিৰাপত্তা আৰু পটভূমিৰ পৰীক্ষা নকৰা দেশৰ পৰা আমেৰিকাত প্ৰৱেশ কৰা লোকক বাধা দিয়া হয়। সম্পূৰ্ণ নিষেধাজ্ঞাৰ অধীনত থকা ১২খন দেশ হ'ল- আফগানিস্তান, ম্যানমাৰ, চাড, কংগো ৰিপাব্লিক, ইকুৱেটৰিয়েল গিনি, ইৰিত্ৰিয়া, হাইটি, ইৰাণ, লিবিয়া, ছোমালিয়া, চুডান, আৰু য়েমেন। সন্ত্ৰাসবাদৰ সৈতে জড়িত উদ্বেগ, আমেৰিকাৰ অনুপ্ৰৱেশ বলবৎকাৰী সংস্থাৰ সৈতে সহযোগিতাৰ অভাৱ, আৰু তেওঁলোকৰ অনুপ্ৰৱেশ ব্যৱস্থাৰ নিৰীক্ষণৰ অভাৱৰ বাবে এই দেশসমূহে আমেৰিকাৰ বাবে বিপদ সৃষ্টি কৰা বুলি চিনাক্ত কৰা হৈছে। এক বিবৃতিত হোৱাইট হাউছে কয় যে এই সিদ্ধান্ত আমেৰিকাৰ বাবে বিপজ্জনক বুলি বিবেচিত বিদেশী ৰাষ্ট্ৰৰ পৰা ৰক্ষা কৰিবলৈ লোৱা হৈছে। হোৱাইট হাউছৰ মুখপাত্ৰ এবিগেল জেকচনৰ মতে, ৰাষ্ট্ৰপতি ট্ৰাম্পে তেওঁলোকৰ দেশলৈ আহি তেওঁলোকক ক্ষতি কৰিব বিচৰা বিপজ্জনক বিদেশী লোকৰ পৰা আমেৰিকানসকলক ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি পূৰণ কৰিছে।

# ছত্তীশগড়ৰত শীৰ্ষ মাওবাদী নেতাক এনকাউণ্টাৰ

**ৰায়পুৰ, ৫ জুন:** ছত্তীশগড়ৰ বিজাপুৰ জিলাৰ ইন্দ্ৰাৱতী ৰাষ্ট্ৰীয় উদ্যান এলেকাত বুধবাৰে চিপিআই (মাওবাদী)ৰ কেন্দ্ৰীয় সমিতিৰ এজন সদস্য নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত নিহত হয়। ছত্তীশগড়ৰ এগৰাকী জ্যেষ্ঠ বিষয়াই এই কথা নিশ্চিত কৰিছে। ছত্তীশগড়ত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা এনকাউণ্টাৰত বাসৱৰাজু নামেৰে পৰিচিত নামবালা কেশৱ ৰাও নিহত হোৱাৰ এমাহৰ পাছতে এই ঘটনা সংঘটিত হৈছে। জিলা ৰিজাৰ্ভ গাৰ্ড, বিশেষ টাস্ক ফ'ৰ্চ আৰু অভিজাত কোব্ৰা ইউনিটৰ যৌথ দলে চলোৱা এই অভিযান অঞ্চলটোৰ জ্যেষ্ঠ মাওবাদী নেতাসকলৰ গতিবিধিৰ বিষয়ে নিৰ্দিষ্ট চোৰাংচোৱাৰ ভিত্তিত কৰা বুলি বাস্তাৰ আৰক্ষীয়ে এক বিবৃতিত দাবী কৰিছে। বিষয়াসকলৰ মতে, চোৰাংচোৱাৰ তথ্যই অঞ্চলটোত সুধাকৰৰ উপৰিও তেলেংগানা ৰাজ্যিক সমিতিৰ সদস্য বন্দী প্ৰকাশ আৰু দণ্ডকাৰ্য বিশেষ খণ্ড সমিতিৰ সদস্য পাপ্পা ৰাওকে ধৰি একাধিক উচ্চ পদস্থ মাওবাদী কেডাৰৰ উপস্থিতিৰ ইংগিত দিয়ে। ছত্তীশগড় আৰক্ষী বিষয়াগৰাকীয়ে দাবী কৰে যে, "ক্ষীপ্ৰতাৰে কাম কৰি মাওবাদী দুৰ্গ বুলি জনাজাত ইন্দ্ৰাৱতী ৰাষ্ট্ৰীয় উদ্যানৰ বনাঞ্চলৰ গভীৰতম অংশত সুসমন্বিত অভিযান আৰম্ভ চলোৱা হৈছিল।"

# বিগত ২৪ ঘণ্টাৰ ভিতৰত ৫৬৪ জন আক্ৰান্ত ক'ভিডত


**নতুন দিল্লী, ৫ জুন:** ভাৰতত পুনৰবাৰ ক'ভিড-১৯ সংক্ৰমণৰ হাৰ বৃদ্ধি পোৱা দেখা গৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে যোৱা ২৪ ঘণ্টাৰ ভিতৰত ৫৬৪ জন নতুনকৈ ক'ভিড-১৯ত আক্ৰান্ত হোৱাৰ তথ্য প্ৰকাশ কৰিছে। বৰ্তমান কৰ্তৃপক্ষই পৰিস্থিতিক আতংকজনক বুলি নাভাবিলেও হঠাৎ পুনৰুত্থানে সতৰ্কতা বৃদ্ধি আৰু সতৰ্কতামূলক পন্থা গ্ৰহণক উতসাহিত কৰিছে। বৃহস্পতিবাৰে প্ৰকাশ পোৱা শেহতীয়া পৰিসংখ্যাৰ ফলত দেশৰ মুঠ সক্ৰিয় ৰোগীৰ সংখ্যা ৪,৮৬৬ জনলৈ বৃদ্ধি পাইছে। এই সময়ছোৱাত ক'ভিড-১৯ আক্ৰান্ত সাতজন লোকৰ মৃত্যুৰ বাতৰি পোৱা গৈছে। ইয়াৰে এজন পাঁচ বছৰীয়া শিশু যি পূৰ্বতে থকা উশাহ-নিশাহৰ সমস্যাত ভুগি আছিল। ২০২৫ চনৰ ১ জানুৱাৰীৰ পৰা প্ৰায় ৪৪ জন লোক মৃত্যুৰ সময়ত ক'ভিড-১৯ পজিটিভ আছিল।

## ৮৮ বছৰ বয়সত স্নাতক ডিগ্ৰী

**নিউয়ৰ্ক, ৫ জুন:** অৱশেষত কলেজৰ স্নাতক হোৱাৰ আজীৱন সপোন পূৰণ কৰিলে এগৰাকী ৮৮ বছৰীয়া মহিলাই। ছয় দশক পূৰ্বে জোৱান আলেকজেণ্ডাৰক সেই সময়ত গৰ্ভৱতী হোৱাৰ বাবে এই কামত বাধা দিয়া হৈছিল। দ্য নিউয়ৰ্ক পোষ্টৰ এক প্ৰতিবেদন অনুসৰি তেওঁ এতিয়া শিক্ষাত বিজ্ঞান শাখাত স্নাতক ডিগ্ৰী লাভ কৰিছে। তেওঁ ১৯৫০ চনৰ আৰম্ভণিতে মেইন বিশ্ববিদ্যালয়ৰ ছাত্ৰী আছিল। ১৯৫৯ চনত কলেজৰ ডিগ্ৰী লাভ কৰিব লাগিছিল যদিও একে সময়তে গৰ্ভৱতী হৈ থকা বাবে তেওঁক পৰীক্ষাত বহিবলৈ দিয়া হোৱা নাছিল।

# ৰাম মন্দিৰৰ দ্বিতীয়টো 'প্ৰাণ প্ৰতিষ্ঠা' অনুষ্ঠান সম্পন্ন

**অযোধ্যা, ৫ জুন:** অযোধ্যাৰ ৰাম মন্দিৰত আজি দ্বিতীয়টো 'প্ৰাণ প্ৰতিষ্ঠা' অনুষ্ঠান অনুষ্ঠিত হয়।অনুষ্ঠানৰ সময়ত শ্ৰীৰাম জনমভূমি কমপ্লেক্সত ৰাম আৰু অন্যান্য দেৱতাৰ মূৰ্তি স্থাপন কৰা হয়। ২০২৪ চনৰ জানুৱাৰী মাহত অনুষ্ঠিত হোৱা উদ্বোধনী প্ৰাণ প্ৰতিষ্ঠাৰ পাছত দ্বিতীয় প্ৰাণ প্ৰতিষ্ঠাই এক উল্লেখযোগ্য মাইলৰ খুঁটি



হিচাপে চিহ্নিত হৈছে। ৩ জুনৰ পৰা আৰম্ভ হোৱা দ্বিতীয় প্ৰাণ প্ৰতিষ্ঠাৰ উৎসৱৰ আজি সামৰণি পৰে।উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথেও প্ৰাণ প্ৰতিষ্ঠাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। আজিৰ কাৰ্যসূচীত ৰাম দৰবাৰকে ধৰি ৮টা প্ৰতিমূৰ্তি স্থাপন কৰা হয়, য'ত মা সীতা, হনুমান আৰু ভগৱান লক্ষ্মণৰ প্ৰতিমূৰ্তি অন্তৰ্ভুক্ত।

# নগাঁৱৰ পথৰ কদৰ্য ৰূপ অতিষ্ঠ মহিলাৰ চমুৱাগাঁৱত তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, বেবেজীয়া, ৫ জুনঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ অন্যতম গুৰুত্বপূৰ্ণ পথ হৈছে ডিমৌ-ৰাইদঙীয়া সংযোগী গড়কাপ্তানী পথটি। অসমীয়া কলা-কৃষ্টি-সাহিত্য-সংস্কৃতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ইতিহাস বিজড়িত শ্ৰীশ্ৰী বটদ্ৰৱা থানলৈ অহা-যোৱা কৰাৰ ক্ষেত্ৰত অতীজৰে পৰা নামনি অসমৰ ৰাইজে সততে "বৰদোৱা বাইপাছ" ৰূপে ব্যৱহাৰ কৰি আহিছে এই পথটি । কিন্তু নগাওঁ গ্ৰাম্য পথ সংমণ্ডলৰ অধীনস্থ অতি গুৰুত্বপূৰ্ণ এই পথটো মেৰামতিৰ অভাৱত ক্ৰমান্বয়ে জহিখহি যাবলৈ ধৰিছে । আনকি, শেহতীয়াভাবে হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পথটোৰ ঠায়ে ঠায়ে পানী জমা হৈ যাতায়াতৰ অনুপযোগী হৈ পৰাত যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিবলগীয়াত পৰিছে । বৰ্তমান অতি গুৰুত্বপূৰ্ণ পথটোৰ খৌৱামুচৰ-বৰডুবীয়া প্ৰাথমিক বিদ্যালয়ৰ সন্মুখৰ পৰা শেতালি চাৰিআলিলৈকে অংশছোৱাৰ পকীবোৰ বখলা-বখলে এৰি গৈ বৰ্তমান বোকা-পানীৰে উপচি পৰি একেবাৰে শোচনীয় হৈ পৰিছে । ইয়াৰে



শেতালি, জামুগুৰি, চমুৱাগাঁও, কোঁচৰগাঁও, ভৰালীচুক, ব্ৰাহ্মনগাঁও, ক্ষেত্ৰীগাঁও, গান্ধী পথাৰ, চাউলখোৱা, চকলাঘাট চাৰিআলিৰ অংশবোৰত অসংখ্য সৰু-বৰ গাঁতৰ সৃষ্টি হৈছে । ঠায়ে ঠায়ে পথটোৰ অৱস্থা ইমানেই শোচনীয় যে পথ নে পথাৰ ধৰিবই নোৱাৰি। আনকি গান্ধীজী প্ৰাথমিক বিদ্যালয়, হাতীচোং ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ওচৰত তথা কোঁচৰগাঁও, চমুৱাগাঁৱৰ নামঘৰৰ সন্মুখত আৰু ব্ৰাহ্মণগাঁও চাৰিআলিত কেইবাটাও পুখুৰী সদৃশ বৃহৎ দ গাঁতৰ সৃষ্টিৰে পথটো একপ্ৰকাৰে যাতায়াতৰ বাবে বিপদজ্জনক হৈ পৰা দেখা গৈছে । সেয়ে, পথটোৰ এনে কদৰ্য ৰূপৰ বাবে জীয়াতু ভুগি অহা জিলাখনৰ হাতীচোং অঞ্চলৰ চমুৱাগাঁৱৰ মহিলা তথা ৰাইজে বৃহস্পতিবাৰে পথ অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য, বিগত ৩-৪ বছৰে কেৱল জোখ-মাখ আৰু দুবছৰৰ আগত জামুগুৰি চাৰিআলিত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে আধাৰশিলা স্থাপন কৰাৰ পিছতো আজিলৈকে শিলগুটি এটিও নপৰা এই পথটোৰ জৰাজীৰ্ণ অৱস্থাত অতিষ্ঠ হৈ এইদৰে চমুৱাগাঁৱৰ মহিলাসকল আৰু ৰাইজে পথ অৱৰোধ কৰিবলৈ বাধ্য হয়। প্ৰতিবাদকাৰী সকলে বিভিন্ন শ্ল'গান দি পৰিবেশ উত্তাল কৰি তোলাৰ অন্তত চৰকাৰ তথা সংশ্লিষ্ট বিভাগক একপ্ৰকাৰে হুমকিয়াই দি যদিহে পথছোৱাৰ সোনকালে মেৰামতি কৰা নহয় তেতিয়াহ'লে এই অৱৰোধ ধাৰাবাহিকভাবে চলাই থকা হ'ব আৰু ইয়াৰ পিছতো চৰকাৰৰ একো সঁহাৰি নাপালে চমুৱাগাঁৱৰ ১ নং আৰু ২ নং চাৰিআলিৰ মাজেৰে যিকোনো যান-বাহনৰ যাতায়াত অনিৰ্দিষ্ট কাললৈ বন্ধ কৰি দিয়া হ'ব বুলি হুংকাৰ প্ৰদান কৰে।

# মাজুলীত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ

**ই-সংবাদ বিশেষ, মাজুলী, ৫ জুনঃ** মাজুলী জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত আৰু মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সহযোগত আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। মাজুলী জিলা চিকিৎসালয় আৰু পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ পূৰ্ণ সহযোগত দিনজোৰা কাৰ্যসূচীৰে উক্ত বিশ্ব পৰিৱেশ দিৱস ৰূপায়ণ কৰা হয়। পৰিৱেশ দিৱস উপলক্ষে আজি মাজুলী চিভিল ডিফেন্সৰ দুই শতাধিক কৰ্মীয়ে প্ৰথমে শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী মাজুলী জিলা চিকিৎসালয় প্ৰাংগণত পৰিৱেশ পৰিষ্কৰণ কাৰ্যসূচী ৰূপায়ন কৰে। উক্ত কাৰ্যসূচী উদ্বোধন কৰে মাজুলী জিলা চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত অধীক্ষক ডাঃ মাণিক মিলিয়ে। কাৰ্যসূচী চিভিল ডিফেন্সৰ স্বেচ্ছাসেৱকসকলে আজি নৱনিৰ্মিত মাজুলী জিলা আয়ুক্ত কাৰ্যালয়, শংকৰদেৱ শিশু বিদ্যা নিকেতন, গড়মূৰ পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় আৰু পীতাম্বৰ দেৱগোস্বামী মহাবিদ্যালয়ত চলোৱা হয়। পৰিৱেশ দিৱস উপলক্ষে আজি পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ মাজুলী জিলাৰ সচিব চানদীপ কৌশিকে গছপুলি ৰোপণ কৰে। দুপৰীয়া এঘাৰ বজাৰপৰা পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতৰ সভাপতিত্বত এখন সজাগতা সভা অনুষ্ঠিত হয়। মাজুলী জিলা চিভিল ডিফেন্সৰ ডিভিজনেল ৱাৰ্ডেন তথা প্ৰবক্তা ৰমেশ চন্দ্ৰ শইকীয়াই আঁতধৰা উক্ত সজাগতা সভাত সমল ব্যক্তি হিচাপে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব চানদীপ কৌশিক আৰু মাজুলী জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ জিলা আঁচনি বিষয়া দিব্যজ্যোতি শইকীয়াই পৰিৱেশ সন্দৰ্ভত তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। কাৰ্যসূচীত বিদ্যালয়ৰ শিক্ষক যদু কলিতা, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ স্বেচ্ছাসেৱক অতুল গাম, ছাত্ৰী অলিম্পিকা হাজৰিকা, হৰিদেৱ কমান, বাস্তৱ পেগু আৰু বিউতি হাজৰিকাই ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানতে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মাজুলী জিলা চিভিল ডিফেন্সৰ উদ্যোগত অনুষ্ঠিত হোৱা ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে প্ৰবক্তা যদু কলিতাই।

# মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস উদযাপন

**ই-সংবাদ, মৈৰাবাৰী, ৫ জুনঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক সচেতনতামূলক কাৰ্যসূচী আয়োজিত হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে হাতে হাতে বিভিন্ন শ্লোগানযুক্ত পোষ্টাৰ লৈ পৰিৱেশ সংৰক্ষণ আৰু ধঁপাতবিৰোধী বিশাল সমদল উলিয়ায়। এই কাৰ্যসূচীত মৰিগাঁও জিলা ধঁপাত নিয়ন্ত্ৰণ কোষৰ নডেল বিষয়া ড° জয়া বড়ো বিশেষ অতিথিৰূপে উপস্থিত থাকি গলপুলি ৰূপায়নৰ মাধ্যমে ধঁপাতৰ ক্ষতিকাৰক দিশসমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনা কৰে। কাৰ্যসূচীৰ আৰম্ভণিতে বিদ্যালয়ৰপৰা সজাগতাৰ উদ্দেশ্যে এক বিশাল সমদল উলিওৱা হয়, য'ত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। পিছলৈ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ আৰু ধঁপাত নিয়ন্ত্ৰণ সন্দৰ্ভত এক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ জৰিয়তে পৰিৱেশ সংৰক্ষণৰ গুৰুত্ব আৰু ধঁপাতৰ অপকাৰিতাৰ বিষয়ে জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি হ'ব বুলি উল্লেখ কৰে আমন্ত্ৰিত অতিথিগৰাকীয়ে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# কাকৈজানা ছিনিয়ৰ বেছিক স্কুলত বিশ্ব পৰিৱেশ দিৱস পালন

**ই-সংবাদ, অভয়াপুৰী, ৫ জুনঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী সম-জিলাৰ অধীনস্থ বিভিন্ন স্থানৰ লগতে কাকৈজানা ছিনিয়ৰ বেছিক স্কুলত আৰণ্যক পশ্চিম অসম মণ্ডলৰ উদ্যোগত আৰু অভয়াপুৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগ তথা ইক' ক্লাবৰ সহযোগত 'বিশ্ব পৰিৱেশ দিৱস' উদ্‌যাপন কৰে। বঙাইগাঁও জিলা আয়ুক্ত নৱদীপ পাঠকে পৰিবেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰা অনুষ্ঠানত অভয়াপুৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ অধ্যাপক অশোক দাসে বিষয়বস্তুৰ লগত সংগতি ৰাখি দিয়া ভাষণত ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সংৰক্ষণ আৰু প্ৰদূষণ নিৰ্মূলকৰণৰ ক্ষেত্ৰত মানৱ সমাজৰ ভূমিকা সম্পৰ্কেও আলোকপাত কৰে। ইপিনে সৰ্প মানৱ খ্যাত হৰোমহন ৰাভা আৰু সঞ্জীৱ ৰায়ে সৰ্পদংশনৰ ওপৰত সজাগতামূলক বক্তব্য দিয়ে। ইপিনে বিদ্যালয়ৰ চৌপাশে গছপুলি ৰোপণ কাৰ্যসূচীত বঙাইগাঁও জিলা আয়ুক্ত, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে অংশ লয়।

# বৰছলাত আটক মহিলা ড্ৰাগছ সৰবৰাহকাৰী

**ই-সংবাদ, লাহৰীঘাট, ৫ জুনঃ** মৰিগাঁও জিলাৰ বিভিন্ন স্থানত আৰক্ষীয়ে অব্যাহত ৰাখিছে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে নিৰন্তৰ অভিযান।তেনে সময়তেই বৰছলাত পুনৰ আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই ড্ৰাগছসহ এগৰাকী মহিলাক আটক কৰে। ১ নং বৰছলাত মৰিগাঁও আৰক্ষী বিশেষ শাখাৰ আৰু বৰছলা আৰক্ষীয়ে এক নিৰ্ভৰযোগ্য খবৰৰ ভিত্তিত বুধবাৰে নিশা এক মহিলা ড্ৰাগছ সৰবৰাহ কাৰীক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন ধৃত মহিলা ড্ৰাগছ সৰবৰাহ কাৰী গৰাকী নাম ৰাশিদা খাতুন (৩০) বুলি জানিব পৰা গৈছে।ধৃত মহিলা গৰাকীৰ পৰা সন্দেহ যুক্ত ড্ৰাগছ ভৰ্তি ২২ টা প্লাষ্টিক কন্টেইনাৰৰ লগতে ৪৪০০টকা নগদ ধন জব্দ কৰে। বৰ্তমান ধৃত মহিলা ড্ৰাগছ সৰবৰাহকাৰী টো পৰা অধিক তথ্য আহৰণৰ বাবে বৰছলা আৰক্ষী জিম্মাত সোধা-পোছা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# সদৌ অসম বাতৰি কাকত বিতৰণ সন্থাৰ সম্পাদক বিপ্লৱ শৰ্মাৰ বাসগৃহত শোকসভা

**ই-সংবাদ, দুনী, ছিপাঝাৰ, ৫ জুনঃ** যোৱা ১ জুনত আকস্মিকভাৱে মৃত্যুক আঁকোৱালি লোৱা সদৌ অসম বাতৰি কাকত বিতৰণ সন্থাৰ সম্পাদক তথা নলবাৰী জিলাৰ চামতাস্থিত হাতীৰপিঠি গাঁৱৰ বিপ্লৱ শৰ্মাৰ বাসভৱনত ৪ জুনত সদৌ অসম বাতৰি কাকত বিতৰক সন্থাৰ বিষয়ববীয়া আৰু ছিপাঝাৰ আঞ্চলিক বাতৰি কাকত বিতৰক সন্থাৰ সদস্যসকল উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰাৰ লগতে এখন শোকসভা অনুষ্ঠিত কৰে। সদৌ অসম বাতৰি কাকত বিতৰক সন্থাৰ সহঃ সম্পাদক মানসজ্যোতি বৰুৱাই আঁতধৰা সভাখনত কেন্দ্ৰীয় সাংগঠনিক সম্পাদক নিপেন ডেকা, প্ৰয়াত বিপ্লৱ শৰ্মাৰ পিতৃ ভূপেন শৰ্মা প্ৰমুখ্যে কেবাগৰাকীও ব্যক্তিয়ে প্ৰয়াত বিপ্লৱ শৰ্মাৰ জীৱন সম্পৰ্কে আলোকপাত কৰে। উক্ত সভাতেই প্ৰয়াত বিপ্লৱ শৰ্মাৰ পত্নী অনামিকা দেৱী, দুই কন্যা বৃষ্টি কাশ্যপ আৰু সৃষ্টি কাশ্যপৰ হাতত ছিপাঝাৰ আঞ্চলিক বাতৰি কাকত বিতৰক সন্থাৰ পৰা সংগৃহীত এটি আৰ্থিক সাহায্য প্ৰদান কৰা হয়। উল্লেখ্য যে আৰ্থিক সাহায্য প্ৰদানৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াই ক্ৰমে



ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্ৰাক্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মা, ছিপাঝাৰৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, যুৱ সমাজকৰ্মী বনমালী শৰ্মা, জিলা পৰিষদৰ সদস্য হেমন্ত ডেকা আৰু বিশিষ্ট সমাজকৰ্মী ৰানা বশিষ্ঠই। ছিপাঝাৰ আঞ্চলিক বাতৰি কাকত বিতৰক সন্থাৰ সভাপতি গোলাপ কলিতা, জ্যেষ্ঠ বিতৰক প্ৰকাশ চহৰীয়া, ভৱেন হাজৰিকা, গৌতম কলিতা উপস্থিত থকা সভাখনত দৰিদ্ৰতাৰে সৈতে যুঁজি থকা প্ৰয়াত বিপ্লৱ শৰ্মাৰ পৰিয়ালটোক চৰকাৰীভাৱে আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ চৰকাৰক অনুৰোধ জনায়।

# তুলুঙীয়াৰ পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস

**ই-সংবাদ, অভয়াপুৰী, ৫ জুনঃ** ৰাজ্যখনৰ লগতে বঙাইগাঁও জিলাৰ অভয়াপুৰী সম-জিলাৰ অধীনস্থ বিভিন্ন স্থানতো আজি বিশ্ব পৰিবেশ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে । পৰিবেশ দিৱস উপলক্ষে বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে উত্তৰ শালমাৰাৰ তুলুঙীয়াস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট, প্ৰাণী বিজ্ঞান বিভাগ আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত 'বিশ্ব পৰিৱেশ দিৱস' উদ্‌যাপন কৰে । দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ ব্যৱস্থাপনা বিভাগৰ মুৰব্বী অধ্যাপক তথা ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যক্ৰম বিষয়া ড° পৰাগ পাচনিয়ে। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ফটিক চন্দ্ৰ কলিতাই বিষয়বস্তুৰ লগত সংগতি ৰাখি দিয়া ভাষণত ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সংৰক্ষণ আৰু প্ৰদূষণ নিৰ্মূলকৰণৰ ক্ষেত্ৰত মানৱ সমাজৰ ভূমিকা সম্পৰ্কেও আলোকপাত কৰে। দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যিক ভিত্তিত আয়োজন কৰা অনলাইন ৰচনা লিখা প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫০ জনৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰথম শাখাত বঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মিলিন্দ কুমাৰ আৰু সন্দিকৈ ছোৱালী মাবিদ্যালয়ৰ অৰ্শিতা বণিকে ক্ৰমে প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰে। একেদৰে দ্বিতীয় শাখাত বৰহোলা মহাবিদ্যালয়ৰ নৱজ্যোতি নেওগে প্ৰথম স্থান, নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ইন্তিছাৰ ৰেহানে দ্বিতীয় স্থান আৰু তৃতীয় স্থান যুটীয়াভাৱে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ জ্যোতিষময় গগৈ আৰু নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ আৰ্হি বৰুৱাই লাভ কৰে। ইপিনে পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰী বেবীশিখা চৌধুৰীক বিচাৰকৰ বিশেষ বঁটা প্ৰদান কৰে। তেনেদৰে দিনটোৰ তাৎপৰ্যৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ চৌপাশে গছপুলি ৰোপণ কাৰ্যসূচীত অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে অংশ লয়।

# ইৰি ধান চপাব নোৱাৰি মূৰে-কপালে হাত অভয়াপুৰীৰ কৃষকৰ

**ই-সংবাদ, অভয়াপুৰী, ৫ জুনঃ** এপষেক ধৰি হোৱা বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ আৰু মানাহ নৈৰ জলপৃষ্ঠ বৃদ্ধি হোৱাৰ পৰিণতিতে বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাৰ বিস্তীৰ্ণ এলেকা আকস্মিকভাৱে বানৰ কবলত পৰাত বহু কৃষকে পকা ইৰি ধান চপাব নোৱাৰি মূৰে-কপালে হাত দিবলগীয়া হৈছে। জানিব পৰা মতে, অভয়াপুৰী সমজিলাৰ অন্তৰ্গত মালেগড়, তিনিকোণীয়া, গোবিন্দপুৰ, পাচনীয়াৰ মোহনপুৰ, বৰঝানা, আৰিমাৰা, ঔডুবী আদি অঞ্চলৰ বিস্তীৰ্ণ কৃষিভূমি বাঢ়নী পানীৰ কবলত পৰিছে। উল্লেখ্য যে বিগত সময়ছোৱাত নেৰানেপেৰা বৰষুণৰ ফলত বহু কৃষকে ইৰি ধানৰ খেতি নচপাই বতৰ ফৰকাল হোৱাৰ অপেক্ষাত থকাৰ পৰিণতিতে আকস্মিক বানত বহু কৃষকৰ সপোন ধূলিসাৎ হৈ পৰে। বহু কৃষকে ধান চপাইছিল যদিও বতৰে বিধি-পথালি দিয়াত আহুকালত পৰিবলগীয়া হয়। অঞ্চলবোৰৰ মৰাপাটৰ খেতিও বানৰ কবলত পৰি বুৰ যোৱাত বিনষ্ট হোৱাৰ সম্ভাৱনাই দেখা দিছে। আনপিনে মালেগড়ৰ সাধুপাৰাৰ একমাত্ৰ পথটো বানত বুৰ যোৱাত জলবন্দী হৈ পৰিছে গাঁওবাসী।

# পশ্চিম দৰঙত বিশ্ব পৰিৱেশ দিৱস পালন

**ই-সংবাদ, দুনী, ৫ জুনঃ** পশ্চিম দৰঙৰ বিভিন্ন স্থানত ৫ জুন বিশ্ব পৰিবেশ দিৱসটি বৰ্ণাধ্য কাৰ্যসূচীৰে পালন কৰা হয়। বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি দৰঙৰ বৰমপুৰৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান 'বৰ্তমান আৰু ট্ৰাই ট্ৰাষ্টৰ উদ্যোগত আজি ২৯১ নং পোটা প্ৰাথমিক বিদ্যালয়ত বিশ্ব পৰিবেশ দিৱসটি দিনজোৰা কাৰ্যসূচী পালন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা বন্তি প্ৰজ্বলন কৰে প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ শৰ্মাই। গছপুলি ৰোপণ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পৰেশ কলিতাই। দিনৰ ১১ বজাত বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা শিশুৰ একাংক নাট প্ৰতিযোগিতা। প্ৰতিযোগিতাৰ মঞ্চ উদ্বোধন কৰে ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ নৱনিৰ্বাচিত সদস্য হাফিজুল হকে। পিছত যুৱ নাট্যকাৰ ৰেজিবুৰ জামান ৰচিত আৰু পৰিচালিত পৰিৱেশ সম্পৰ্কীয় "মুক্ত আকাশ" আৰু "জোনাকৰ পোহৰ" শীৰ্ষক দুখন একাংক নাটৰ লগতে শিক্ষয়িত্ৰী বিনি দেৱী পৰিচালিত গছ ধ্বংস যে কৰিব নালাগে ইয়াৰ ওপৰত নিৰ্বাক একাংক নাট এখনি পৰিৱেশনেৰে শিশুৰ দ্বাৰা একাংক নাট প্ৰতিযোগিতা অনুষ্ঠিত হয়। পিছত পঞ্চায়ত সদস্য বিনয় ডেকাৰ সঞ্চালনাত অনুষ্ঠিত "পৰিৱেশ সজাগতা আৰু আমাৰ দায়িত্ব" শীৰ্ষক বিষয়ৰ ওপৰত মুকলি সভা অনুষ্ঠিত হয়। সভাত অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক মনোৰাম চহৰীয়া, টাইড ট্ৰাষ্ট, দেওমৰনৈ জ'নৰ প্ৰমুখ দুলু কাকতি য়ে মনোজ্ঞ ভাষণ আগবঢ়ায়। সমান্তৰালভাৱে পশ্চিম দৰং আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগতো গছ পুলি ৰোৱাৰ এক কাৰ্যসূচী ৰূপায়ণ কৰে। পশ্চিম দৰং আঞ্চলিক ছাত্ৰসন্থাৰ উদ্যোগত পশ্চিম দৰঙৰ বিভিন্ন অনুষ্ঠানত গছ পুলি ৰোপন কৰি বিশ্ব পৰিৱেশ দিৱস পালন কৰে। উক্ত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বুঢ়া আৰক্ষী চকীৰ চৌহদত গছ পুলি ৰোপণ কৰি। বুঢ়া আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে এটি গছৰ পুলি ৰোপণেৰে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতে পশ্চিম দৰং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নয়নমণি কলিতা, পশ্চিম দৰং প্ৰেছ ক্লাবৰ সম্পাদক লক্ষ্যধৰ শইকীয়া, সাংবাদিক তথা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দৰং জিলা সমিতিৰ প্ৰাক্তন প্ৰচাৰ সম্পাদক ধ্ৰুৱজ্যোতি শৰ্মা, বৰবড়ী-শালিকাঝাৰ গাওঁৰ গাওঁ প্ৰধান শৰৎ ডেকাকে আদি কৰি কেইবাজনো বিশিষ্ঠ ব্যক্তিয়ে একোটাকৈ গছ পুলি ৰোপণ কৰে। উল্লেখ যে দিপীলা ব্যৱসায়ী সন্থায়ো বিশ্ব পৰিৱেশ দিৱসটোত এটা গছ পুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে মুকলি সভাৰো আয়োজন কৰে।



**মৰিগাঁৱত চাইবাৰ অপৰাধীৰ মাটি জব্দ প্ৰশাসনৰ**

# ডিব্ৰুগড় বিজ্ঞান সমিতিৰ পৰিৱেশ দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ৫ জুনঃ** অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাই স্থানীয় মানকটা হাইস্কুলৰ সহযোগত আজি ৫ জুন,বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰে। শাখাৰ সভাপতি ড০ ভাৰতী দত্তই পৌৰোহিত্য কৰা অনুষ্ঠানত আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় সম্পাদক নাছিৰ চুলতানে। এইবাৰৰ থিম -প্লাষ্টিক প্ৰদূষণ সমাপ্ত কৰাৰ ওপৰতো সম্পাদকে আলোকপাত কৰে। অনুষ্ঠানৰ মুখ্য বক্তা বিশিষ্ট পৰিৱেশবিদ তথা সৰ্প বিশেষজ্ঞ টিকেন্দ্ৰজিৎ গগৈক তেওঁৰ গৱেষণামূলক কৰ্মৰ লগতে শিক্ষা, সাহিত্য, সামাজিক দিশত আগবঢ়াই অহা অৱদানৰ বাবে সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ড০ ভাৰতী দত্ত, সুদক্ষিণা দাস আৰু নাছিৰ চুলতান স্বাক্ষৰিত সুদীৰ্ঘ সম্বৰ্ধনা পত্ৰখনি পাঠ কৰে কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাসে। বক্তা টিকেন্দ্ৰজিৎ গগৈয়ে সৰ্পৰ পৰিৱেশ ৰক্ষাত ভূমিকা, ৰক্ষণা -বেক্ষণৰ প্ৰয়োজনীয়তা, সাপৰ শ্ৰেণী বিভাজন আদি সম্পৰ্কত দৃশ্য- শ্ৰব্য মাধ্যমৰ জৰিয়তে ব্যাখ্যা আগবঢ়ায়। প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী , বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, বিজ্ঞান সমিতিৰ বিষয়- ববীয়া উপস্থিত থকা অনুষ্ঠানটিত বক্তাগৰাকীয়ে সৰ্প সম্পৰ্কত প্ৰচলিত বহু ভ্ৰান্ত বিজ্ঞান সন্মত ব্যাখ্যা আগবঢ়ায়। বিষহীন সাপৰ সংৰক্ষণ,বিষধৰ সাপৰ সচেতনতাৰ দ্বাৰা শূন্য দংশনৰ বিষয়ে তেওঁ কয়। ২০২২ চনৰ বন্যপ্ৰাণী সংৰক্ষণ আইন মতে ভাৰতবৰ্ষত বৰ্তমান ৩৫৪ বিধ প্ৰজাতিৰ সাপ আছে ; ইয়াৰে প্ৰথম অনুসূচীত ১৬ টা প্ৰজাতি আৰু দ্বিতীয় অনুসূচীত ৩০০ টা প্ৰজাতি অন্তৰ্ভুক্ত কৰি ৰক্ষণাবেক্ষণ দিছে। মুঠ ছ-বিধহে বিষধৰ সাপ আছে বুলি জানিবলৈ দিয়ে। সভানেত্ৰীয়ে বক্তব্যত বক্তাগৰাকীৰ গভীৰ অধ্যয়নৰ ভূয়সী প্ৰশংসা কৰে আৰু তেওঁৰ গৱষণাৰ কৰ্মৰাজিৰ প্ৰচাৰ প্ৰসাৰৰ পোষকতা কৰে। প্ৰকৃতি- বন্ধু সাপ সম্পৰ্কে সেইদিনাৰ বক্তৃতাই ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিছে বুলি তেওঁ সন্তোষ প্ৰকাশ কৰে।

# ডিব্ৰুগড়ত অৱনী যুৱক সংঘৰ সহযোগত বিশ্ব পৰিৱেশ দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড় ৫ জুনঃ** ডিব্ৰুগড়ত আজি ইৰাৰ কিৰাব, নেচাৰ্ছ কেয়াৰ এণ্ড ফ্ৰেণ্ড লেডেঁৱীৰ উদ্যোগত অৱনী সংঘৰ প্ৰেক্ষাগৃহত আজি বিশ্ব পৰিৱেশ দিৱস উদ্যাপন কৰা হয়। অনুষ্ঠানত বিভিন্ন অঞ্চলৰ সমল ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগত পৰিৱেশৰ বিভিন্ন দিশত মত বিনিময় কৰে। সভাৰ আৰম্ভণিতে আঁত ধৰোতা হোমেন চাংমায়ে সমল ব্যক্তিসকলক উদ্দেশ্যি আদৰণী ভাষণ আৰু সম্বৰ্ধনা জনায়। এই অনুষ্ঠানত বিশেষকৈ এই বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয়ভাৱে এণ্ডিং প্ল'ৰেল প্লাষ্টিক পলিউচন বিষয়টি লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূতত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা কল্পনা ডেকা কলিতাই তথ্যচিত্ৰ প্ৰদৰ্শনেৰে ছাত্ৰ -ছাত্ৰীসকলক প্লাষ্টিক, পলিথিন আদি সম্পৰ্কে উপস্থাপন কৰে। লগতে সকলোৰে প্ৰশ্নৰ সমিধান আগবঢ়ায়। এইক্ষেত্ৰত বিশেষভাৱে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হয়। আন এগৰাকী সমল ব্যক্তি সৌমেন্দ্ৰ শইকীয়াই প্ৰকৃতি সংৰক্ষণ সম্পৰ্কত বক্তব্য আগবঢ়ায়। অৱসৰপ্ৰাপ্ত অধ্যাপিকা সুদক্ষিণা দাসে পলিথিনৰ উপকাৰিতা বিষয়ে সকলোৰে লগত মত বিনিময় কৰে। দীপালী শইকীয়াই সামাজিক দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবৰ বাবে উপস্থিত সকলোকে আহ্বান জনায়। ইয়াৰ উপৰি অৱসৰপ্ৰাপ্ত প্ৰৱক্তা টিকেন্দ্ৰজিৎ গগৈয়ে সাপৰ উপকাৰীতা আৰু বিষাক্ত, অবিষাক্ত সম্পৰ্কে অৱগত কৰে। অনুষ্ঠানটিৰ বিশেষ আকৰ্ষণ আছিল মৰাণ টেপৰচালি গাঁৱৰ পক্ষীবিদ, সংৰক্ষক ভৰত বড়া আৰু তেওঁক দুয়োটা উদ্যোক্তা সংগঠনে সম্বৰ্ধনা জনায়। ইতিমধ্যে তেওঁ বিশেষকৈ ধনেশ পক্ষীৰ সংৰক্ষণৰ লগতে চৰাই, পশু আদিৰ আঘাতপ্ৰাপ্ত হ'লে চিকিৎসা প্ৰদান কৰি আৰোগ্য কৰি আহিছে। ঘৰতে আৰোগ্যশালা পাতি বহুতো পশু-পক্ষীক জীৱন দান কৰি আহিছে। এই সম্পৰ্কে তেওঁ বিস্তৃতভাৱে দাঙি ধৰে। ইয়াৰ উপৰি তৰুণ চাংমাইৰ সভাপতিত্বত অনুষ্ঠিত সভাত ডিব্ৰুগড়ৰ শিক্ষক সমীৰ শৰ্মা, গীতিকাৰ প্ৰকৃতিবিদ সত্যেন শৰ্মা, পৱন চাংমাই, মুকুন্দ হাজৰিকা, সুমন চাংমাই আদিয়ে অংশগ্ৰহণ কৰে।

# অভয়াপুৰীত আছুৰ গছপুলি ৰোপণ

**ই-সংবাদ, অভয়াপুৰী, ৫ জুনঃ** বিশ্ব পৰিবেশ দিৱস উপলক্ষে অভয়াপুৰী আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয় আৰু অভয়াপুৰী মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ সন্মুখত সদৌ বঙাইগাঁও জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদ তথা অসম সেনাৰ কেন্দ্ৰীয় আহ্বায়ক ৰিতু কুমাৰ দাসৰ নেতৃত্বত গছপুলি ৰোপণ কৰে। অনুষ্ঠানত অভয়াপুৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মনোজ কুমাৰ বৰুৱা, সাধাৰণ সম্পাদক ত্ৰিদীপ ৰায় আদিয়ে কাৰ্যসূচীত অংশ লয়।

MANUFACTURER OF
ROYAL CONSTRUCTION
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# দৰঙৰ বৃদ্ধ দম্পতীৰ আত্মহননক লৈ শংকৰ সংঘৰ প্ৰতিক্ৰিয়া, আদালতত তৰিব গোচৰ

**ই-সংবাদ, দুনী, ৫ জুনঃ** দৰঙৰ গড়গড়িৰ ভদ্ৰ বৰুৱা আৰু জয়মতী বৰুৱাৰ আত্মহননকলৈ অঞ্চলটোত আজিও অব্যাহত আছে প্ৰতিক্ৰিয়া। সমগ্ৰ বিষয়টোকলৈ পৰিয়ালে শ্ৰীমন্ত শংকৰ সংঘক দোষাৰোপ কৰি ফেইচবুক পেজে প্ৰকাশ কৰা বাতৰিত দুখ প্ৰকাশ কৰাৰ সমান্তৰালভাৱে সংঘই এনে সামাজিক মাধ্যম পৃষ্ঠাৰ বিৰুদ্ধে আদালতত ওচৰ চপাৰো সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে, সংঘৰ অনুগামী ভক্ত বৰুৱা দম্পত্তিৰ জয়মতী বৰুৱা আত্মহনন পূৰ্বে স্হানীয় এক মন্দিৰত গৈছিল আৰু এশ টকাৰ অনুদান দি সেৱা জনাই আহিছিল। এই বিষয়টোকলৈ কালিৰে পৰা আৰম্ভ হয় টনা-আজোৰা। সংঘৰ ভকত হৈয়ো এনে পন্থা লোৱাৰ পাছত মানসিক নিৰ্যাতন পাই চূড়ান্ত পথলোৱা বুলি একাংশই প্ৰকাশ কৰি সামাজিক মাধ্যম উত্তপ্ত কৰিছিল। এই লৈ সংঘৰ ৰাম-কৃষ্ণ শাখাৰ ফালৰ পৰা আজি স্পষ্ট কৰি দিয়া হয় যে, এয়া সত্য নহয় আৰু সংঘৰ কোনো অনুগামীয়েই এনে বিষয়ত জড়িত নাই। বিপৰীতে এনে বিষয় উত্থাপনকাৰীৰ বিৰুদ্ধে আইনী ব্যৱস্হা লোৱাৰহে সিদ্ধান্ত গ্ৰহণ কৰে। আজি এক ভিডিঅ' বাৰ্তাযোগে সংঘৰ স্হানীয় শাখাৰ বিষয়-ববীয়াই বিষয়টো সদৰি কৰে। অৱশ্যে, প্ৰসংগটো বৰুৱা দম্পত্তিৰ নাতিনীৰ ভিডিঅ' বক্তব্যত পোনতে প্ৰকাশ পাইছিল। কোনো পন্হাকে দোষাৰোপ নকৰি কিশোৰী গৰাকীয়ে ককাক, আইতাকে মৃত্যুৰ প্ৰাক মূহুৰ্তত কৰা আলোচনা সদৰি কৰিছিল। ইপিনে, কালিয়েই দৰং আৰক্ষী তথা পাথৰিঘাটৰ সহকাৰী আয়ুক্তই মৃত্যুৰ আঁৰত নিসংগতা আৰু মানসিক অৱস্হাৰ দোহাই দি নিঃসংগতাকেই কাৰণ হিচাবে অভিহিত কৰিছিল। কিন্তু, এচাম লোকে মৌখিকভাৱে আৰু আন একাংশই বিষয়টো সামাজিক মাধ্যমত প্ৰকাশ কৰিহে বিতৰ্কৰ সৃষ্টি কৰিছিল। আজি সাংবাদিক একাংশক বৰুৱা পৰিয়ালে মৃত্যুৰ পাছত আৰু অনাহকত বিতৰ্ক কৰি পৰিয়ালক আঘাত নিদিবলৈ আহ্বান জনাইছে।

## দৰঙৰ বুঢ়াত দুই নিচাসক্তক ৰাইজে গতালে আৰক্ষীক

**ই-সংবাদ, দুনী, ৫ জুনঃ** পশ্চিম দৰঙৰ বুঢ়াত আজি স্থানীয় ৰাইজে ২ নিচাসক্ত যুৱকক কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। দীৰ্ঘদিন ধৰি ৰাইজে বেপাৰীটোক গাঞ্জা বিক্ৰী নকৰিবলৈ সকীয়াই অহাৰ পাছতো ৰাইজক আওকাণ কৰাৰ বাবেই এনে ব্যৱস্থা লয়। উল্লেখ্য যে, বুঢ়াৰ এক বেপাৰীৰ পৰা গাঞ্জা কিনিবলৈ আহোতে স্থানীয় ৰাইজে শালিকাঝাৰ বেজপাৰা আৰু হেঙালপাৰা গাঁৱৰ বেজ আৰু হক উপাধিৰ দুই যুৱকক কৰায়ত্ত কৰে। বুঢ়াৰ পৰেশ হাজৰিকাই দীৰ্ঘদিনৰে পৰা নিজ গৃহতে গাঞ্জা বিক্ৰী কৰি অহাৰ অভিযোগ কৰি ৰাইজে সকীয়াই আহিছিল। কিন্তু, এই সকীয়নিয়ে কাম নিদিয়াত চল চাই আজি গাঞ্জা কিনিব আহোতে হাতেলোটে ৰাইজে কৰায়ত্ত কৰিব সক্ষম হয়। পাছলৈ ৰাইজে বুঢ়া আৰক্ষী চকীকক কৰায়ত্ত সকলোকে চমজাই দিয়ে। একেদৰে, যুৱক দুজনে ব্যৱহাৰ কৰা নম্বৰপ্লেট বিহীন দু-চকীয়া বাহন এখনো জব্দ কৰি আৰক্ষীক গতাই দিয়ে। বুঢ়া আৰক্ষী উক্ত এলেকা বাইহাটা চাৰিআলিৰ বুলি অভিযান নচলায়। একেদৰে বাইহাটাই আকৌ বুঢ়াক ধিয়াই বিষয়টোৰ পৰা আতৰি থাকে।

## বৰমাত বিশ্ব পৰিবেশ দিৱস উপলক্ষে সজাগতা সভা

**ই-সংবাদ, বৰমা, ৫ জুনঃ** বাকসা জিলাৰ বৰমা এম্পায়াৰ একাডেমিত আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অসম প্ৰদুষণ নিয়ন্ত্ৰণ পৰিষদ আঞ্চলিক কাৰ্যালয় কামৰূপৰ উদ্যোগত আৰু গ্ৰীণ গ্লৱেল অসমৰ সহযোগত এক বিশেষ সজাগতা সভাৰ আয়োজন কৰা হয়।বৰমা এম্পায়াৰ একাডেমিৰ পৰিচালনা সমিতিৰ সভাপতি ৰজনী বৰজৌৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ড কামৰূপৰ জ্যেষ্ঠ পৰিবেশ বিষয়া পংকজ কুমাৰ দত্তই উপস্থিত থাকি প্লাষ্টিক ব্যৱহাৰ কৰিব নজনা বাবে মানুহৰ বিভিন্ন অসুবিধা সমূহ আহি পৰিছে বুলি কৈ প্লাষ্টিক জাবৰ-জোঁথৰবিলাক ঘৰৰ পৰা আঁতৰাই পেলাব লাগে বুলি কয়। ইয়াক ঘৰৰ ওচৰত জমা কৰি থলে বা পেলাই দিলে বায়ু প্ৰদুষিত হৈ মানুহৰ ক্ষতি কৰিব পাৰে বুলিও ভাষণ প্ৰসঙ্গ ব্যক্ত কৰে ।তেওঁ পেলোনীয়া জাবৰ জঠৰ, প্লাষ্টিকসমূহ ঘৰৰ ওচৰত জ্বলাই দিব নালাগে বুলি কৈ ইয়াৰ পৰা মানুহৰ অপকাৰহে হয় বুলি কয়। ।তেওঁ পেলোনীয়া প্লাষ্টিকসমূহ বেপাৰীক নিব দিব লাগে বুলি কয় ।আৰু তেতিয়া প্ৰদূষণৰ পৰা মুক্ত থাকিব পাৰিব বুলি কয় ।সভাত বাকসা জিলা পৰিবহণৰ এম ভি আই দিগন্ত ডেকাই উপস্থিত থাকি প্ৰদূষণ আগৰ তুলনাত এতিয়া বহুখিনি কমিছে বুলি কয়। তেওঁ গাড়ীৰ ধোঁৱাৰ পৰাও বায়ু প্ৰদূষণ দুষিত হয় বুলি কয়। আৰু ইয়াক নিৰ্মুল কৰাৰ বাবে ইতিমধ্যে পৰিবহন বিভাগে বিভিন্ন কাৰ্যপন্থা হাতত লৈছে বুলি কয় । ইয়াৰ উপৰি তেওঁ পথ দুৰ্ঘটনাৰ বাবে লব লগা সাৱধানতাৰ ওপৰতো ভাষণ ৰাখে ।সভাত উপস্থিত থাকি সৰ্প উদ্ধাৰকাৰী লৱ কুমাৰ ডেকাই সৰ্প দেখিলে কোনেও ভয় খাব নালাগে বুলি কয় ।তেও বিভিন্ন প্ৰজাতিৰ সৰ্পৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। সৰ্পই কেতিয়াবা কোনো মানুহক কামুৰিলে বেজ বেজালিৰ ওচৰত নগৈ পোনে পোনে ডাক্তৰৰ ওচৰলৈ যাবলৈ কয় ।তেও সাপে কামুৰিলে বেজে ভাল কৰিব নোৱাৰে বুলি কৈ ডাক্তৰেহে সাপে কামোৰা মানুহক ভাল কৰিব পাৰে বুলি কয় ।সভাত উপস্থিত থাকি প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ কাৰ্যবাহী অভিযন্তা মামণি গোস্বামী ,গ্ৰীণ গ্লৱেল ক্লাৱৰ সভাপতি বিশ্বজিৎ শৰ্মা , ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, বাকসা জিলাৰ শৈক্ষিক সমন্বয়ক হিতেশ মেধি, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ বাকসা জিলাৰ জিলা সমন্বয়ক আলকাচ আলীয়ে

## নভা ইংলিছ স্কুলত বিশ্ব পৰিৱেশ দিৱস পালন

**ই-সংবাদ, দুমুনিচকী, ৫ জুনঃ** আজি বিশ্ব পৰিবেশ দিৱসৰ সৈতে সঙ্গতি ৰাখি ছিপাঝাৰস্থ ব্যক্তিগত খণ্ডৰ বিদ্যালয় নভা ইংলিছ স্কুলত দিনজোৰা কাৰ্যসূচীৰে বিশ্ব পৰিবেশ দিৱসটি পালন কৰা হয়। এইবাৰৰ বিশ্ব পৰিবেশ দিৱসৰ বিষয় প্লাষ্টিকৰ পৰা পৃথিৱী বচাওক কথাখিনিৰ সৈতে ৰজিতা খুৱাই ছাত্ৰ ছাত্ৰীসকলক কাগজৰ বেগ তৈয়াৰ কৰা লগতে চিত্ৰাংকণ প্ৰতিযোগিতা আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। ৰাতিপুৱা গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ন কৰেবিদ্যালয়খনৰ অধ্যক্ষ গিৰীশ নাথে। লগতে ছাত্ৰ-ছাত্ৰীসকলক বগা টি-চাৰটত পৰিবেশ ৰক্ষা সম্পৰ্কীয় চিত্ৰ অংকন কৰিবলৈ দিয়া হয়। পৰিচালনসঞ্চালক গুলেনুৰ ইছলাম, উপাধ্যক্ষ ক্ষীৰোদ কুমাৰ বড়া,শিক্ষানুষ্ঠানখনৰ বিষয়া তথা শিক্ষয়ত্ৰী কাকলি চহৰীয়াকে ধৰি উষা ৰাণী নীলাক্ষী শইকীয়া, চবনম চুলতানা চেলিমা চীদদিকা, জেচমিনাৰা বেগম, জেচমিন বেগম ছাইদুল ইছলাম গোলাম মোস্তাফা আমিন আহমেদ, টিকু বেগম ,বনশ্ৰী বৰুৱা বিদ্যালয়ৰ নিৰাপত্তা ৰক্ষী মনোজ নাথ আদিয়ে সকলোখিনি কাৰ্যসূচীত অংশগ্ৰহণ কৰে । পুৰস্কাৰ বিতৰণ কাৰ্যসূচীৰ সামৰণিত অভিভাৱক সকলে নভা ইংলিছ স্কুল কতৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# প্ৰেৰণা সমাজৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বৃক্ষৰোপণ কাৰ্যসূচী

**ই-সংবাদ, দুমুনিচকী, ৫ জুনঃ** শৈক্ষিক, সামাজিক, সাহিত্য তথা সাংস্কৃতিক আদি বিভিন্ন দিশত কাম কৰি অহা সংস্থা প্ৰেৰণা সমাজে আজি কাহিলিপাৰাৰ জনকপুৰত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰে। বৃহত্তৰ কাহিলিপাৰা অঞ্চলৰ জনকপুৰ মহিলাৰ বিশেষ সংস্থাটিয়ে বহু দিনৰ পৰাই বিভিন্ন সামাজিক কামৰ লগত জড়িত হৈ আহিছে। আজি বিশ্ব পৰিৱেশৰ লগত সংগতি ৰাখি প্ৰেৰণা সমাজে সামূহিক চাফাই, বৃক্ষ ৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰে । জনকপুৰ অঞ্চলত এক সেউজ বিপ্লৱ, নিৰ্মল পৰিৱেশ গঢ়াৰ মানেসেৰে সকলোৰে মিলি আজিৰ এই বৃক্ষৰোপণ কাৰ্যসূচী হাতত লৈছে। উল্লেখ্য যে প্ৰেৰণা সমাজ হৈছে জনকপুৰ অঞ্চলৰ জ্যেষ্ঠ মহিলাৰে সংগঠিত এনে এটি অনুষ্ঠান যিয়ে সমাজৰ প্ৰতিটো স্তৰতে কাম কৰি আহিছে। জনকপুৰৰ নামঘৰ পথত আয়োজন কৰা আজিৰ অনুষ্ঠানত অৰ্ধশতাধিক বিভিন্ন প্ৰকাৰৰ মূল্যৱান বৃক্ষ ৰোপণ কৰে । স্বাস্থ্যজনিত সমস্যাৰ বাবে প্ৰেৰণা সমাজৰ মুখ্য সম্পাদিকা অৰণী গোহাঁইৰ অনুপস্থিতিত উপ-সভাপতি ৰাণু দাধৰা আৰু সহঃ সম্পাদিকা দ্বয় ক্ৰমে সুশীলা তালুকদাৰ আৰু প্ৰেমলতা ফুকনে আজিৰ বৃক্ষৰোপণ কাৰ্যসূচীত বিশেষভাৱে নেতৃত্ব লয়। তদুপৰি বৃক্ষৰোপণ কাৰ্যসূচীত প্ৰেৰণা সমাজৰ কোষাধ্যক্ষ অঞ্জলী চুতীয়াৰ লগতে বিজু বৰুৱা, ৰাণীপ্ৰভা দেৱী, তৰু ভুঞা, গোলাপী মেধি, নিহাৰ নাজিৰ উপস্থিত থাকে।

# কুৰুৱা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ত বিশ্ব পৰিৱেশ দিৱস

**ই-সংবাদ, দুমুনিচকী, ৫ জুনঃ** আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে উত্তৰ কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত ছিপাঝাৰৰ কুৰুৱা আঞ্চলিক বন বিষয়া কাৰ্যালয়ত এক গছপুলি ৰোপন কাৰ্যসূচী ৰূপায়ন কৰা হয় । আনহাতে কুৰুৱা আঞ্চলিক বন বিষয়া পৰিস্মিতা শৰ্মাৰ নেতৃত্বত বন বিভাগে কুৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ মাজত মূল্যবান গছপুলি বিতৰণ কৰে। ইফালে পঞ্চায়ত কাৰ্যলয় , সাহিত্য মনীষী উপবনৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত গছপুলি ৰোপন কৰাৰ লগতে ৰাইজৰ মাজত বিতৰণো কৰা হয় । ইপিনে গছপুলি ৰোপণেৰে পৰিবেশ ৰক্ষাৰ ক্ষেত্ৰত এক বৃহৎ ভূমিকা লৈ থকাৰ কথা উল্লেখ কৰি জনসাধাৰণক গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায় কুৰুৱা আঞ্চলিক বন বিষয়া পৰিস্মিতা শৰ্মাই। আজিৰ কাৰ্যসূচীত কুৰুৱা পঞ্চায়তৰ ৱাৰ্ড সদস্য সংগীতা শইকীয়া, কুৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু একাংশ স্থানীয় বিশিষ্ট ব্যক্তি তথা বন বিভাগৰ কৰ্মচাৰীবৃন্দ উপস্থিত থাকে।

# প্ৰদূষণ শূণ্য আৱৰ্জনাৰ সপোন নলবাৰীৰ পংকজ লোচনৰ

**ই-সংবাদ, নলবাৰী, ৫ জুনঃ** অবিভক্ত নলবাৰী জিলা সম্প্ৰতি তামুলপুৰ জিলাৰ বগামাটিত দ্য গ্ৰীন গ্ল'বেল " ষ্টপ পলুউচন, জিৰো ৱেষ্ট চলুচন"ৰ শুভৰাম্ভণিৰে আজি উদযাপন কৰে বিশ্ব পৰিৱেশ দিৱস। সংস্থাটোৰ এই কাৰ্য্যসূচী উদ্বোধন কৰে তামোলপুৰ জিলাৰ জিলা উপায়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে । উল্লেখযোগ্য যে দ্য গ্ৰীন গ্ল'বে বগামাটি অঞ্চলত তেওঁলোকৰ "এজোপা গছ হাতীৰ বাবে "কাৰ্যসূচীয়ে ৰাইজৰ মাজত বিশেষ সমাদৰ লাভ কৰা দেখা গৈছে। আজি বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি সংস্থাটোৱে বগামাটি অঞ্চলৰ পৰা প্ৰদুষণ মুক্ত চিন্তাৰ এক পাতনি মেলে। দ্য গ্ৰীন গ্ল'বৰ সমন্বয়ক পংকজ লোচন ডেকাৰ চিন্তা আৰুপৰিকল্পনাৰে" প্ৰদূষণ ৰোধ, শূণ্য আৱৰ্জনা সমাধান " অভিযান আজিৰে পৰা বগামাটিৰবাকবিৰ পৰা পাতনি মেলে । আজি সংস্থাটোৱে বগামাটি বনভোজস্থলীৰ অত তত পৰি থকা প্লাষ্টিক আৰু আইনাৰ ভঙা বটলৰ অংশবোৰ উঠোৱা কাম আৰম্ভ কৰে । তেওলোকৰ লগত এছ এছ বি ২৪ বেটেলিয়নৰ গুৱাবাৰী বি অ' পি ৰ বিষয়া আৰু জোৱান সকলৰ লগতে স্থানীয় বেচৰকাৰী সংস্থা ডাউৰায়ঝাৰ ইক'টুৰিজিম ছ'চাইটি, গ্ৰীণ ট্ৰেক এণ্ড এডভেঞ্চাৰ আৰু গেৰেমছা এন জি অ'ই সহযোগিতা আগবঢ়ায় আছে। দ্য গ্ৰীন গ্ল'বৰ সমন্বয়ক পংকজ লোচন ডেকাই জনাই যে উক্ত কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী তথা সমাজৰ বিভিন্ন স্তৰত প্ৰদূষণ ৰোধ তথা শূণ্য আৱৰ্জনাৰ ধাৰণা বিকশিত কৰাৰ দিশত সংস্থাটোৱে ব্যাপক সজাগতামূলক কাৰ্য্যসূচী চলোৱাৰ পৰিকল্পনা হাতত লৈছে। আজিৰ কাৰ্য্যসূচীত উপস্থিত থাকে, তামুলপুৰ জিলাৰ কাৰ্য্যবাহী সদস্য তথা জন প্ৰতিনিধি ধৰ্ম নাৰায়ণ দাস ,এছ এছ বি ২৪ বেটোলিয়নৰ গুৱাবাৰী বি অ' পিৰ বিষয়া বিনোড কুমাৰ ডাউৰাঝাৰ ইক'টুৰিজিম ছ'চাইটি ৰ ৰবি বড়ো, গেৰেমছা এন জি অ'ৰ, গ্ৰীন ট্ৰেক এণ্ড এডভেঞ্চাৰৰ নৰ্থ জ'ন চেণ্ট্ৰেল ই পি চিৰ মোহন ভট্ট ৰায়, বিশিষ্ট পৰিৱেশ কৰ্মী তিলক বাহাদুৰ ছেত্ৰী, সৰ্প সংৰক্ষক তথা পৰিৱেশ কৰ্মী উদয় বাহাদুৰ ছেত্ৰী , দা গ্ৰীণ গ্ল'ৱৰ ৰাজেশ দত্ত বৰুৱা আৰু পংকজ লোচন ডেকা আৰু প্ৰমোদ কলিতা।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দৰং জিলা সমিতিৰ বিশ্ব পৰিৱেশ দিৱস

**ই-সংবাদ, দুমুনিচকী, ৫ জুনঃ** আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দৰং জিলা সমিতিৰ অন্তৰ্গত আঞ্চলিক সমিতিসমূহে নিজ-নিজ এলেকাৰ ৰাজহুৱা স্থানসমূহত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দৰং জিলা সমিতিৰ কাৰ্যালয়ৰসন্মুখত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত কাৰ্যসূচীত জিলা সমিতিৰ সভাপতি জয়ন্ত শৰ্মা, সাধাৰণ সম্পাদক প্ৰাঞ্জল চহৰীয়া, যুটীয়া সম্পাদক দীনেশ বণিয়া, বিত্ত সম্পাদক অৰূপ চহৰীয়াৰ লগতে যুৱ-ছাত্ৰ পৰিষদৰ সদস্যসকল উপস্থিত থাকে। উক্ত কাৰ্যসূচী ৰূপায়ণৰ অন্ততসভাপতি জয়ন্ত শৰ্মাই আজিৰ পৰা জিলাখনত বৃক্ষ ৰোপণ কাৰ্যসূচী অব্যাহত থাকিব বুলি অবগত কৰাৰ লগতে কেৱল বৃক্ষ ৰোপণ কৰিলেই নহ'ব ৰোপপ কৰা বৃক্ষ বোৰ সংৰক্ষণ কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ বাবে সকলোকে আহ্বান জনায়।



# ডেইটা ১২৮ বিএন চি আৰ পি এফৰ বিশ্ব পৰিবেশ দিৱস পালন

**ই-সংবাদ, বৈঠালাংছু', ৫ জুনঃ** আজি বিশ্ব পৰিবেশৰ উপলক্ষে গুৱাহাটী নুনমাটিস্থিত ডেলটা ১২৮ বিএন কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনী (চিআৰপিএফ)ৰ কামাণ্ডেণ্ট যতিন্দ্ৰ নাথ ৰায়ৰ নিৰ্দেশত আৰু লেঙেৰীস্থিত ইন্সপেক্টৰ ৰাজেন চন্দ্ৰ নাথৰ সহযোগত পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছু'ৰ লেঙেৰীস্থিত লাংপি শিশু বিদ্যা নিকেতনৰ চৌহদত গছপুলি ৰোপণ কাৰ্যসূচী সমাপন কৰা হয়। গছপুলি ৰোপণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি পুৱাই লাংপি শিশু বিদ্যা নিকেতনৰ প্ৰেক্ষাগৃহত এখনি আড়ম্বৰপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হয়। লেঙেৰীৰ চিআৰপিএফ কেম্পৰ চাব ইন্সপেক্টৰ হেমচন্দ্ৰ হালৈয়ে আতঁ ধৰা সভাখনিত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে ইন্সপেক্টৰ ৰাজেন চন্দ্ৰ নাথে। সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰি ভাষণ প্ৰসংগত কয় যে সাম্প্ৰতিক ক্ষণত পৰিস্থিতিতন্ত্ৰৰ অৱক্ষয়ে সমগ্ৰ বিশ্বৰ মানৱ জাতিলৈ অশনি সংকেট কঢ়িয়াই আনিছে। মানৱসৃষ্ট প্ৰদূষণ, বনাঞ্চল ধ্বংস আদিৰ ফলত হোৱা গ্ৰীন হাউছ এফেক্টত বৃদ্ধি হোৱা গোলকীয় উষ্ণতাই সমগ্ৰ বিশ্বখনকে ধ্বংসৰ মুখলৈ লৈ গৈ আছে। এনে পটভূমিতে ৰাষ্ট্ৰসংঘৰ পৃষ্ঠপোষকতাত ১৯৭২ চনৰ ৫ ৰ পৰা ১৬ জুনলৈ ষ্টকহ'মত এখন সন্মিলন অনুষ্ঠিত হয়। বিশ্বৰ ১১৩ খন দেশৰ নেতৃবৰ্গই অংশগ্ৰহণ কৰা এই সন্মিলনত 'মানুহৰ পৰিৱেশ' সম্পৰ্কে বিতংভাৱে পৰ্যালোচনা কৰে। ঔদ্যোগিক উন্নয়নৰ ফলত হোৱা পাৰিৱেশিক ক্ষতি কেনেদৰে ৰোধ কৰিব পাৰি আৰু ভৱিষ্যতৰ ধৰণীখনক কেনেদৰে নৱ প্ৰজন্মৰ বাবে সুৰক্ষিত কৰিব পাৰি, সেই সন্দৰ্ভত সন্মিলনে কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে। ফলস্বৰূপে অৰ্থাৎ ১৯৭৩ চনৰ পৰা প্ৰতি বছৰে ষ্টকহ'ম সন্মিলনৰ বৰ্ষপূৰ্তি ৫ জুন তাৰিখটোত সমগ্ৰ বিশ্বজুৰি 'বিশ্ব পৰিৱেশ দিৱস' হিচাপে পালন কৰিবলৈ লোৱা হয়। এই বছৰৰ অৰ্থাৎ ২০২৫ চনৰ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয়বস্তু হৈছে 'প্লাষ্টিক প্ৰদূষণৰ অন্ত'। এই বিষয়বস্তুৱে প্লাষ্টিক প্ৰদূষণৰ বিশ্বজনীন সংকটৰ সৈতে মোকাবিলা কৰা আৰু জনসাধাৰণক সজাগতা বৃদ্ধি কৰাই মূল উদ্দেশ্য বুলি উপস্থিত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী আৰু অভিভাৱকক স্থলী কৰে। উল্লেখযোগ্য যে-লাংপি শিশু বিদ্যা নিকেতনৰ চৌহদত পাঁচ শ গছপুলি ৰোপণ কৰা হয় । ইয়াৰোপৰি বৈঠালাংছু'ৰে আন চাৰিখন মধ্য আৰু প্ৰাথমিক বিদ্যালয়ত নিম, তামোল, আজাৰ, নাহৰৰ লগতে বিভিন্ন ফল-মূলৰ প্ৰায় পোন্ধৰ শ গছপুলি ৰোপণ কৰে। এই কাৰ্যসূচীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী আৰু অভিভাৱক সকলে সহযোগ আগবঢ়োৱাত লেঙেৰীস্থিত ইন্সপেক্টৰ ৰাজেন চন্দ্ৰ নাথে ভূয়সী প্ৰশংসা কৰি ধন্যবাদ জ্ঞাপন কৰে।

# ভেলেউগুৰিত বিশ্ব পৰিৱেশ দিৱস পালন

**ই-সংবাদ, পুৰণিগুদাম, ৫ জুনঃ** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত লগতে নগাঁও জিলাৰ নৱগঠিত বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চামগুৰিৰ নিজ ভেলেউগুৰি গাঁও পঞ্চায়ত কাৰ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়।কলিয়াবৰ জিলা বিজেপিৰ কৃষাণ মৰ্চাৰ উদ্যোগত পুৰণিগুদাম মণ্ডল বিজেপিৰ সহযোগত আজি পালন কৰা বিশ্ব পৰিৱেশ দিৱস আৰু এখন পৰিৱেশ সজাগতা সভা এখন অনুষ্ঠিত হয়। কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাৰ সঞ্চালনাত অনুষ্ঠিত সজাগতা সভাখনত কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি পাৰ্থ প্ৰতিম হাজৰিকা, কলিয়াবৰ কৃষাণ মৰ্চাৰ সভাপতি বীৰেন শইকীয়া,পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি নিতু মুদৈ, পুৰণিগুদাম জিলা পৰিষদৰ নৱ নিৰ্বাচিত সদস্য মিণ্টু শৰ্মা ভেলেউগুৰি গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত আঞ্চলিক সদস্য জ্যোতি জিমলি মহন্ত, কলিয়াবৰ জিলা যুৱ মৰ্চাৰ সভাপতি লক্ষীৰঞ্জন কাকতিকে ধৰি বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকে।সজাগতা সভা খনত প্ৰদূষণমুক্ত কৰিবলৈ গছপুলি ৰোপণ কৰাৰ লগতে প্লাষ্টিক প্ৰদূষণৰ নিয়ন্ত্ৰণৰ উপায় সমূহৰ ওপৰত অৱলোকন কৰে। সজাগতা সভাখনৰ লগতে ভেলেউগুৰি গাঁও পঞ্চায়তৰ চৌহদত গছপুলি ৰোপণ কৰাৰ লগতে আজি কলিয়াবৰ জিলা বিজেপিৰ উদ্যোগত বিভিন্ন স্থানত তিনি হাজাৰ গছ পুলি ৰোপন কৰা হ'ব বুলি কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাই জানিবলৈ দিয়ে।আনহাতে, চামগুৰি এছ এইছ এম ফ্ল'ৰেন্স একাডেমি তথা বিদ্যালয়খনত আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰে। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি গছ পুলি ৰোপণকে ধৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে বুলি জানিব পৰা গৈছে।

# নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উদযাপন

**ই-সংবাদ, পুৰণিগুদাম, ৫ জুনঃ** আজি বিশ্ব পৰিবেশ দিৱস। পৰিৱেশ সুৰক্ষাৰ লক্ষ্যৰে উদযাপিত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু কলিয়াবৰ সম জিলা প্ৰশাসন আৰু নগাঁও বন বিভাগৰ সহযোগিতাত আজি কলিয়াবৰ সম-জিলাৰ অন্তৰ্গত কামাখ্যা গাঁৱৰ প্ৰায় ২ বিঘা ১ লোচা চৰকাৰী ভূমিত এক বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।বিগত সময়চোৰাত উক্ত অঞ্চলসমূহত বন্যপ্ৰাণীৰ উপদ্ৰৱ তথা মানুহৰ সৈতে বন্যপ্ৰাণীৰ বৰ্ধিত সংঘাত নিৰ্মূল তথা পৰিৱেশ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি আয়োজন কৰা বৃক্ষৰোপণ কাৰ্যসূচীত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ উপস্থিত থাকি তেওঁৰ ভাষণত পৰিবেশ সুৰক্ষাৰ প্ৰতি জিলা প্ৰশাসনৰ দৃঢ় সংকল্পৰ কথা উল্লেখ কৰি কয় যে, পৃথিৱীৰ পৰিৱেশ আজি সংকটৰ সন্মুখীন।বনাঞ্চল হ্ৰাস, বন্যপ্ৰাণীৰ বাসস্থান সংকুচিত হোৱাত মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাতৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে।বিশেষকৈ কলিয়াবৰ অঞ্চলত এইধৰণৰ সমস্যা ইতিমধ্যেই গুৰুতৰ ৰূপ লৈছে। এই সমস্যাৰ দীঘলীয়া সমাধান বিচাৰি জিলা প্ৰশাসনে বন বিভাগৰ সৈতে মিলি বহু পদক্ষেপ ইতিমধ্যেই গ্ৰহণ কৰিছে। আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে, বৃক্ষৰোপণে বনাঞ্চল পুনৰ গঢ়ি তোলাৰ লগতে বন্যপ্ৰাণীৰ বাবে নতুন আশ্ৰয়স্থল সৃষ্টি কৰিব আৰু ইয়াৰ ফলত মানুহ আৰু বন্যপ্ৰাণীৰ মাজৰ সংঘাত কিছু পৰিমানে হ'লেও হ্ৰাস পাব। আজিৰ এই বৃক্ষৰোপন কাৰ্যসূচীত নগাঁৱৰ আঞ্চলিক বন বিষয়া সুহাস কদম, আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, কলিয়াবৰ সমজিলাৰ সম আয়ুক্ত ৰাজ বৰুৱা প্ৰমুখ্যে কৰি জিলা প্ৰশাসন, কলিয়াবৰ সম-জিলা আৰু বনবিভাগৰ বিষয়ববীয়া, সমাজসেৱক, স্বেচ্ছাসেৱী সংগঠন আৰু বহুসংখ্যক স্থানীয় জনসাধাৰণ উপস্থিত থাকে।উল্লেখযোগ্য যে, উক্ত কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি নগাঁও সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু পৰিৱেশ আৰু বন বিভাগৰ সহযোগত "নদীৰ অসুখ" শীৰ্ষক এখন বাটৰ নাট ৰংগালয় নাট্যদলৰ দ্বাৰা প্ৰদৰ্শন কৰা হয়। নগাঁও সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি জিলাখনৰ চামগুৰিৰ চেণ্টাৰ বজাৰত ৰংগালয় নাট্যদলে, ৰূপহীৰ বাছ ষ্টেণ্ডত গান্ধাৰ নাট্যদলে, ধিঙৰ ধিং বজাৰত গান্ধাৰ নাট্যদলে, বটদ্ৰৱাৰ শান্তিজান বজাৰত গান্ধাৰ নাট্যদলে, ৰহাৰ ৰহা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ৰ সমীপৰ ইউ টাৰ্ন নাট্যদলে, নগাঁৱৰ বৰবজাৰৰ বহাগী হোটেলৰ সমীপত ইউ টাৰ্ণ নাট্যদলে আৰু বঢ়মপুৰৰ দৈনিক বজাৰ,পুৰণিগুদামত ৰংগালয় নাট্যদলে বাটৰ নাটক জনসাধাৰণৰ মাজত প্ৰদৰ্শন কৰে।

# চামগুৰিৰ গেৰুৱামুখত জোঁৱায়েকৰ দাৰ ঘাপত আহত শাহু খুলশালী


**ই-সংবাদ, পুৰণিগুদাম, ৫ জুনঃ** নগাঁও জিলাৰ চামগুৰিৰ খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত ২ নং গেৰুৱামুখ গাঁৱত জোঁৱায়েকৰ দাৰ ঘাপত শাহু আৰু খুলশালী আহত হোৱাৰ এক ঘটনা সংঘটিত হৈছে। জানিব পৰা মতে, অগ্নিনিৰ্বাপক বাহিনীৰ কৰ্মচাৰী তামুলপুৰৰ প্ৰণৱ ৰাজবংশী নামৰ যুৱকজনে ছমাহ পূৰ্বে চামগুৰিৰ গেৰুৱামুখ গাঁৱৰ ধৰিত্ৰী শইকীয়া নামৰ যুৱতী গৰাকীক আদালতৰ জৰিয়তে বিবাহপাশত আৱদ্ধ হৈছিল। বিবাহপাশত আৱদ্ধ হোৱাৰ পাছতেই গুৱাহাটীৰ এটা ভাড়া ঘৰত দুয়ো আছিল যদিও পৰৱৰ্তী সময়ত দুয়োৰে মাজত বিবাদৰ সূত্ৰপাত ঘটাত পত্নী ধৰিত্ৰী শইকীয়াই চামগুৰিৰ গেৰুৱামুখৰ মাতৃগৃহত আশ্ৰয় লৈছিল।মাতৃগৃহত থকাৰ সময়তে স্বামী প্ৰণৱৰ অজ্ঞাতে ধৰিত্ৰী মেঘালয়লৈ ফুৰিবলৈ যায়।এই কথা জানিব পাৰি দুয়োৰে মাজত ফোনতে বিবাদৰ সৃষ্টি হয়। ইয়াৰ পাছতে কালি নিশা প্ৰণৱ ৰাজবংশীয়ে পত্নীক নিজৰ লগত নিবলৈ আহি চামগুৰিৰ গেৰুৱামুখৰ পত্নীৰ গৃহত উপস্থিত হয়।সেইসময়ত পত্নীক বিচাৰি নাপাই প্ৰণৱে শাহুয়েক বিউটি শইকীয়া আৰু খুলশালী জ্যোতি শইকীয়াৰ লগত বিবাদৰ সৃষ্টি কৰি হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। পাছত বেৰত থকা এখন দা'লে উপদ্ৰৱ চলাই বুলি শাহুয়েক বিউটি শইকীয়াই অভিযোগ কৰে।দা-খন টনা-আজোৰা কৰাত শাহুয়েক বিউটি আৰু খুলশালীয়েক আহত হয় বুলি জানিব পৰা গৈছে।শাহুয়েকে অভিযোগ কৰা মতে, প্ৰণৱৰ প্ৰথমা পত্নী থকাৰ লগতে দুটি সন্তানো আছে। প্ৰথমা পত্নী থকাৰ পাছতো প্ৰণৱে মিছা প্ৰলোভনেৰে তেওঁৰ জীয়ৰী ধৰিত্ৰীক আদালতৰ জৰিয়তে বিবাহ কৰাইছিল। হুলস্থুলীয়া পৰিৱেশৰ পাছতেই খাটোৱাল থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ প্ৰণৱক আটক কৰি সোধপোছ কৰি আছে বুলি জানিব পৰা গৈছে।

## ভৱানীপুৰ-সৰুপেটাত বিশ্ব পৰিৱেশ দিৱস উদযাপন

**ই-সংবাদ, ভৱানীপুৰ, ৫ জুনঃ** বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভৱানীপুৰ-সৰুপেটা অঞ্চলতো বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী শিক্ষাপ্ৰতিষ্ঠানে দিনজোৰা কাৰ্যক্ৰমণিকাৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰে। সৰুপেটাৰ ঐতিহ্যমণ্ডিত বিদ্যামন্দিৰ হাইস্কুল কৰ্তৃপক্ষই দিনজোৰা কাৰ্যসূচীৰে হাইস্কুল প্ৰাঙ্গণত দিনজোৰা কাৰ্যক্ৰমণিকাৰে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰে। গছপুলি ৰোপণেৰে মুকলি কৰা বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীমৰ্মে ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা, পোষ্টাৰ মেকিং প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পাছতেই পৰিৱেশ সজাগতা সভা সম্পন্ন হয় আৰু উক্ত সভাত প্ৰতিযোগিতাত বিজয়ী প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰা হয়। ইপিনে, বি এইচ বি মহাবিদ্যালয়েও ৰাষ্ট্ৰীয় সেৱা আঁচনি, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ইক' ক্লাৱৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ এডপচন কোষ আৰু সম্প্ৰসাৰণ কোষৰ সহযোগত, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ পৃষ্ঠপোষকতাত ঠেকাস্থিত চাউলীয়াবড়ী উচ্চ মাধ্যমিক বিদ্যালয়ত দিনযোৰা কাৰ্যসূচীৰে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি এক অনুষ্ঠানৰ আয়োজন কৰে।মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰগেম অফিচাৰ ডঃ জাহ্নু ভৰদ্বাজে আঁত ধৰা অনুষ্ঠানটোত বিদালয়ৰ প্ৰধান শিক্ষক তালিব হুছেইনে বি এইচ বি মহাবিদ্যালয়ে এনেদৰে ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কে সজাগতামূলক অনুষ্ঠান আয়োজন কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ নয়নজ্যোতি দাসকে প্ৰমুখ্য কৰি সকলো অধ্যাপক অধ্যাপিকাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ পৰিৱেশ অধ্যয়নৰ ন'ডেল অফিচাৰমানসজ্যোতি দাসে ২০২৫ বৰ্ষৰ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয় প্লাষ্টিক প্ৰদূষণ বন্ধ কৰাৰ সন্দৰ্ভত ভিডিঅ'ৰ মাধ্যমৰে ছাত্ৰ-ছাত্ৰীসকলক উদেশ্য কৰি এক সজাগতামূলক বক্তৃতা প্ৰদান কৰে।
বিদ্যালয়খনৰ প্ৰধান শিক্ষককে প্ৰমুখ্য কৰি ডালিমী দেৱী, ৰঞ্জিত কলিতা,প্ৰদীপ কলিতা আদি আন আন শিক্ষকসকলেও মহাবিদ্যালয়ৰ এন এছ এছ আৰু এন চি চি কেডেটসকলৰ সহযোগত বিদ্যালয়খনৰ বিভিন্ন স্থানৰ লগতে ঠেকা অঞ্চলৰ এটা ৰাজহুৱা নামঘৰৰ প্ৰাংগণতো গছপুলি ৰোপণ কৰে।অনুষ্ঠানটোত মহাবিদ্যালয়ৰ এন চি চিৰ ৬০ নং ছোৱালী বেটেলিয়নৰ চি টি অ' হিৰণ্ময়ী কলিতা আৰু ইক' ক্লাৱৰ সমন্বয়ক ডঃ অপূৰ্ব কুমাৰ বড়ো এ বিশেষ সহায়-সহযোগ আগবঢ়ায় ইয়াৰ উপৰিও মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ উদ্যোগতো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আন এক সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ, উপাধ্যক্ষৰ লগতে ছাত্ৰ-ছাত্ৰীসকল আৰু অধ্যাপক-অধ্যাপিকাসকলে মহাবিদ্যালয় চৌহদৰ বিভিন্ন স্থানত গছপুলি ৰোপণ কৰে। আনপিনে ভৱানীপুৰৰ হেপী ক্লাবে দিনজোৰাকৈ ভৱানীপুৰ-সৰুপেটা অঞ্চলত পৃথকে পৃথকে বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰে।

## চামগুৰিৰ আমনি শিয়ালখাইটিৰ পৰা দুৰ্ধৰ্ষ ডকাইত আটক

**ই-সংবাদ, পুৰণিগুদাম, ৫ জুনঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই এজন দুৰ্ধৰ্ষ ডকাইতক আটক কৰিবলৈ সক্ষম হয়।জানিব পৰা মতে, দীৰ্ঘদিন ধৰি চামগুৰিকে ধৰি নগাঁও জিলাৰ বিভিন্ন অঞ্চলত ত্ৰাসৰ সৃষ্টি কৰা ডকাইতি কাৰ্যৰ মাষ্টাৰ মাইণ্ড হাবিজ ভূঞাক যোৱা নিশা চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে এক গোপন খবৰৰ ভিত্তিত অভিযান চলাই আমনি অঞ্চলৰ শিয়ালখাইটিৰ পৰা আটক কৰে।আৰক্ষীৰ এক সুত্ৰই জানিবলৈ দিয়া মতে, হাবিজ ভূঞা নামৰ দুৰ্ধৰ্ষ ডকাইতজনে ট্ৰাক হাইজেক কৰাৰ উপৰি বিভিন্ন ডকাইতি আৰু চুৰি চক্ৰৰ লগত জড়িত আছিল।দুৰ্ধৰ্ষ ডকাইতজনৰ ওপৰত নগাঁও জিলাৰ বিভিন্ন থানাত বহুকেইটা গোচৰ ৰুজু হৈ আছে বুলি আৰক্ষীৰ এক সুত্ৰই জানিবলৈ দিয়ে।আনহাতে,যোৱা নিশা আৰক্ষীয়ে আটক কৰা দুধৰ্ষ ডকাইতজনক আজি আদালতত হাজিৰ কৰাই জে'ল-হাজোতলৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সুত্ৰই জানিবলৈ দিয়ে।




# খাৰুপেটীয়া থানাৰ উদ্যোগত ঈদৰ নামাজ-কোৰবানি সন্দৰ্ভত সজাগতা সভা

**ই-সংবাদ, খাৰুপেটীয়া, ৫ জুনঃ** গোটেই ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে দৰং জিলাৰ বৃহত্তৰ খাৰুপেটীয়াৰ বিভিন্ন প্ৰান্তত ৭ জুন শনিবাৰে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ উৎসৱ ঈদ উল আজহা ৰ নামাজ আদায় কৰা হ'ব । বৃহত্তৰ খাৰুপেটীয়া অঞ্চলৰ ঈদ উৎসৱ পালন কৰা উপলক্ষে আজি খাৰুপেটীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া তনুজ মইবাংছাৰ উদ্যোগত থানা প্ৰাংগণত আয়োজিত সভাত আইন শৃংখলা অটুট ৰাখি শান্তি সম্প্ৰীতিৰ মাজেৰে ঈদ উল আজহাৰ নামাজ আদায় কৰিবলৈ আহ্বান জনায় আৰক্ষী বিষয়াজনে। আনহাতে জানিবলৈ পোৱা মতে খাৰুপেটীয়া টাউন ঈদগাহত পুৱা ৮ বজাত নামাজ আদায় কৰা হ'ব।

# চাপানালাত প্ৰলোভনেৰে বহিঃৰাজ্যত মহিলাক বিক্ৰী, এজনক আটক আৰক্ষীৰ

**ই-সংবাদ, পুৰণিগুদাম, ৫ জুনঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত চাপানালাৰ এহাল দম্পতীয়ে কামৰ মিছা প্ৰলোভনেৰে বহিঃৰাজ্যলৈ যুৱতী মহিলাক সৰবৰাহ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এগৰাকী মহিলাৰ অভিযোগৰ ভিত্তিত চামগুৰি আৰক্ষীয়ে এজন যুৱকক ইতিমধ্যে সোধপোছৰ বাবে আটক কৰিছে। কামৰ মিছা প্ৰলোভনেৰে বাগানৰ যুৱতী-মহিলাক বৃহৎ ধনৰ কমিছনৰে বহিঃৰাজ্যত বিক্ৰী কৰাৰ অভিযোগ জনৈক দীপক গোৱালা আৰু পত্নী জ্যোতি কুৰুৱা গোৱালাৰ বিৰুদ্ধে উক্ত মহিলাগৰাকীৰ। তিনিমাহ পূৰ্বে মহিলাগৰাকীক উক্ত দম্পতী হালে দিল্লীৰ এটা এজেণ্টৰ হাতত ৫০,০০০ টকাত বিক্ৰী কৰাৰ অভিযোগ উক্ত দম্পতী হালৰ বিৰুদ্ধে। দম্পতীহালে বহিঃৰাজ্যৰ এটা চক্ৰৰ লগত জড়িত হৈ চাহ বাগানৰ বহু যুৱতী-মহিলাক ঠগ-প্ৰৱঞ্চনাৰে সৰবৰাহ কৰাৰ লগতে এতিয়াও বহু যুৱতী-মহিলা বহিঃৰাজ্যত আৱদ্ধ হৈ থকাৰ অভিযোগ কৰে মহিলাগৰাকীয়ে। জনৈক কৰ্মকাৰ উপাধিৰ মহিলাগৰাকীয়ে চামগুৰি থানাত দিয়া অভিযোগ মতে, তিনিমাহৰ পূৰ্বে চাপানালাৰ জীয়াজুৰি চাহ বাগিচাৰ গড়চুক জামুকতলৰ জনৈক দীপক গোৱালা আৰু জ্যোতি কুৰুৱা গোৱালা নামৰ দম্পতীহালে মহিলাগৰাকীক বহিঃৰাজ্যত চাকৰিৰ প্ৰলোভন দি দিল্লীত ৫০ হাজাৰ টকাত এজেণ্টৰ হাতত বিক্ৰী কৰিছিল। মহিলাগৰাকীয়ে এই কথা পাছত জানিব পাৰিছিল। দিল্লীত এজেণ্টটোৱে শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলোৱাৰ পাছত মহিলাগৰাকীয়ে কৌশলেৰে তাৰ পৰা পলায়ন কৰি আহি কেইদিনমান পূৰ্বে কোনোমতে চাপানালাৰ গৃহত উপস্থিত হয়। কামৰ মিছা প্ৰলোভনেৰে যুৱতী- মহিলাক বহিঃৰাজ্যত বিক্ৰী কৰা প্ৰৱঞ্চক দম্পতীহালৰ বিৰুদ্ধে চামগুৰি থানাত এখন এজাহাৰ দাখিল কৰাৰ পাছতেই ঘটনাটো পোহৰলৈ আহে। অভিযুক্ত দম্পতীহালে বহিঃৰাজ্যৰ এটা চক্ৰৰ লগত জড়িত হৈ চাহ বাগানৰ বহু যুৱতী মহিলাক ঠগ প্ৰৱঞ্চনাৰে সৰবৰাহ কৰি আহিছে বুলিও মহিলাগৰাকীয়ে অভিযোগ তুলিছে। লগতে এতিয়াও বহু কেইগৰাকী যুৱতী মহিলা এই চক্ৰটোৰ জালত পৰি বহিঃৰাজ্যতে আৱদ্ধ হৈ থাকিব লগীয়া হৈছে বুলিও মহিলাগৰাকীয়ে সাংবাদিকৰ ওচৰত ব্যক্ত কৰে। মহিলাগৰাকীৰ এজাহাৰৰ ভিত্তিত চামগুৰি আৰক্ষীয়ে অভিযুক্ত জনক আটক কৰি চামগুৰি আৰক্ষী থানাত সোধপোছ কৰি আছে বুলি জানিব পৰা গৈছে।

## ৰাৱিয়ৰ্ছৰ গেলেকী আঞ্চলিকৰ বিশ্ব পৰিৱেশ দিৱস পালন

**ই-সংবাদ, গেলেকী, ৫ জুনঃ** আজি বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৰাৱিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিয়ে বৃক্ষ ৰোপণ আৰু এখন সজাগতা সভাৰ আয়োজন কৰে পুৱাৰ ভাগত গেলেকী বদ্ৰীদাস মুদি বালিকা বিদ্যালয়ত। পুৱা ছাত্ৰী আৰু শিক্ষকৰ শিক্ষয়িত্ৰীৰ উপস্থিতত বৃক্ষ ৰোপন কৰাৰ লগতে পৰিৱেশ সেউজ কৰি ৰখাৰ ওপৰত এক সজাগতামূলক সভাৰ আয়োজন কৰা হয়। বৰ্তমান পৃথিৱীৰ দৈনিক গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে এক ভয়াবহ পৰিস্থিতিৰ দিশে আগবাঢ়িছে সমগ্ৰ বিশ্ব। যাৰ বাবে বৰ্তমান পৰিৱেশে ভাৰাসাম্যহীনতা হেৰুৱাইছে। বিভিন্ন সময়ত পৰিৱেশৰ অস্বাভাৱিক পৰিৱৰ্তনে চিন্তাবিদসকলক যথেষ্ট চিন্তাত পেলাইছে। এই পৰিৱেশৰ অস্বাভাৱিক পৰিৱৰ্তনৰ অন্য এক কাৰণ হৈছে দৈনিক বন ধ্বংস। গতিকে কেনেকৈ মানৱ জাতিক এই আহি থকা ভয়াবহ সমস্যাৰ পৰা কেনেকৈ উদ্ধাৰ কৰি এখন সুস্থ সেউজীয়া পৃথিৱী সৃষ্টি কৰিব পাৰি তাৰ ওপৰত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায় ৰাৱিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলে। এই কাৰ্যসূচীত উপস্থিত আছিল ৰাৱিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ সভানেত্ৰী ফৰিদাউল্লাহ, সম্পাদিকা পূৰবী নেওগ , উপ-সভাপতি ৰাহিদ আলী, বিত্ত সম্পাদিকা তনুজা বেগম, জনসংযোগ সম্পাদিকা দিলোৱাৰা বেগম, সদস্যা দীপামণি মৰাণ, উপদেষ্টা আব্দুল হেলিম, ৰেকিবুল হুছেইন আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ লগতে সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰী।

## নগাঁৱত হাতে হাতে প্লেকাৰ্ড লৈ ছাত্ৰ-ছাত্ৰীয়ে জনালে প্ৰকৃতি সুৰক্ষাৰ আহ্বান

**ই-সংবাদ, বেবেজীয়া, ৫ জুনঃ** বিশ্ব পৰিবেশ দিৱস উপলক্ষে নগাঁও জিলাৰ পশ্চিমাঞ্চলত দেখা গ'ল মনোমোহা পৰিবেশ। বিভিন্ন সামাজিক অনুষ্ঠানৰ নীৰৱ ভূমিকাৰ বিপৰীতে এই পবিত্ৰ দিনটোত প্ৰকৃতি সুৰক্ষাৰ বাবে ওলাই আহিল কণ কণ শিক্ষাৰ্থীসকল। জিলাখনৰ বেবেজীয়া, জাজৰি, ৰাইদঙীয়া, হাতীচোং, দক্ষিণপাট, ঘাঁহী, বৰক'লা, ডিমৌ, শেনচোৱা, কাকমাৰী, চকলাঘাট, কাছমাৰী, বটদ্ৰৱা, ভোমোৰাগুৰি, কুঁজি, বৰচিলা, ভালুকমাৰী আদি অঞ্চলৰ বিদ্যালয়বোৰত পুৱাৰ পৰাই পৰিবেশ দিৱসক কেন্দ্ৰ কৰি উদ্ভৱ হয় এক ব্যস্ততামুখৰ পৰিবেশ। উক্ত অঞ্চলবোৰৰ প্ৰতিখন বিদ্যালয়লৈ পুৱাই ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে একোটাকৈ গছ পুলি আনি প্ৰকৃতিপ্ৰেমৰ নিদৰ্শন দাঙি ধৰে। ইয়াৰ পিছতে প্ৰতিখন বিদ্যালয় ফালৰ পৰা স্থানীয় অঞ্চলবোৰৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা একোটাকৈ শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাৰ জৰিয়তে কন কন ছাত্ৰ-ছাত্ৰীসকলে ৰাইজক প্ৰকৃতি সুৰক্ষাৰ আহ্বান জনাই হাতে হাতে প্লেকাৰ্ড লৈ প্ৰকৃতিৰ সুৰক্ষাৰ বিভিন্ন শ্ল'গানেৰে পৰিবেশ উত্তাল কৰি তোলে । ইয়াৰ পিছতে শিক্ষানুষ্ঠানসমূহত ৰোপণ কাৰ্যসূচী সম্পন্ন কৰা হয়। প্ৰতিখনৰ শিক্ষানুষ্ঠানৰ গুৰু-শিষ্যই ৰোপণ কৰে ভিন্ন প্ৰকাৰৰ ফল মূলৰ গছপুলিৰ লগতে ফুলৰ গছ। সদৌ শেষত পৰিবেশ সজাগতাৰ সংকল্পৰে একোখনকৈ সজাগতা সভা অনুষ্ঠিত কৰাৰ পিছত প্ৰকৃতিৰ সুৰক্ষাৰ সংকল্প লোৱা হয় । আচলতে, পৰিবেশ দিৱসৰ এই দিনটোত পশ্চিম নগাঁৱৰ শিক্ষানুষ্ঠানসমূহৰ সকলো গুৰু-শিষ্যই ৰাইজক সুস্থ পৰিৱেশৰ বাবে সেউজীয়া গছৰ প্ৰয়োজনীয়তা সম্পৰ্কত সচেতনতা অৱলম্বন কৰিবলৈও আহ্বান জনায়।

## চৰাইদেউৰ মাইবেলাত চাঞ্চল্য পিতৃহত্যাৰ অভিযোগত কন্যাক আটক

**ই-সংবাদ, মথুৰাপুৰ, ৫ জুনঃ** চৰাইদেউ জিলাৰ মথুৰাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মাইবেলাত নিশা এক হত্যাকাণ্ডৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে বৃদ্ধ পিতৃ লখিন্দৰ মালৰ সৈতে অঞ্জু বাচফৰ একেলগে এটা ঘৰতে আছিল। অঞ্জু বাচফৰৰ সৈতে মাইবেলা ভকতগাঁৱৰ এজন যুৱকৰ সম্পৰ্ক আছিল। দুয়ো প্ৰায়ে নিশা সেই ঘৰটোতে থাকে। অবৈধভাৱে কন্যাৰ সৈতে থকা যুৱকজনক লৈ প্ৰায় তিনিওৰে মাজত সংঘাত হৈ থাকে। কালি নিশা অঞ্জুৰ বায়েকৰ ঘৰত তোলনী বিয়া খাই অহা পিতৃৰ মৃত্যু হোৱা বুলি কোৱাত পৰিয়ালৰ লোকে ঘটনাস্থলীত উপস্থিত হৈ লখিন্দৰৰ কাণ-নাকে তেজ ওলাই থকাৰ লগতে ডিঙিত আঘাতৰ চিহ্ন দেখা পায়। স্থানীয় লোক তথা পৰিয়ালৰ সন্দেহ হোৱাত মথুৰাপুৰ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ অঞ্জু আৰু অবৈধ প্ৰেমিক যুৱকজনক আটক কৰে। আৰক্ষীয়ে মৃতদেহটো দণ্ডাধীশৰ উপস্থিতত উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰি তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত অনিয়ম গুৱাহাটীত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ অভিযান

**ই-সংবাদ, ৫ জুনঃ** অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত অনুসূচিত জাতিৰ দৰিদ্ৰ হিতাধিকাৰীক সামগ্ৰী প্ৰদানৰ নামত সংঘটিত প্ৰায় ১৪০ কোটি টকাৰ দুৰ্নীতিৰ বিৰুদ্ধে ইডিয়ে তদন্ত আৰম্ভ কৰি কালি চাৰি ঠাইত ঠিকাদাৰ নূপুৰ সাহাৰ আৱাসসহ চাৰি ঠাইত অভিযান চলাইছিল। অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত ঠিকা কৰা দুৰ্নীতিসম্ৰাট ঠিকাদাৰ নূপুৰ সাহাৰ বৰ্ষাপাৰা, খ্ৰীষ্টানবস্তি, ছয়মাইলকে ধৰি মুঠ চাৰিটা স্থানত প্ৰৱৰ্তন সঞ্চলকালয় চমুকৈ ইডিয়ে অভিযান চলাইছিল। ইডিৰ অভিযানক লৈ অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত কঁপনি উঠিছিল। কিন্তু সেই একেটা কাৰ্যালয়ে হিতাধিকাৰীক সামগ্ৰী বিতৰণৰ নামত অনিয়ম সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ৰাজীৱ শইকীয়া নামৰ ঠিকাদাৰজনে পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বৰে পৰা সৰুমটৰীয়াৰ ঘৰৰ পৰা সামগ্ৰী বিতৰণ কৰি আহিছে। জানিব পৰা মতে, ঠিকাদাৰ ৰাজীৱ শইকীয়াই টিভি, চিলাই মেচিন কম্পিউটাৰ আদি সামগ্ৰী বিতৰণৰ ঠিকা লাভ কৰিছিল। ৰাজীৱ শইকীয়াই সামগ্ৰীসমূহ অনুসূচিত জাতি কল্যাণ সঞ্চালকালয় কাৰ্যালয়ৰ জৰিয়তে জিলাসমূহৰ অনুসূচিত জাতি উন্নয়ন পৰিষদলৈ প্ৰেৰণ কৰিব লাগে। কিন্তু ৰাজীৱ শইকীয়াই জিলালৈ সামগ্ৰী প্ৰেৰণ নকৰি গোপনে নিজ ঘৰৰ পৰা বিতৰণ কৰি আহিছে। হিতাধিকাৰীৰ সামগ্ৰী ঘৰৰ চৌহদত বিতৰণ কৰাৰ দৃশ্য ইতিমধ্যে বন্দী কেমেৰাত বন্দী হৈছে। আজি অনুসূচিত জাতি সংগ্ৰামী যুৱ-পৰিষদৰ এটা সঁজাতি দল ৰাজীৱ শইকীয়াৰ আৱাস চৌহদত উপস্থিত হয়। তাৰ পিছতে ৰাজীৱ শইকীয়াৰ আৱাস চৌহদ গোমা হৈ পৰে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সঁজাতি দলটোৱে সোধা-পোছা কৰাত সামগ্ৰীসমূহ বিভিন্ন জিলাৰ পৰা অহা হিতাধিকাৰীয়ে নিবলৈ আহিছে। যোৰহাট, নলবাৰী আদি জিলাৰ পৰা হাজাৰ হাজাৰ টকা খৰচ কৰি ১৫ৰ পৰা ২০ হাজাৰ টকাৰ সামগ্ৰী নিবলৈ আহিছে হিতাধিকাৰীয়ে। সংগঠনটোৰ সভাপতি সঞ্জীৱ দাসে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে হিতাধিকাৰীক বিতৰণ কৰা সামগ্ৰীসমূহ ঠিকাদাৰৰ সঞ্চালকালয়ৰ অধীনত থকা গুদামঘৰত জমা কৰিব লাগে। তাৰ পৰা ঠিকাদাৰে জিলাসমূহলৈ প্ৰেৰণ কৰি জিলা ভিত্তিত থকা উন্নয়ন পৰিষদে প্ৰস্তুত কৰা তালিকা অনুসৰি বিতৰণ কৰিব লাগে। সঞ্জীৱ দাসে আৰু কয় যে অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ত সামগ্ৰী যোগানৰ নামত বৃহৎ দুৰ্নীতি সংঘটিত হৈ আহিছে। কিন্তু আজি আমি গ'ম পালো যে চৰকাৰী সামগ্ৰী ৰাজীৱ শইকীয়া নামৰ ঠিকাদাৰজনৰ ঘৰত জমা কৰি ৰাখিছে। চৰকাৰী সামগ্ৰী এটা বেচৰকাৰী ঘৰত থাকিল কেনেকৈ। সঞ্চালকালয়ৰ হৰি দাস নামৰ লোকজনে তাত বহি হিতাধিকাৰীৰ নাম চাই চাই সামগ্ৰী দি আছে। চিলাই মেচিন, টিভি, কম্পিউটাৰ আদি মজুত আছে। কিন্তু এজন এজন হিতাধিকাৰীয়ে সামগ্ৰী ইয়াৰ পৰা নিবলগীয়া হৈছে। আমাৰ সন্দেহ হৈছে ইয়াৰ পৰা সামগ্ৰী বিক্ৰী হৈছে। কিয়নো ব্যক্তিগত মানুহৰ ঘৰৰ পৰা সামগ্ৰী দি থকা হৈছে। চিচি টিভি কেমেৰা নাই, সুৰক্ষা কৰ্মী নাই। এয়া এক কেলেংকাৰী। হৰি দাস অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী। তেওঁ ইয়াত কি কাৰণে বহি আছে। ব্যক্তিগত সম্পত্তিত তেওঁৰ কাম কি বুলি প্ৰশ্ন কৰে। দাসে লগতে কয়-- অনুসূচিত জাতি কল্যাণ সঞ্চালকালয়ৰ সঞ্চালিকা কুলশ্ৰী নাথ, সুৱৰ্ণ দে', লিটন মিত্ৰ এটা গেং। যিটো গেঙৰ বিৰুদ্ধে প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতিক অভিযোগ দিয়াৰ বাবে ইডিয়ে ঠিকাদাৰৰ ঘৰত অভিযান চলাইছে। আজি আমি যেতিয়া হৰি দাসৰপৰা জানিব খুজিছিলো কিয় এনেকৈ বিতৰণ কৰা হৈছে তেতিয়া তেওঁ কৈছে যে মন্ত্ৰীয়ে এইবিলাক জানে। সঞ্জীৱ দাসে এই সন্দৰ্ভত কয় যে মন্ত্ৰী পীয়ুষ হাজৰিকাৰ পৰা এইসকলে কথাটো লুকুৱাই অবৈধ ধন ঘটাৰ স্থল কৰিছে কাৰ্যালয়টোক। আমি মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰি ঘৰটো ছীল কৰাৰ লগতে ৰাজীৱ শইকীয়াই কেনেদৰে নিজ ঘৰত সামগ্ৰী মজুত কৰি বিতৰণ কৰিব পাৰিছে তাৰ এটা তদন্ত হ'ব লাগে। ৰাজীৱ শইকীয়াক ব্লেক লিষ্টেড কৰি সামগ্ৰী জব্দ কৰি নতুন প্ৰক্ৰিয়াৰে সামগ্ৰী বিতৰণৰ ব্যৱস্থা কৰিব লাগে। নিবিদাৰ সময়ত উল্লেখ থাকে যে শদিয়াৰ হিতাধিকাৰীজনক শদিয়াত সামগ্ৰী যোগান ধৰিব লাগিব। যদি নলবাৰী, শদিয়া বা নগাঁৱৰ পৰা গুৱাহাটীলৈ সামগ্ৰী নিবলৈ আহে এজন লোকৰ বহুত টকা খৰচ হ'ব।

# পৰকীয়া প্ৰেমৰ পৰিণতিত কাকপথাৰত বিবাহিত মহিলাৰ আত্মহত্যাঃ ৰাইজৰ থানা ঘেৰাও

**ই-সংবাদ, কাকপথাৰৰ, ৫ জুনঃ** পৰকীয়া প্ৰেমৰ পৰিণতিত কাকপথাৰ চহৰৰ গাতে লাগি থকা উৰন গাৱঁত এগৰাকী মহিলাই আত্মহত্যা কৰাক কেন্দ্ৰ কৰি আজি বিয়লি কাকপথাৰত উতপ্ত পৰিৱেশৰ সৃষ্টি হোৱাৰ লগতে মৃত মহিলা গৰাকীৰ গাৱঁৰ লোকে কাকপথাৰ থানা ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰাত বহু সময় ধৰি ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথত পথ যোগাযোগ ব্যাহত হৈ পৰে । প্ৰাপ্ত অভিযোগ মতে উৰন গাৱঁৰ প্ৰশান্ত মৰাণ নামৰ বিবাহিত যুৱকজনৰ অন্য এগৰাকী মহিলাৰ লগত অবৈধ প্ৰেমৰ সম্পৰ্ক থকাত প্ৰায়েই পত্নীৰ সৈতে মনোমালিন্য হয় আৰু এই মানসিক নিৰ্যাতন সহ্য কৰিব নোৱাৰি তিনিটা সন্তানৰ মাতৃ লাৱন্য ডাঙৰীয়াই সোমবাৰে নিশা বিষ পান কৰে। লগেলগে পৰিয়ালৰ লোকে ৰুপাইস্থিত এখন ব্যক্তিগত নাৰ্ছিং হোমত ভৰ্তি কৰে যদিও আজি দিনৰভাগত মহিলাগৰাকীৰ মৃত্যু হয়। কাকপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত ডিৰাক আমগুৰিৰ পৰা উৰন গাঁৱলৈ বিয়া হৈ অহা সহজ-সৰল মহিলাগৰাকীৰ মৃত্যুৰ বাতৰি পোৱাৰ লগেলগে আমগুৰি গাৱঁৰ শতাধিক পুৰুষ মহিলা কাকপথাৰলৈ আহি উতপ্ত পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে ৰুপাই দিশৰপৰা কাকপথাৰ অভিমুখে আহি থকা অৱস্থাত আৰক্ষী থানাৰ পৰি নাতিদূৰৈত মহিলাগৰাকীৰ লগতে প্ৰশান্ত ডাঙৰীয়াক ৰাইজে উত্তম-মধ্যম দিয়ে। আৰক্ষীয়ে তৎপৰতাৰে মহিলা আৰু বিবাহিত যুৱকজনক কৰায়ত্ত কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে দুয়োকে ডুমডুমা আৰক্ষী থানালৈ প্ৰেৰণ কৰে । আৰক্ষীৰ এই কাৰ্যত ক্ষুব্ধ হৈ ৰাইজে অভিযুক্ত দুয়োকে গতাই দিয়াৰ দাবীত থানা ঘেৰাও কৰি পৰিৱেশ উত্তাল কৰি তোলে। মহিলাগৰাকীৰ মৃতদেহ কাকপথাৰ আহি পোৱাৰ লগে লগে ৰাইজে কিছুসময় ধৰি মৃতদেহ থানাৰ সন্মুখত ৰাখি প্ৰতিবাদ সাব্যস্ত কৰে যদিও আৰক্ষীৰ বুজনিত মহিলাগৰাকীৰ মৃতদেহ প্ৰশান্ত ডাঙৰীয়াৰ ঘৰলৈ নি বাৰীত সৎকাৰ কৰিবলৈ সিদ্ধান্ত লয় আৰু মৃতদেহ প্ৰশান্ত ডাঙৰীয়াৰ ঘৰলৈ নিয়ে । আনহাতে আত্মহত্যা কৰা মহিলা গৰাকীক বাৰীত সৎকাৰ কৰিবলৈ প্ৰশান্তৰ পৰিয়ালৰ লোক অমান্তি হোৱাত বাতৰি প্ৰেৰণ কৰা সময়লৈকে মহিলাগৰাকীৰ মৃতদেহ সৎকাৰ কৰিব পৰা নাই। আনহাতে, মৃত মহিলাগৰাকীৰ পৰিয়ালৰ লোকে প্ৰশান্ত ডাঙৰীয়াৰ ওপৰত থানাত এজাহাৰ দাখিল কৰিছে। দুজনী গাভৰু ছোৱালী আৰু এটা আঠ বছৰীয়া পুত্ৰ সন্তান থকাৰ পিচতো অন্য এগৰাকী মহিলাৰ লগত সম্পৰ্ক ৰক্ষা কৰাৰ ফলতে মহিলা গৰাকীয়ে আত্মহত্যাৰ পথ বাচি ললে বুলি ৰাইজে মন্তব্য কৰিছে। এক অসমৰ্থিত সুত্ৰই জানিবলৈ দিয়ামতে প্ৰশান্ত ডাঙৰীয়াই বীৰ লাচিত সেনা কাকপথাৰ আঞ্চলিক সমিতি সাধাৰণ সম্পাদকৰ দায়িত্ব নতুনকৈ লাভ কৰিছিল।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ওদালগুৰিৰ ১০ সমষ্টিত বিজেপিয়ে প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ সিদ্ধান্ত ঘোষণা

**ই-সংবাদ, ডিমাকুছি, ৫ জুনঃ** বিটিআৰ নিৰ্বাচন যিমানেই চমু চাপি আহিছে, সিমানেই প্ৰতিটো ৰাজনৈতিক দলৰ এতিয়া আৰম্ভ হৈছে নিৰ্বাচনী কুচকাৱাজ। প্ৰতিদিনে বিজেপিয়ে দাবী কৰি আহিছে বিটিআৰত ৪০ সমষ্টিতেই প্ৰাৰ্থিত্ব আগবঢ়াব বুলি। বিটিআৰত আৰম্ভ হৈছে ইউপিপিএল আৰু বিজেপিৰ তৰ্কযুদ্ধ। প্ৰমোদ বড়ো এগৰাকী দূৰদৰ্শী যুৱ ৰাজনৈতিক নেতা। বিজেপি ফলা বাঁহ নহয়, গোটা বাঁহ, এনেদৰে মন্তব্য কৰে সাংসদ দিলীপ শইকীয়াই। আগন্তুক বিটিআৰ নিৰ্বাচনত ওদালগুৰি জিলাৰ ১০ টা পৰিষদীয় সমষ্টিতে নিজা প্ৰাৰ্থী প্ৰক্ষেপৰ সিদ্ধান্তত অটল হৈ আছে বিজেপি। যিহেতু বৰ্তমান সময়ত পূৰ্বতকৈ ওদালগুৰিত বিজেপিৰ সংগঠন তথা সাংগঠনিক ভেটি শক্তিশালী হৈ পৰিছে। নিৰ্বাচনত অৱতীৰ্ণ হ'ব পৰাকৈ ওদালগুৰিৰ প্ৰতিজন কাৰ্যকৰ্তাৰে মনোবল অটুট আছে। বিটিআৰ নিৰ্বাচনত প্ৰাৰ্থী নিদিলে কাৰ্যকৰ্তা সকলৰ মন ভাঙি যাব। গতিকে বিজেপিয়ে ওদালগুৰিৰ দহটা পৰিষদীয় সমষ্টিক লৈ কোনোধৰণৰ বুজাবুজি নকৰাৰ ইংগিত বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ। বৃহস্পতিবাৰে ওদালগুৰি জিলাৰ ডিমাকুছিৰ ননৈ চেৰফাং সমষ্টিৰ বামুনজুলিত অনুষ্ঠিত ওদালগুৰি জিলা বিজেপিৰ কাৰ্যনিৰ্বাহক সভাত অংশ লৈ সভাপতিগৰাকীয়ে নিৰ্বাচনত দহটা সমষ্টিতে প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ জিলা বিজেপিৰ কাৰ্যনিৰ্বাহকে লোৱা প্ৰস্তাৱৰ বিষয়ে সদৰি কৰে। জিলা বিজেপিৰ প্ৰস্তাৱৰ ওপৰত নিৰ্বাচনী কৰ্ণধাৰ সমিতিয়ে কম সময়ৰ ভিতৰতে সিদ্ধান্ত লব বুলিও জানিবলৈ দিয়ে সভাপতি শইকীয়াই। আনহাতে আগন্তুক নিৰ্বাচনত প্ৰমোদ বড়ো আৰু হাগ্ৰামা মহিলাৰীৰ বিৰুদ্ধে বিজেপিয়ে কোনো প্ৰাৰ্থী প্ৰক্ষেপ নকৰাৰ সিদ্ধান্তৰ কথা পুনৰ দোহাৰি বিটিচিৰ শান্তি-শৃংখলা বৰ্তাই ৰখাৰ লগতে উন্নয়নৰ স্বাৰ্থত সকলোকে লগত লৈ বিজেপিয়ে বিটিচিত আগবাঢ়ি যাব বুলি ঘোষণা কৰে। বামুনজুলিত অনুষ্ঠিত কাৰ্য্যনিবাহক সভাত দিলীপ শইকীয়াৰ লগত উপস্থিত থাকে বিটিআৰৰ ইএম সঞ্জিৎ তাঁতী, ইএম দিগন্ত বৰুৱা, এম চি এল এ ভৰেন বড়ো, ওদালগুৰি জিলা বিজেপিৰ সভাপতি সুনীল কুমাৰ বসুমতাৰীকে ধৰি বহুকেইগৰাকী সমাজকৰ্মী আৰু তিনি শতাধিক নেতা-কৰ্মী।

# ৰঙিয়াত অৰুণোদয় বঞ্চিত মহিলাৰ উত্তাল প্ৰতিবাদ

**ই-সংবাদ, হাজো, ৫ জুনঃ** নৱগঠিত ৰঙিয়া বিধানসভা সমষ্টিৰ মনাহকুছি গাঁও পঞ্চায়তৰ সন্মুখত আজি অৰুণোদয় আঁচনিৰ পৰা বঞ্চিত একাংশ মহিলাই সাব্যস্ত কৰে উত্তাল প্ৰতিবাদ। ক্ষুব্ধ মহিলা সকলে অৰুণোদয় আঁচনিৰ হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত হোৱা চৰম বিসংগতিৰ পৰিপ্ৰেক্ষিতত দমদমা-ডিমু ৰাজপথৰ ওপৰত বহি অৰুণোদয় আঁচনি আমাক লাগিবই, মনাহকুছি পঞ্চায়তত দালাল ৰাজ নচলিব আদি বিভিন্ন শ্লোগানেৰে উত্তাল কৰি তোলে মনাহকুছিৰ ৰাজপথ। তদুপৰি অৰুণোদয় আঁচনি বিচাৰি মুখ্যমন্ত্ৰীক কাতৰ অনুৰোধ কৰে বঞ্চিত মহিলা সকলে। মনাহকুছি গাঁও পঞ্চায়তত দুখীয়া দৰিদ্ৰ লোকৰ পৰিৱৰ্তে ধনী শ্ৰেণীৰ লোকে অৰুণোদয় আঁচনি লাভ কৰাৰ উপৰিও প্ৰাপ্য হিতাধিকাৰীয়ে আঁচনিৰ পৰা বঞ্চিত হোৱাৰ দাবী তুলি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা বুলি জানিব পৰা যায়।

# কৃত্ৰিম বানত মাজত আবদ্ধ দলগাঁও ৰাজ্যিক চিকিৎসালয়, ৰোগী-চিকিৎসকৰ হাহাকাৰ

**ই-সংবাদ, দলগাঁও, ৫ জুনঃ** দৰং জিলাৰ দলগাঁও ৰাজ্যিক চিকিৎসালয়ত অবিৰত বৰষুণৰ ফলত সৃষ্ট জলাবদ্ধতাই চিকিৎসা ব্যৱস্থাৰ অৱস্থা শোচনীয় কৰি তুলিছে। চিকিৎসালয়ৰ প্ৰাঙ্গণ আৰু পথসমূহত একাঁঠু পানী জমা হৈ থকাৰ ফলত ৰোগী আৰু চিকিৎসকৰ আহ-যাহত চৰম অসুবিধাৰ সৃষ্টি হৈছে। যদিও ৱাৰ্ডৰ ভিতৰত পানী সোমোৱা নাই, তথাপি পানী সোমোৱাৰ উপক্ৰম হৈছে, যিয়ে ৰোগী আৰু চিকিৎসকৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। স্থানীয় লোকে অভিযোগ কৰিছে যে এই জলাবদ্ধতাৰ সমস্যা বৰষাৰ সময়ত নিত্যৰ সংগী হৈ পৰিছে। চিকিৎসালয়ৰ পানী নিষ্কাশন ব্যৱস্থাৰ দুৰ্বলতাৰ বাবে প্ৰতি বছৰে এনে পৰিস্থিতিৰ সৃষ্টি হয়। আমি বাৰে বাৰে প্ৰশাসনৰ ওচৰত এই সমস্যাৰ কথা উত্থাপন কৰিছো, কিন্তু স্থায়ী সমাধানৰ কোনো পদক্ষেপ নাই। বিধায়কজনেও এই বিষয়ত কোনো গুৰুত্ব নিদিয়ে। এজন স্থানীয় বাসিন্দাই এইদৰে ক্ষোভ প্ৰকাশ কৰে। স্থানীয় সাংবাদিকৰ দ্বাৰা এই জলাবদ্ধতাৰ সমস্যাৰ বাতৰি পৰিৱেশনৰ পিছত দলগাঁও সমজিলা আয়ুক্তই জেচিবি লগাই নলা



পৰিষ্কাৰ কৰি পানী নিষ্কাশনৰ ব্যৱস্থা কৰিছে। তথাপিও স্থানীয় লোকে এই ব্যৱস্থাক অস্থায়ী বুলি সমালোচনা কৰি কয় যে এনে পদক্ষেপে সমস্যাৰ স্থায়ী সমাধান নকৰে। চিকিৎসালয়ৰ কৰ্তৃপক্ষই জানিবলৈ দিছে যে তেওঁলোকে জিলা প্ৰশাসনৰ সৈতে এই বিষয়ে আলোচনা কৰি আছে, কিন্তু দীৰ্ঘম্যাদী সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপৰ অভাৱ এতিয়াও স্পষ্ট। দলগাঁৱৰ এই গুৰুত্বপূৰ্ণ চিকিৎসালয়ত জলাবদ্ধতাৰ সমস্যাই অঞ্চলটোৰ স্বাস্থ্য ব্যৱস্থাৰ দুৰ্বল পৰিকাঠামোৰ প্ৰতি আঙুলিয়াইছে। স্থানীয় ৰোগী আৰু তেওঁলোকৰ আত্মীয়সকলে দাবী জনাইছে যে চিকিৎসালয়ৰ পানী নিষ্কাশন ব্যৱস্থাৰ উন্নতিকৰণৰ লগতে স্থায়ী সমাধানৰ বাবে তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰা হওক। এই পৰিস্থিতিয়ে জনসাধাৰণৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। যদি শীঘ্ৰে এই সমস্যাৰ স্থায়ী সমাধান নকৰা হয়, তেন্তে দলগাঁৱৰ স্বাস্থ্য ব্যৱস্থাৰ ওপৰত জনসাধাৰণৰ ভৰসা আৰু অধিক ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা আছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# বাঘমাৰা চৰত বিধায়ক শ্বেৰমান আলীৰ কেইবাটাও উন্নয়নমূলক কামৰ উদ্বোধন

**ই-সংবাদ, শিমলীতোলা, ৫ জুনঃ** বিগত তিনিটা বছৰত বাঘবৰ সমষ্টিত বিধায়ক হিচাবে বিভিন্ন উন্নয়নমূলক কামেৰে নিজৰ সুকীয়া পৰিচয় দখল কৰিবলৈ সক্ষম হোৱা বিধায়ক শ্বেৰমান আলী আহমেদে বৰ্তমানেও সমষ্টি পুনৰ নিৰ্ধাৰণ পিছত পুৰণা বাঘবৰ তথা বৰ্তমানৰ চেঙা সমষ্টিত একে গতিতে উন্নয়নমূলক কাম কৰি থকা পৰিলক্ষিত হৈছে। আজি বাঘবৰ বিধান সভা সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে কেইবাটাও উন্নয়নমূলক কামৰ শুভাৰম্ভ কৰে। চৰাঞ্চলৰ বিধ্বস্ত পকী পথৰ মেৰামতিৰ বহু আগতেই প্ৰয়োজন আছিল যদিও প্ৰথমটো মেৰামতিৰ কাম ২০২৪-২৫ ইং বৰ্ষৰ SOPD-G ৰ অধীনত ২ নং বাঘমাৰাৰ পৰা ভাতনাপাইতি আঞ্চলিক বজাৰলৈ যোৱা পথৰ মেৰামতি কৰণৰ কামৰ শুভ উদ্ধোধন কৰে লগতে বাঘমাৰা চৰত দিগন্ত বৈশ্য, মূখ্য কাৰ্যবাহী বিষয়া, বৰপেটা জিলা




পৰিষদ, নৰৰত্ন পাটোৱাৰী, খণ্ড উন্নয়ন বিষয়া, মন্দিয়া, জাফৰ আলী আহমেদ, নিৰ্মাণ সমিতিৰ সভাপতি, তাইজুদ্দিন সৰকাৰ, নিৰ্মাণ সমিতিৰ সভাপতি উপস্থিতিত কমিউনিটা হল আৰু পানী প্ৰকল্প কামৰ শুভ উদ্বোধন কৰে কৰাৰ লগতে বিভাগীয় বিষয়াসকলক দুমাহৰ ভিতৰত উক্ত টকাখিনি মোকলাই দিবলৈ নিৰ্দেশ দিয়ে, যাতে কিছু পূৰ্বে অনুষ্ঠিত হৈ যোৱা পঞ্চায়ত নিৰ্বাচনৰ আঞ্চলিক পঞ্চায়ত গঠন ও শপত গ্ৰহণৰ কাম নতুনকৈ ঘোষণা কৰা চেঙা উন্নয়ন খণ্ড, বাঘমাৰা চৰত হব পাৰে। বিধায়ক শ্বেৰমান আলী আহমেদে উন্নয়ন খণ্ড চৰাঞ্চলত স্থাপনক লৈ যি ভূমিকা লৈ আৰু বৰ্তমানেও নতুন চেঙা উন্নয়ন খণ্ড খন চৰাঞ্চলৰ বাঘমাৰা চৰত কাৰ্যক্ষম কৰাকলৈ তৎপৰতা আৰম্ভ দিয়া কাৰ্যক চৰাঞ্চলৰ ৰাইজে প্ৰশংসা কৰাৰ লগতে ধন্যবাদ জনায়। চৰাঞ্চলৰ বিভিন্ন দল সংগঠনৰ লগতে সচেতন ৰাইজে চেঙা উন্নয়ন খণ্ডত ৰাইজৰ আৰ্থিক মানসিক হাৰাশাস্তি লাঘব কৰাৰ স্বাৰ্থত অতি সোনকালে চেঙা উন্নয়ন খণ্ড বাঘমাৰা চৰত কাৰ্যক্ষম কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে অসম চৰকাৰৰ লগতে বিধায়ক শ্বেৰমান আলী আহমেদ, বিধায়ক আশ্ৰাফুল হুছেইনক দাবী জনাইছে।

# পলাতক চাইবাৰ অপৰাধী ছৰিফুল ইছলামৰ মাটি জব্দ জিলা প্ৰশাসনৰ

**ই-সংবাদ, লাহৰীঘাট, ৫ জুনঃ** মৰিগাঁৱত দেশৰ ভিতৰত দ্বিতীয় আৰু আৰু অসমৰ ভিতৰত প্ৰথমবাৰৰ বাবে চাইবাৰ অপৰাধীৰ বিৰুদ্ধে অবৈধভাৱে আহৰণ কৰা সম্পত্তি জব্দ কৰিবলৈ মৰিগাঁও জিলা প্ৰশাসনক ন্যায়ালয়ে ৰায়দান কৰে। দীৰ্ঘদিন ধৰি ৰাজ্যখনৰ সমান্তৰালকৈ মৰিগাঁও জিলাখনৰ লাহৰীঘাট, ভূৰাগাঁও, মৈৰাবাৰী, বোৰালগুৰি, দেৰাগুৰিকে ধৰি বিভিন্ন অঞ্চলত চাইবাৰ অপৰাধীৰ বিৰুদ্ধে বৃহৎ অভিযান চলাইছিল মৰিগাঁও আৰক্ষীয়ে। দ্বিতীয় জামতাৰা ৰূপে খ্যাত মৰিগাঁও জিলাৰ লগতে লাহৰীঘাটৰ বিভিন্ন স্থানৰ পৰা বিগত দিনৰ সময়ছোৱাত বহুতো চাইবাৰ অপৰাধীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছে। বিশেষকৈ সংখ্যালঘু অধ্যুষিত অঞ্চলত একাংশ চাইবাৰ অপৰাধীয়ে বহিঃৰাজ্যৰ বিভিন্ন লোকৰ নামত থকা নথি-পত্ৰ ব্যৱহাৰ কৰি বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা জালিয়াতিৰে ঋণ লৈ টকা ঘূৰাই নিদিয়ে। উল্লেখ্য যে চাইবাৰ অপৰাধৰ লগত জড়িত একাংশ যুৱকে আগতে শ্ৰমিকৰ কাম কৰিছিল যদিও পিছলৈ চাইবাৰ অপৰাধৰ লগত জড়িত হৈ বিলাসী জীৱন যাপন কৰিছে। সহজভাৱে ধন উপাৰ্জনৰ আশাত মৰিগাঁও জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰ একাংশ যুৱকে চাইবাৰৰ দৰে ভয়ানক অপৰাধৰ লগত জড়িত হৈ পৰিছে। তেনে সময়তেই লাহৰীঘাট থানাৰ অন্তৰ্গত কুখ্যাত চাইবাৰ অপৰাধী তথা পলাতক চৰিফুল ইছলামৰ গোচৰ চলি থকা সময়তেই তেওঁ ক্ৰয় কৰা ভূমি ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে প্ৰশাসনে জব্দ কৰে। জানিব পৰা মতে লাহৰীঘাটৰ চৰিফুল ইছলাম নামৰ কুখ্যাত চাইবাৰ অপৰাধীটোৱে অবৈধভাৱে আহৰণ কৰা মৰিগাঁও মাজমজিয়াৰ বিশাল মেগা মাৰ্টৰ বিপৰীত দিশে থকা একঠা পোন্ধৰ লোচা মাটি আজি মৰিগাঁও জিলা প্ৰশাসনে আদালতৰ নিৰ্দেশমৰ্মে জব্দ কৰে। অসমত চাইবাৰ অপৰাধীৰ বিৰুদ্ধে এনে পদক্ষেপ গ্ৰহণ কৰা এয়াই প্ৰথম।

# এনাজৰী-ভাতৃত্ব বান্ধোনৰ সাংস্কৃতিক অনুষ্ঠান

**ই-সংবাদ, পশ্চিম যোৰহাট, ৫ জুনঃ** এনাজৰী-ভাতৃত্বৰ বান্ধোনৰ উদ্যোগত ৮ জুনত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। পুৱা পতাকা উত্তোলন, গছপুলি ৰোপণৰ পিছতে শিশুসকলৰ অংশগ্ৰহণেৰে চিত্ৰাংকণ আৰু অসমীয়া গীতৰ আধাৰত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া বন্তি প্ৰজ্জলনৰ পিছতে পুৰস্কাৰ বিতৰণত সমাজৰ হিতৰ বাবে সেৱা আগবঢ়াই থকা ভালেকেইগৰাকী ব্যক্তিক বৰণ কৰি অভিনন্দন জনাব। তাৰপিছতে সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীৰ লগতে আচুৰ্য বৰপাত্ৰই গীত পৰিৱেশন কৰিব। ৰাষ্ট্ৰীয় পথৰ কাষৰ পশ্চিম যোৰহাট অঞ্চলৰ ৰবৈয়া দলঙৰ সমীপৰ অস্থায়ী মঞ্চ-প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া বৰ্ণাঢ্য অনুষ্ঠানত প্ৰতিষ্ঠাপক ভাৰ্গৱ খাউণ্ডে ৰাইজৰ উপস্থিতি কামনা কৰিছে। প্ৰতিযোগিতাত যোগদান কৰাসকলে সেইদিনা থলীতে নামভৰ্তি কৰিব পাৰিব।

# ছিপাঝাৰত বিদ্যুৎ বিভাগৰ মৰণফান্দ

**ই-সংবাদ, ছিপাঝাৰ, ৫ জুনঃ** দৰং জিলাৰ ছিপাঝাৰ বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ নায়কপাৰাত বিদ্যুৎ বিভাগৰ এক টোঘলকী কাণ্ডই ভয়াৱহ বিপদৰ আশংকা কঢ়িয়াই আনিছে। উল্লেখ্য যে বিগত মাহৰ ৩০ তাৰিখে ধুমুহা-বৰষুণত নায়কপাৰা গাঁৰৰ বলদেৰ পুখুৰীলৈ যোৱা পথত এদাল তামোল গছ বিদ্যুৎ পৰিবাহী তাঁৰত হাউলি পৰিছিল। পিছদিনা বিদ্যুৎ বিভাগৰ কৰ্মীয়ে তাঁৰৰ ওপৰত হাউলি পৰা গছসমূহ কাটি বিদ্যুৎ যোগান দিছিল। কিন্তু বিদ্যুৎ কৰ্মীসকলে তামোলজোপাৰ আগটো কাটিয়েই দায়িত্ব সামৰিলে। গুৰি অংশ বিদ্যুৎ পৰিবাহী তাঁৰৰ ওপৰত লাগি থকা স্বত্বেও সম্পূৰ্ণ গছজোপা কিয় নাকাটিলে সেয়া ৰহস্যজনক হৈয়েই ৰ'ল। যাৰবাবে তামোল জোপাৰ গুৰি অংশ মৰণফান্দ হিচাপে পৰিগণিত হৈ আছে। পথটোৰে নিতৌ শতাধিক যান-বাহন যাতায়াত কৰাৰ বিপৰীতে পশুধন, স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু গাঁওবাসীয়ে অহা-যোৱা কৰে। তেনেক্ষেত্ৰত আধাকটা তামোল গছ জোপাৰে বিদ্যুৎ পৰিবাহিত হ'লে অবাঞ্চিত ঘটনা সংঘটিত হ'ব পাৰে। স্মৰ্তব্য যে বিভাগটোৰ গাফিলতি আৰু টোঘলকী কামৰ বাবে বিগত দুটা সপ্তাহত বৃহত্তৰ ছিপাঝাৰত দুটাকৈ পশুধনৰ মৃত্যুৰ ঘটনা সংঘটিত হৈছে। ইপিনে, ছিপাঝাৰ-টংলা পথৰ পৰা বলদেৰ পুখুৰীলৈ যোৱা পথৰ সংযোগতে থকা ট্ৰেন্সফৰ্মাৰটোৰ চাৰিওকাষৰ বেৰসমূহ মেৰামতিৰ অভাৱত জহি-খহি গৈছে। সেইটোও অনতিপলমে মেৰামতি নকৰিলে দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা প্ৰবল।

# বাংগালুৰুতৰ ঘটনাত শোক প্ৰকাশ 'বিৰাট' বাহিনীৰ

**বাংগালুৰু, ৫ জুনঃ** বাংগালুৰুত আই পি এল বিজয় উদযাপনৰ সময়ত ১১ জন লোকৰ কৰুণ মৃত্যু হোৱাৰ পিছতে বৃহস্পতিবাৰে মৃতকৰ পৰিয়ালৰ বাবে আৰ্থিক সাহায্য প্ৰদানৰ ঘোষণা কৰিছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে। এই ঘটনাত ৩৩ জন লোক আহতও হয়। দুৰ্ঘটনাৰ ছয় ঘণ্টাৰ পিছত প্ৰথমটো বক্তব্য দিয়াৰ চাৰে সোতৰ ঘণ্টাৰ পাছত বিৰাট কোহলীৰ দলটোৱে দ্বিতীয়টো বিবৃতি প্ৰকাশ কৰে। বৃহস্পতিবাৰে বাংগালুৰুৱে এক বিবৃতিত কয় যে, "কালি বাংগালুৰুত সংঘটিত হোৱা দুৰ্ভাগ্যজনক ঘটনাৰ বাবে আৰ চি বি পৰিয়ালটো মানসিক যন্ত্ৰণাত ভুগিছে। সেয়েহে দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালক ১০ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছে।" দলটোৱে লগতে কয় যে, "আৰ চি বি কেয়াৰ নামৰ এটা পুঁজি গঠন কৰা হৈছে। ইয়াৰ জৰিয়তে দুৰ্ঘটনাত আহতসকলক সহায় কৰা হ'ব। অনুৰাগীসকল আমাৰ দলৰ প্ৰাণ। আমি সকলোৱে একেলগে এই কামত আছো।" বুধবাৰে সন্ধিয়া প্ৰায় ৪:৩০ বজাত চিন্নাস্বামী ষ্টেডিয়ামৰ বাহিৰত ১১ জন লোকৰ মৃত্যু হোৱাৰ পাছতো ষ্টেডিয়ামৰ ভিতৰত উদযাপন অব্যাহত থাকে। নাচ-গান আৰু খেলুৱৈসকলে ট্ৰফী লৈ উদযাপন কৰে। কিন্তু ছয় ঘণ্টাৰ পাছত আৰচিবি কৰ্তৃপক্ষই এক বিবৃতি প্ৰকাশ কৰি কয় যে প্ৰথম অৱস্থাত এই হুলস্থুলৰ বিষয়ে অৱগত নাছিল। আৰ চি বিয়ে এক বিবৃতিত কয়, "বিয়লি সমগ্ৰ বাংগালুৰুত দলটোৰ উভতি অহাৰ উপলক্ষে এক বৃহৎ জনসমাগম হয়। বিভিন্ন সংবাদ মাধ্যমৰ বাতৰিৰ পৰা আমি জানিব পাৰিছো যে সেই সমাৰেশত এক কৰুণ ঘটনা সংঘটিত হৈছিল। এই ঘটনাত আমি গভীৰভাৱে দুখী। সকলোৱে সুৰক্ষা আৰু মংগল আমাৰ বাবে সৰ্বোচ্চ গুৰুত্বপূৰ্ণ। আৰ চি বি কৰ্তৃপক্ষই এই কৰুণ প্ৰাণ হেৰুৱাৰ বাবে শোক প্ৰকাশ কৰিছে। শোকসন্তপ্ত পৰিয়ালসমূহলৈ আমাৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ।" আৰচিবি কৰ্তৃপক্ষই লগতে লিখিছে, "এই ঘটনাৰ কথা গম পোৱাৰ লগে লগে আমি ক্ষীপ্ৰতাৰে সময়সূচী সলনি কৰিলোঁ। স্থানীয় প্ৰশাসনৰ নিৰ্দেশনা আৰু পৰামৰ্শ অনুসৰি আমি পদক্ষেপ লৈছো। আমি আমাৰ সকলো সমৰ্থকক সুৰক্ষিত হৈ থাকিবলৈ অনুৰোধ কৰিছো।" এই বক্তব্য ছ'চিয়েল মিডিয়াত শ্বেয়াৰ কৰি কোহলীয়ে লিখিছে, "মই শব্দ বিচাৰি পোৱা নাই। অতি হৃদয়বিদাৰক।"



প্ৰিয় দলটোৰ বিজয় উৎসৱত অনুৰাগীৰ ভিৰ, পৰিস্থিতি চম্ভালিবলৈ আৰক্ষীৰ লাঠিচালনা, বুধবাৰে বাংগালুৰুত

## বাংগালুৰুত আৰচিবিৰ বিজয় উৎসৱত উশৃংখলতা, ১১ জনৰ মৃত্যু

# আইপিএল বিজয়ীৰ বাবে বিচিচিআইয়ে জাৰি কৰিব নিৰ্দেশনা

**মুম্বাই, ৫ জুনঃ** বাংগালুৰুত আৰ চি বিৰ আই পি এল বিজয় উদযাপনৰ সময়ত ১১ জন লোকৰ মৃত্যুৱে কঁপাইছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ড। ব'ৰ্ডৰ সচিব দেৱজিৎ শইকীয়াই এই ঘটনাক "চকু মেল খোৱাৰ দৰে" বুলি অভিহিত কৰি ভৱিষ্যতে আই পি এলৰ বিজয় উদযাপনৰ আয়োজনৰ বাবে নতুন গাইডলাইন জাৰি কৰা হ'ব বুলি ইংগিত দিয়ে। ইণ্ডিয়ান এক্সপ্ৰেছ কাকতত শইকীয়াই কয়, "এয়া চকু মেল খোৱাৰ দৰে ঘটনা। এনে পৰিস্থিতিত কি কৰিব লাগিব সেই বিষয়ে আমি চিন্তা কৰিব লাগিব। প্ৰতি বছৰে কোনোবা জয়ী হয়। প্ৰতি বছৰে তেওঁলোকৰ চহৰত উৎসৱ হ'ব। গতিকে, আমি পাঠ ল'ব লাগিব যাতে ভৱিষ্যতে এনে ঘটনা নহয়। এই মুহূৰ্তত কোনো দলৰ উৎসৱৰ সৈতে ব'ৰ্ডৰ কোনো সম্পৰ্ক নাই।" আই পি এলৰ ফাইনেলৰ উদাহৰণ দি তেওঁ কয়, "মঙলবাৰে নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ১.৩২ লাখ দৰ্শক উপস্থিত হৈছিল। নিৰাপত্তা আৰু ভিৰ ব্যৱস্থাপনা সম্পৰ্কীয় সৰু সৰু কাণ্ডবোৰতো আমি গুৰুত্ব দিছিলো। এটাও অশুভ কাণ্ড সংঘটিত হোৱা নাছিল। সকলো নিয়ন্ত্ৰণত আছিল। বাংগালুৰুত যিটো ঘটিছিল তাত ব'ৰ্ডৰ কোনো ভূমিকা নাছিল।" আই পি এল গভৰ্নিং কাউন্সিলৰ অধ্যক্ষ অৰুণ ধুমলে কয় যে তেওঁলোকে নাজানে এই অনুষ্ঠানৰ আয়োজনৰ দায়িত্বত কোন আছিল। ধুমলৰ মতে, "আমি সমগ্ৰ ঘটনাৰ তদন্ত কৰি সিদ্ধান্ত লৈছো যে ভৱিষ্যতে এনেকুৱা হ'ব নালাগে। ট্ৰফী সমদল বা বাংগালুৰুত ক'ত উৎসৱ অনুষ্ঠিত হ'ব সেই বিষয়ে আমি একো নাজানিছিলো। কোনে আয়োজন কৰিছিল, কিমান মানুহ তালৈ আহিছিল, এই সকলোবোৰ আমাৰ বাবে অজ্ঞাত।" যোৱা বছৰ ভাৰতে টি-২০ বিশ্বকাপত জয়লাভ কৰাৰ পিছত মুম্বাইত এখন উন্মুক্ত বাছত শোভাযাত্ৰা উলিওৱা হৈছিল। যদিও বৃহৎ জনসমাগম আছিল, তথাপিও কোনো লোকৰ মৃত্যু হোৱা নাছিল। সেই সময়ত পৰিস্থিতি কেনেদৰে চম্ভালিছিল সেই সন্দৰ্ভত মুম্বাই ক্ৰিকেট সন্থাৰ সভাপতি অজিংক্য নাইকে কয়, "শোভাযাত্ৰা হ'ব বুলি জানি মুম্বাই আৰক্ষীয়ে কোৱা কথাখিনি আমি শুনিছিলো। ২০০৭ চনতো আমি এনে শোভাযাত্ৰা চম্ভালিছিলোঁ। স্থানীয় প্ৰশাসনে সহায় কৰিছিল। ভাৰতীয় দল আহি পোৱাৰ দুঘণ্টা পূৰ্বে গেট বন্ধ কৰি দিয়া হৈছিল। অনুৰাগীক কোৱা হৈছিল যে নিৰ্দিষ্ট সময়ৰ পিছত ষ্টেডিয়ামত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব।"

# নগাঁৱত যোগ সন্থাৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৫ জুনঃ** অসম অলিম্পিক সন্থাৰ স্বীকৃতিপ্ৰাপ্ত অসম যোগ সংস্থাৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৱা কাৰ্যসূচীৰে নগাঁৱত অৱস্থিত ৰাজ্যিক যোগ কেন্দ্ৰ, নিৰ্বাণত উদযাপন কৰা হয়। পুৱা ৯ বজাত সংস্থাৰ অধ্যক্ষ ডাঃ কৃষ্ণ কুমাৰ বৰাই পতাকা উত্তোলন কৰে আৰু ৯-১৫ বজাত কোষাধ্যক্ষ মঞ্জুলা লস্কৰে গছপুলি ৰোপণ কাৰ্যসূচী উদ্বোধন কৰে। তাৰ পিছতে অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সমাজসেৱক তথা মুক্তিযোদ্ধা ললিত চন্দ্ৰ হাজৰিকাৰ তিৰোভাৱ তিথি আৰু সংস্থাৰ প্ৰতিষ্ঠাপক ফটিক চন্দ্ৰ শৰ্মাসহ অন্যান্য প্ৰয়াত সদস্যসকলৰ সোঁৱৰণত উপস্থিত থাকে উপ সভাপতি ব্ৰজেন কাকতি, সমাজসেৱক যুগব্ৰত শৰ্মা, প্ৰণতি শৰ্মা, প্ৰভাত চন্দ্ৰ বৰা আদি। বিয়লি চাৰি বজাত অনুষ্ঠিত হয় মত-বিনিময় আৰু সম্বৰ্ধনা অনুষ্ঠান। ইয়াত উদীয়মান খেলুৱৈ আৰোহী মজুমদাৰে যোগ ক্ৰীড়া শৈলী প্ৰদৰ্শন কৰে। সংস্থাৰ অধ্যক্ষ ডাঃ কৃষ্ণ কুমাৰ বৰা, কোষাধ্যক্ষ মঞ্জুলা লস্কৰ আৰু সম্পাদক সমীৰ হাজৰিকাই যোগ ক্ৰীড়াৰ প্ৰয়োজনীয়তা লৈ বক্তব্য ৰাখে। ছিংগাপুৰত অনুষ্ঠিত দশম এছিয়ান যোগ প্ৰতিযোগিতাত পদক জিকা উদিতাৰাণী বৰা আৰু ড্ৰিচনা জে আৰ চন্দ্ৰাক সম্বৰ্ধনা জনোৱা হয়। লগতে সম্বৰ্ধনা লাভ কৰে প্ৰবীন যোগবিদ বিজু শইকীয়া, প্ৰণতি শৰ্মা, সাংবাদিক হৰেশ্বৰ বৰুৱা, আৰু এছিয়ান যোগ ৰেফাৰী পৰীক্ষাত উত্তীৰ্ণ নিজৰা বৰা, বিচিত্ৰ ৰঞ্জন বৰা, ড° টুলুমণি দেৱী। আবৃত্তিকাৰ ভাস্বতী বৰাৰ আবৃত্তিৰ লগতে সূৰ্য নমস্কাৰ প্ৰদৰ্শন কৰে বিচিত্ৰা ভূঞা, ডেইজী বৰ চৌধুৰী, দিপাঞ্জলী বৰা, পঞ্চী বৰা, লোণা দেৱী আৰু তনুশ্ৰী বৰুৱাই। অনুষ্ঠানটোত মেৰা যুৱ ভাৰত, নগাঁও আৰু নিৰ্বাণৰ প্ৰশিক্ষাৰ্থীসকলে গুৰুত্বপূৰ্ণ গ্ৰহণ কৰে।

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি